www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

পৰিস্থিতি যিমানেই ভয়লগা নহওক কিয়, দৃঢ়তা আৰু আত্মবিশ্বাস থাকিলে জয়লাভ সুনিশ্চিত। - পিয়েৰ টেলহাৰ্ড

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❑ষষ্ঠ বছৰ ❑সংখ্যা - ২৬১ ❑ শুক্ৰবাৰ ❑১৯ ডিচেম্বৰ, ২০২৫ চন ❑৪ পুহ, ১৯৪৭ শক ❑ VOL - 6 ❑NO.- 261 ❑Friday ❑ 19th December, 2025 ❑মূল্য ঃ ১০.০০ টকা ❑মুঠ পৃষ্ঠা ঃ ৮

'অসম বাৰ্তা' গোষ্ঠীৰ ২০২৬ বৰ্ষৰ বঁটা ঘোষণা

## ড° বসন্ত গোস্বামীলৈ সাহিত্য উন্মেষ, অনুপম চক্ৰৱৰ্তীলৈ হোমেন বৰগোহাঞি সাংবাদিকতা বঁটা, নৃপেন দাসলৈ সমাজ হিতৈষী বঁটা

▪ বিধায়ক দিপ্লুৰঞ্জন শৰ্মালৈ যুৱ ৰাজনীতিজ্ঞ বঁটা আৰু বিধায়ক ৰমাকান্ত দেউৰীলৈ জননেতা ড° পূৰ্ণনাৰায়ণ সিংহ ৰাজনীতিজ্ঞ বঁটা ▪



**অসম বাৰ্তা, দিছপুৰ, ১৮ ডিচেম্বৰ ঃ** আজি দিছপুৰ প্ৰেছ ক্লাৱত নদীদ্বীপ মাজুলীৰ পৰা প্ৰকাশিত 'অসম বাৰ্তা' দৈনিক কাকত গোষ্ঠীয়ে এখন সংবাদমেল সম্বোধন কৰি গোষ্ঠীটোৰ ২০২৬ বৰ্ষৰ কেইবাটাও গুৰুত্বপূৰ্ণ বঁটা ঘোষণা কৰে। ষষ্ঠ বৰ্ষপূৰ্তি উপলক্ষে গোষ্ঠীটোৰ হৈ কাকতখনৰ প্ৰকাশক তনয় বৰা, উপ-সম্পাদক অভিজিত বৰা, ষ্টাফ ৰিপৰ্টাৰ পুলিন কাকতিয়ে সংবাদ মাধ্যমক সম্বোধন কৰি ⏩ ৬ পৃষ্ঠাত

২১ ডিচেম্বৰত নলবাৰীত প্ৰদান কৰা হ'ব বঁটা

## 'অসম বাৰ্তা' গোষ্ঠীৰ মুখ্য পৰিচালন সঞ্চালক তনয় বৰালৈ যুৱ সাংবাদিকতা বঁটা নলবাৰী জিলা সাংবাদিক পৰিষদৰ



**অসম বাৰ্তা, নলবাৰী, ১৮ ডিচেম্বৰ ঃ** সাংবাদিক পৰিষদ অসমৰ নলবাৰী জিলা সমিতিয়ে দুবছৰৰ মূৰে মূৰে অসমৰ সংবাদ মাধ্যম, সাহিত্য, সাংস্কৃতিক, সামাজিক ভাৱে অৰিহণা যোগোৱা বিশিষ্ট ব্যক্তিসকলক স্বীকৃতি দিয়াৰ বাবে বিভিন্ন বঁটাৰে সন্মানিত কৰি আহিছে। আজি এক বিবৃতিত পৰিষদৰ জিলা ⏩ ৬ পৃষ্ঠাত

❑ ঘন কুৱলীৰ মাজত শোকাৱহ পথ দুৰ্ঘটনা ❑



## শিৱসাগৰত ভয়াৱহ দুৰ্ঘটনাত দম্পতীৰ মৃত্যু, দেৱশিশুৰ প্ৰাণ ৰক্ষা

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৮ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ ভটিয়াপাৰ অঞ্চলৰ ৰূপাহীমুখত অৱস্থিত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত বৃহস্পতিবাৰে পুৱাৰ ভাগত ঘন কুৱলীৰ বাবে সংঘটিত হয় এক ভয়াৱহ পথ দুৰ্ঘটনা। এই দুৰ্ঘটনাত এটা পৰিয়ালৰ দুজন সদস্যৰ কৰুণ মৃত্যু হয়, যদিও সৌভাগ্যক্ৰমে তেওঁলোকৰ ⏩ ৬ পৃষ্ঠাত

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীলৈ ওমানৰ সৰ্বোচ্চ নাগৰিক সন্মান প্ৰদান

দুয়োখন দেশৰ কূটনৈতিক সম্পৰ্কৰ ৭০তম্ বৰ্ষ উদযাপনৰ মাজত ঐতিহাসিক CEPA স্বাক্ষৰ



**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ১৮ ডিচেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক বৃহস্পতিবাৰে ওমানৰ ৰাজধানী মাস্কাটৰ আল বাৰাকা ৰাজ ⏩ ৬ পৃষ্ঠাত

## ২৪ ঘণ্টাৰ ভিতৰত ভাৰত এৰি যোৱাৰ নিৰ্দেশ জাৰি জিলা আয়ুক্তৰ

## নগাঁৱৰ ১৫জন লোকক ভাৰত ত্যাগ কৰাৰ নিৰ্দেশ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৮ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ বিদেশী ন্যায়াধিকৰণে পূৰ্বে বিদেশী ঘোষিত ১৫জন ব্যক্তিক ২৪ ঘণ্টাৰ ভিতৰত ভাৰতৰ ভূখণ্ড ত্যাগ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাই ১৭ ডিচেম্বৰত জাৰি কৰা পৃথক নিৰ্দেশনাত এই ব্যক্তিসকলক ধুবুৰী, শ্ৰীভূমি বা দক্ষিণ শালমাৰা- ⏩ ৬ পৃষ্ঠাত

❑ সহমতত উপনীত হ'ব পৰা নাই জুৰী; শুকুৰবাৰৰ সংবাদমেল বাতিল ❑

## বিলম্ব হ'ব সাহিত্য অকাডেমী পুৰস্কাৰ-২০২৫ৰ ঘোষণা



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮ ডিচেম্বৰ ঃ** ভাৰতৰ ৰাষ্ট্ৰীয় সাহিত্য সংস্থা সাহিত্য অকাডেমীৰ বঁটা ২০২৫ৰ বিজয়ীসকলৰ নাম ঘোষণাত উল্লেখযোগ্য বিলম্ব হৈছে। মূল সাহিত্য অকাডেমী পুৰস্কাৰৰ লগতে অন্যান্য শাখাৰ বঁটাসমূহৰ ঘোষণাৰ বাবে নিৰ্ধাৰিত সংবাদমেলখন বাতিল ⏩ ৬ পৃষ্ঠাত

▪ ৰাজ্য চৰকাৰৰ ব্যাপক ব্যস্ততা; সাজু বিজেপিৰ লক্ষাধিক কৰ্মকৰ্তা ▪

# মোদীৰ সভালৈ প্ৰস্তুতি লাখ লাখ 'লাখপতি বাইদেউ'ৰ



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৮ ডিচেম্বৰ ঃ** আগন্তুক ২০ আৰু ২১ ডিচেম্বৰত অসমলৈ দুদিনীয়া ভ্ৰমণলৈ অহাৰ কাৰ্যসূচীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অসম বিজেপিৰ ইতিহাসত এক নতুন অধ্যায়ৰ সূচনা কৰিব। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জনোৱা অনুসৰি, প্ৰধানমন্ত্ৰীগৰাকীয়ে বশিষ্ঠস্থিত ৰাজ্যিক বিজেপি কাৰ্যালয়লৈ আহি দলীয় কাৰ্যকৰ্তাসকলৰ সৈতে মত বিনিময় কৰিব। এয়া অসম বিজেপিৰ ইতিহাসত প্ৰথম ঘটনা যে কোনো ভাৰতীয় প্ৰধানমন্ত্ৰী ৰাজ্যিক কাৰ্যালয়লৈ আহিব। পূৰ্বৰ প্ৰধানমন্ত্ৰীসকলে যদিও অসম ভ্ৰমণ কৰিছিল, তেওঁলোকে কেতিয়াও ৰাজ্যিক কাৰ্যালয়লৈ অহা নাছিল বুলি

গৌৰৱ গগৈৰ কটাক্ষ, জুবিন গাৰ্গৰ চাৰ্জশ্বীটক 'দুৰ্বল' অভিহিত

## মুখ্যমন্ত্ৰীৰ ভাবুকিৰ ৰাজনীতি বেছিদিন নচলে

**ষ্টাফ ৰিপৰ্টাৰ, যোৰহাট, ১৮ ডিচেম্বৰ ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি তথা যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ভাবুকিৰ ৰাজনীতিক কঠোৰভাৱে সমালোচনা কৰিছে। বৃহস্পতিবাৰে নিজৰ গৃহ সমষ্টি যোৰহাটত সাংবাদিকৰ সৈতে হোৱা এক বাৰ্তালাপত গগৈয়ে কয়, "মুখ্যমন্ত্ৰীৰ ভয়- ⏩ ৬ পৃষ্ঠাত

## লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ চৌহদত অসমৰ প্ৰথম মুখ্যমন্ত্ৰী ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৮০ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি উন্মোচন কৰিব

বায়ু প্ৰদূষণ নিয়ন্ত্ৰণৰ পদক্ষেপ

## দিল্লীত নন-বিএছ-ভিআই বাহনৰ প্ৰৱেশ নিষিদ্ধ

পিইউচি নথকা বাহনক ইন্ধন নিদিয়াৰ নিয়ম বলৱৎ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮ ডিচেম্বৰ ঃ** ৰাজধানী দিল্লীত শেহতীয়াকৈ বায়ু প্ৰদূষণৰ মাত্ৰা 'গুৰুতৰ' শ্ৰেণীত উন্নীত হোৱাৰ পিছত চৰকাৰে গ্ৰেডেড ৰেসপন্স একচন প্লেন (GRAP)ৰ চতুৰ্থ পৰ্যায়ৰ কঠোৰ নিয়ম- ⏩ ৬ পৃষ্ঠাত

▪ জুবিন গাৰ্গৰ মৃত্যুৰ চাৰ্জশ্বীট দাখিলৰ পিছত নতুন বিতৰ্ক ▪



## ৰাইজৰ দলৰ কৰ্মীৰ আক্ৰমণৰ লক্ষ্য গৰিমা শইকীয়া গাৰ্গ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৮ ডিচেম্বৰ ঃ** অসমৰ হিয়াৰ আমঠু খ্যাত গায়ক জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্তত এছআইটিয়ে চাৰ্জশ্বীট দাখিল কৰাৰ পিছতেই ৰাজ্যত নতুন ৰাজনৈতিক বিতৰ্কৰ সূত্ৰপাত হৈছে। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতা তথা ⏩ ৬ পৃষ্ঠাত

বড়োলেণ্ডলৈ ২৫০ কোটি টকাৰ বিশেষ পেকেজ

## বিশ্বকাপ জয়ী ক্ৰিকেটাৰ চিমু দাসক ফিজিকেল ইনষ্ট্ৰাক্টৰ পদত নিযুক্তি



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৮ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত বৃহস্পতিবাৰে দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত অসম চৰকাৰৰ সাপ্তাহিক কেবিনেট বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত ⏩ ৬ পৃষ্ঠাত

সভাপতি প্ৰমোদ বড়োসহ সাংসদ জয়ন্ত বসুমতাৰী আৰু ৰণগৌড়া নাৰ্জাৰীৰ সাক্ষাৎ

## বড়ো চুক্তি ৰূপায়ণৰ দাবীত ইউপিপিএলৰ প্ৰতিনিধি দলৰ অমিত শ্বাহক সাক্ষাৎ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮ ডিচেম্বৰ ঃ** ইউনাইটেড পিপলছ পাৰ্টি লিবাৰেল (ইউপিপিএল)ৰ এক উচ্চস্তৰীয় ১২ জনীয়া প্ৰতিনিধি দলে বৃহস্পতিবাৰে নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰে। দলৰ সভাপতি তথা প্ৰাক্তন সাংসদ প্ৰমোদ বড়োৰ নেতৃত্বত যোৱা এই প্ৰতিনিধি দলটোৱে বড়োলেণ্ডৰ বিভিন্ন সমস্যা আৰু দাবীসমূহ লৈ গৃহমন্ত্ৰীৰ সৈতে বিতং আলোচনাত মিলিত হয়। ⏩ ৬ পৃষ্ঠাত

▪ চামগুৰিত ভূ-মাফিয়াৰ দপদপনি ▪

## গেৰেকী বিলৰ মাটি দখল কৰি ইটা নিৰ্মাণ কাৰ্য; শিশু শ্ৰমিক নিয়োগৰো অভিযোগ

**অসম বাৰ্তা, চামগুৰি, ১৮ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ চামগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত বিভিন্ন স্থানত কাঠফুলাৰ দৰে গঢ়ি উঠা ইটা ভাটা একাংশত শিশু শ্ৰমিক নিয়োগ কৰা বুলি অভিযোগ উত্থাপন হৈছে। ইটা ভাটাৰ মালিক পক্ষই শিশু শ্ৰমিক প্ৰতিৰোধ আইনখনক ভেঙুচালি কৰি কম মজুৰিৰ বিনিময়ত একাংশ

আপোনাৰ পুৰণি বেংক একাউণ্টৰ পাহৰি যোৱা ধন?



আৰবিআইয়ে আপোনাৰ বেংক একাউণ্টৰপৰা পুৰণি ধন উদ্ধাৰ কৰাত আপোনাক সহায় কৰিব।

আপোনাৰ বেংকত নিষ্ক্ৰিয় হৈ থকা একাউণ্টৰ (2 বছৰৰপৰা 10বছৰলৈকে নিষ্ক্ৰিয়) ধন / দাবী নকৰা জমাধন (10 বছৰৰ পিছত) আৰবিআইৰ ডিইএ পুঁজিলৈ স্থানান্তৰ কৰা হয়। আপুনি বা আপোনাৰ আইনী উত্তৰাধিকাৰীয়ে যিকোনো সময়তে এই ধনৰ দাবী কৰিব পাৰে।

আপোনাৰ ধন দাবী কৰিবলৈ 3 টা সহজ পদক্ষেপ

1. আপোনাৰ বেংকৰ যিকোনো শাখালৈ যাওক, যদিও সেয়া আপোনাৰ নিয়মীয়া শাখা নহয়
2. কে ৱাই চি তথ্যৰ সৈতে এখন প্ৰপত্ৰ জমা দিয়ক (আধাৰ, পাছপৰ্ট, ভোটাৰ আই ডি বা ড্ৰাইভিং লাইচেন্স)
3. সত্যাপনৰ পিছত, আপোনাৰ ধন সুতৰ সৈতে লাভ কৰক, যদি আছে

আপোনাৰ দাবী নকৰা জমা ধন বিচাৰিবলৈ

আপোনাৰ বেংকৰ ৱেবছাইটত সন্ধান কৰক বা বৰ্তমান 30টা বেংক সামৰি লোৱা আৰ বি আইৰ UDGAM পৰ্টেল (https://udgam.rbi.org.in) পৰীক্ষা কৰক ।

2025 চনৰ অক্টোবৰৰ পৰা ডিচেম্বৰলৈকে দেশৰ সকলো জিলাতে চলি থকা সম্পত্তিৰ বিশেষ শিবিৰসমূহ চাওক




অধিক বিৱৰণৰ বাবে, https://rbikehtahai.rbi.org.in চাওক
মতামতৰ বাবে, rbikehtahai@rbi.org.in লৈ লিখক
QR কোডটো স্কেন কৰক
অফিচিয়েল হোৱাটছএপ নম্বৰ 99990 41935

জনস্বাৰ্থত জাৰী কৰা হৈছে
भारतीय रिज़र्व बैंक
RESERVE BANK OF INDIA
www.rbi.org.in

### হাতীগাৱঁত প্ৰাকৃতিক কৃষকৰ "সমূহীয়া খেতি চপোৱা উৎসৱ" উদ্‌যাপন

# গোৱালপাৰাৰ কৃষকে আনিছে আশাৰ বতৰা




**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১৭ ডিচেম্বৰ ঃ** অত্যধিক ৰাসায়নিক সাৰ ব্যৱহাৰেৰে উৎপাদন কৰা কৃষিজাত সামগ্ৰীয়েই জনস্বাস্থ্যৰ প্ৰতি ভাবুকি কঢ়িয়াই অনাৰ সময়তে গোৱালপাৰা জিলাৰ হাতীগাওঁ প্ৰাকৃতিক কৃষি ক্ষেত্ৰৰ দুশৰো অধিক কৃষক পৰিয়ালে প্ৰাকৃতিক কৃষি প্ৰদ্ধতি গ্ৰহণ কৰি স্বাস্থ্যসন্মত কৃষিজাত সামগ্ৰী উৎপাদন কৰি আহিছে। সম্পূৰ্ণ ৰাসায়নিক দ্ৰব্য বৰ্জিত শাক-পাচলিয়ে ইতিমধ্যে গ্ৰাহকৰ মাজত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত ভাৰতৰ কৃষি আৰু খাদ্য ব্যৱস্থাৰ বহনক্ষম কৃষিৰ পৰিবৰ্তন শক্তিশালী কৰাৰ উদ্দেশ্যে ৰূপায়িত চু-আটি প্ৰকল্প ই প্ৰাকৃতিক কৃষি ক্ষেত্ৰলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে। জিলা কৃষি বিভাগৰ সহযোগত এই প্ৰকল্পই গোৱালপাৰা জিলাৰ হাতীগাওঁ প্ৰাকৃতিক কৃষি ক্ষেত্ৰৰ অধীনৰ আঠখন গাঁৱৰ পাঁচশৰো অধিক পৰিয়াল সামৰি লৈছে। প্ৰকল্প বিভিন্ন কাৰ্যসূচীয়ে ৰাষ্ট্ৰসংঘৰ বহনক্ষম উন্নয়নৰ লক্ষ্য-২ ক্ষুধা মুক্ত ভৱিষ্যত, বহনক্ষম উন্নয়নৰ লক্ষ্য-৩ সু-স্বাস্থ্য আৰু মঙ্গল, বহনক্ষম উন্নয়নৰ লক্ষ্য-১২ দায়িত্বশীল ভোগ আৰু উৎপাদন, বহনক্ষম উন্নয়নৰ লক্ষ্য-১৫ ভূমিৰ জীৱন সংৰক্ষণ - আদিৰ প্ৰতি অৱিহণা আগবঢ়াই আহিছে। জাৰ্মান সংস্থা জি.আই.জেদ.ৰ অৰ্থ সাহায্যত বেচৰকাৰী অনুষ্ঠান অজগৰ চ'চিয়েল চাৰ্কোল দ্বাৰা ৰূপায়িত এই প্ৰকল্পৰ কাৰ্যসূচীৰ অংশ হিচাপে কালি ১৫ ডিচেম্বৰ ২০২৫ তাৰিখে হাতীগাঁৱৰ প্ৰাকৃতিক কৃষকৰ দ্বাৰা "সমূহীয়া খেতি চপোৱা উৎসৱ" উদযাপন কৰা হয়। পৰম্পৰাগত ৰীতি-নীতি অনুসৰি উদ্‌যাপিত উৎসৱটি গাঁৱৰ কৃষকসকলে সমূহীয়াকৈ খেতি চপোৱা কাৰ্যত ইজনে সিজনক সহায় কৰি এক নিদৰ্শন দাঙি ধৰি আহিছে। বহু বছৰ ধৰি পৰম্পৰাগত ভাৱে পালন কৰি কৃষি ভিত্তিক এই উৎসৱটিক জনসাধাৰণৰ মাজত জনপ্ৰিয় কৰাৰ লগতে গ্ৰাম্য পৰ্যটনৰ বাবে উৎসাহিত কৰাৰ উদ্দেশ্যে জিলা খনৰ বিভিন্ন বিভাগৰ মুৰব্বী সকলোক, বিভিন্ন মহাবিদ্যালয় অধ্যক্ষ তথা অধ্যাপকসকলক আমন্ত্ৰণ জনায়। উদ্বোধনী ভাষণেৰে উৎসৱটিৰ শুভাৰম্ভ কৰে পশ্চিম গোৱালপাৰা সমজিলাৰ সহকাৰী আয়ুক্ত শিখামনি বৰাই। অনুষ্ঠানটিত ভাষণ প্ৰদান কৰে সহকাৰী আয়ুক্ত ঋষিৰাজ দাসে কৃষকসকলে খেতি পথাৰলৈ গৈ সমূহীয়াকৈ খেতি চপাই গীত-বাদ্যৰে ধানৰ ডাঙৰি কঢ়িয়াই আনি পৰম্পৰাগত ৰীতি-নীতিৰে লখিমীক আদৰণি জনায়। ধৰ্মীয় পৰম্পৰা সম্পূৰ্ণ হোৱাৰ পিছত গাঁৱবাসীয়ে স্থানীয়ভাৱে প্ৰস্তুত কৰা পৰম্পৰাগত পানীয় (জোঙা) পৰিৱেশন কৰে। এক উৎসৱ মুখৰ পৰিৱেশত লগে ভাগে এসাজ খাই বৰ্ষটিৰ বাবে কৃষি কৰ্মৰ সমাপ্তিৰ আনন্দ প্ৰকাশ কৰে। এই পৰম্পৰাগত উৎসৱটিত অংশগ্ৰহণ কৰি কৃষকসকলক উৎসাহিত কৰে গোৱালপাৰা জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত জগদীশ ব্ৰহ্ম, জি.আই.জেদৰ কৃষি পৰামৰ্শ দাতা প্ৰদীপ্তা কিশোৰ চান্দ, জিলা কৃষি বিষয়া দীপক পাঠক, মহকুমা কৃষি বিষয়া চামচুল হক, নাবাৰ্ডৰ জিলা উন্নয়ন প্ৰবন্ধক কাঞ্চন মনি গোহাঁইৰ আদিৰ লগতে কৃষি বিভাগৰ অন্যান্য বিষয়া সকলে অংশগ্ৰহণ কৰে। তদুপৰি লক্ষ্মীপুৰ মহাবিদ্যালয়ৰ অধ্যাপিকা হিমানী দেৱী, দুধনৈ মহাবিদ্যালয়ৰ অধ্যাপক মানস লোচন দাস, জিতুমণি পাঠক, দিবাকৰ নাথৰ অংশগ্ৰহণে অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

### মাজুলী মহাবিদ্যালয়ৰ ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ৭ দিনীয়া শিৱিৰৰ শুভ উদ্বোধনী

# 'দুৰ্লভ মনুষ্য-জীৱনৰ প্ৰধান ধৰ্ম হৈছে সমাজ সেৱা'




**অসম বাৰ্তা, মাজুলী, ১৭ ডিচেম্বৰ ঃ** ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ মাজুলী মহাবিদ্যালয় গোটৰ সৌজন্যত সপ্তাহজোৰাকৈ আৰম্ভ হোৱা ২০২৫ বৰ্ষৰ বিশেষ শিৱিৰ কাৰ্যক্ৰম মহাবিদ্যালয়ৰ সমীপৱৰ্তী ২ নং মৰিটুনী মিচিং গাঁৱত আজিৰে পৰা আৰম্ভ হৈছে। এই উদ্দেশে কালি ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ মহাবিদ্যালয় গোটৰ স্বেচ্ছাসেৱকসকলৰ মাজত দায়িত্ব আৰু কৰ্তব্যৰ ভাগ বিতৰণ, শিৱিৰৰ নীতি-নিৰ্দেশনা সম্পৰ্কত অৱগতকৰণ, চৌহদ পৰিষ্কাৰকৰণ, ৰন্ধন প্ৰস্তুতকৰণ সম্পৰ্কীয় আগতীয়া প্ৰস্তুতি সম্পন্ন কৰা হয়। মহাবিদ্যালয়ৰ মুঠ ১১১ গৰাকী স্বেচ্ছাসেৱকে অংশ গ্ৰহণ কৰা এই বিশেষ কাৰ্যসূচী উদ্বোধন কৰাৰ উদ্দেশ্যে আজি ২ নং মৰিটুনী প্ৰাথমিক বিদ্যালয়ত আয়োজিত সভাত মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই সাদিনীয়া কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে। ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই কয়, "আমাৰ সমাজত বৰ্তমান ব্যক্তিগত লাভালাভৰ চিন্তাৰে কাম কৰা লোকৰ সংখ্যা সৰহ হৈ পৰিছে। কিন্তু, জীৱনৰ পৰম সুখ পাব পাৰি সমাজৰ উপকাৰ অহাকৈ সেৱা কৰাৰ যোগেদিহে। কবিয়ে কৈছে- পৰৰ কাৰণে কান্দিব পাৰিলে কান্দোনতো সুখ পায়। মানুহে লাভ কৰা দুৰ্লভ মনুষ্য-জীৱনৰ প্ৰধান ধৰ্ম সমাজ সেৱাৰ বাবে ছাত্ৰাৱস্থাৰ পৰাই নিজকে প্ৰস্তুত কৰিবৰ বাবেই ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ এনে কাৰ্যক্ৰমৰ আৱশ্যকতা আছে। "সেৱা আঁচনিৰ স্বেচ্ছাসেৱিকা মমী দলেয়ে আঁত ধৰা উদ্বোধনী অনুষ্ঠানৰ আৰম্ভণিতে অধ্যক্ষগৰাকীয়ে বন্তি প্ৰজ্বলন কৰাৰ লগে লগেই ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শীৰ্ষ গীতটি বাজি উঠে। অনুষ্ঠানত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ মহাবিদ্যালয় গোটৰ কাৰ্যক্ৰম বিষয়া ড° অৰূপ বুঢ়াগোহাঁইয়ে আগন্তুক সাতদিনীয়া শিৱিৰত হ'বলগীয়া বিভিন্ন কাৰ্যসূচীৰ এটি বিৱৰণ আগবঢ়োৱাৰ লগতে সেৱা আঁচনিৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে বক্তব্য আগ বঢ়ায়। সভাত উপস্থিত থাকি মাজুলী মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, মহাবিদ্যালয় অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ড° অনুপ কুমাৰ দলে, অধ্যপিকা ড° জুলি গগৈ, সুদৰ্শনা ফুকন, ২ নং মৰিটুনী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ডিম্বেশ্বৰ ৰেগন, সহকাৰী শিক্ষয়িত্ৰী অঞ্জলি বৰা আদিয়ে বক্তব্য আগ বঢ়ায়। উল্লেখ্য যে, এই বৰ্ষৰ শিবিৰৰ মূল বিষয় 'যুৱ সমাজৰ বাবে বহনক্ষম জীৱিকা আৰু দক্ষতাৰ বিকাশ'ৰ সৈতে সংগতি আয়োজন কৰা বিষয় ক্ৰমে লাভজনক কাঠফুলা খেতিৰ যোগেদি স্বাৱলম্বন, লাভজনকভাৱে আচাৰ প্ৰস্তুতকৰণ, স্বাস্থ্য আৰু পৰিচ্ছন্নতা, অগ্নিনিৰ্বাপনৰ কলা-কৌশল, অন্ধবিশ্বাস তথা কু-সংস্কাৰ সম্পৰ্কীয় সজাগতা অনুষ্ঠান, কৰ্মস্থানত মহিলাৰ যৌন আতিশয্য সম্বন্ধীয় বক্তৃতানুষ্ঠান আদিত সমল ব্যক্তি হিচাপে উপস্থিত থাকিব ক্ৰমে সহযোগী অধ্যাপিকা ড° ৰূপজ্যোতি বৰা, অধ্যাপক ড° অনুপ কুমাৰ দলে, সমাজকৰ্মী-প্ৰৱক্তা ৰমেশ চন্দ্ৰ শইকীয়া, মনোজ দাস, স্বাৱলম্বী মহিলা নিৰু বৰা শইকীয়া আদিয়ে সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰিব। এই সাতদিনীয়া কাৰ্যক্ৰমত স্থানীয় ৰাইজৰ সুবিধা হোৱাকৈ ৰাস্তাৰ দাঁতিত গছপুলি ৰোপণ, চাফাই অভিযান আদি অনুষ্ঠিত হোৱাৰ উপৰি স্বেচ্ছাসেৱকসকলে অঞ্চলটোৰ এক আৰ্থ-সামাজিক জৰীপ সম্পন্ন কৰিব।

### ৪ জানুৱাৰীত অনুষ্ঠিত হ'ব এই পৰীক্ষা

# তৃতীয় বাৰ্ষিক বিধায়ক প্ৰতিভা সন্ধানী পৰীক্ষাৰ দিন সলনি

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৭ ডিচেম্বৰ ঃ** এক ব্যতিক্ৰমী পদক্ষেপত ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক তথা বৰ্তমান অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাই বিগত দুটা বছৰত ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত প্ৰাদেশীকৃত আৰু অপ্ৰাদেশীকৃত (ব্যক্তিগত খণ্ডৰ বিদ্যালয় বাদে) বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত 'বিধায়ক প্ৰতিভা সন্ধানী পৰীক্ষা' অনুষ্ঠিত কৰি আহিছে। এইবাৰো বিধায়ক তথা মন্ত্ৰী গোৱালাই উক্ত পৰীক্ষা অনুষ্ঠিত কৰাৰ পৰিকল্পনা কৰিছে। পূৰ্বতে যোৱা ৭ ডিচেম্বৰত এইপৰীক্ষা অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল যদিও জিলাখনৰ চৰকাৰী বিদ্যালয়সমূহত বৰ্তমান চলি থকা দশম আৰু দ্বাদশ শ্ৰেণীৰ প্ৰস্তুতিমূলক পৰীক্ষা আৰু অন্যান্য বিদ্যায়তনিক কাৰ্যসূচীৰ বাবে উক্ত প্ৰতিভা সন্ধানী পৰীক্ষাটো অহা ৪ জানুৱাৰীলৈ পিছুৱাই দিয়া হৈছে। ইতিমধ্যে ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত প্ৰাদেশীকৃত আৰু অপ্ৰাদেশীকৃত (ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ বাদে) বিদ্যালয়ৰ প্ৰায় ১৫০০ শিক্ষাৰ্থীয়ে এই পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ প্ৰপত্ৰ পূৰণ কৰি জমা দিছে। এই পৰীক্ষা পৰিচালনাৰ বাবে ডুমডুমা সম-জিলাৰ আয়ুক্ত নুজহাৎ নাছৰিনক সভানেত্ৰী, বিশিষ্ট চিকিৎসক তথা সমাজকৰ্মী ডাঃ প্ৰণৱ জ্যোতি ডেকাক কাৰ্যকৰী সভাপতি, ৰূপাই উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰকাশ দত্ত আৰু শিক্ষক তথা সাংবাদিক অভিজিৎ খাটনিয়াৰক উপসভাপতি, হুন্নলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অলিপ খানক সদস্য সচিব, বিশিষ্ট সমাজকৰ্মী দিলীপ প্ৰসাদ, দিয়ামুলী চাহবাগিচা আদৰ্শ বিদ্যালয়ৰ প্ৰধান শিক্ষক নাজিৰিয়াচ কিণ্ডো আৰু ডুমডুমা পৌৰসভাৰ ৱাৰ্ড সদস্য নয়ন ডেকাক যুটীয়া সম্পাদক হিচাপে লৈ এখন পৰিচালনা সমিতি গঠন কৰি দিয়া হৈছে। ইংৰাজী নৱবৰ্ষৰ প্ৰথমটো দেওবাৰে অনুষ্ঠিত হ'বলগীয়া এই পৰীক্ষা সফলতাৰে অনুষ্ঠিত কৰিবলৈ পৰিচালনা সমিতিয়ে সকলোৰে সহযোগিতা কামনা কৰিছে।

# দাবী পত্ৰ শীৰ্ঘে নিষ্পত্তি কৰি দি কাঢ়ি নিয়া ৮৭০০ টকাৰ গ্ৰেড পে' ঘূৰাই দিয়াৰ দাবীত মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ নগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ

**অসম বাৰ্তা, নগাঁও,১৭ ডিচেম্বৰ ঃ** যোৱা ৬ অক্টোবৰ ২০২৫ ত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ তৰফৰ পৰা দি কাঢ়ি নিয়া ৮৭০০ টকাৰ গ্ৰেড পে' ঘূৰাই দিয়াৰ দাবীত মুখ্যমন্ত্ৰীলৈ প্ৰদান কৰা স্মাৰক পত্ৰ কাৰ্যকৰী নোহোৱাত আজি ১৭-১২-২০২৫ তাৰিখে বিষয়টো "স্মৰণ কৰি সমাধান কৰা"ৰ দাবীৰে সন্মিলনীৰ প্ৰাথমিক শিক্ষক সন্মিলনীয়েও অন্তৰ্গত ভিন্ন মহকুমা সমিতিৰ লগতে নগাওঁ মহকুমা প্ৰাথমিক সন্মিলনীয়ে এই স্মাৰক পত্ৰ প্ৰদান কৰে মুখ্যমন্ত্ৰীলৈ। ৰাজ্যখনৰ প্ৰাথমিক শিক্ষাৰ উন্নয়ন, গতিশীল আৰু আকৰ্ষণীয় কৰি তোলাৰ বাবে ১৯৪৯ চনৰে পৰা অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে শিক্ষা, শিক্ষক, শিক্ষাৰ্থী আৰু শিক্ষানুষ্ঠানৰ বাবে সেৱা কৰি আহিছে। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় শিক্ষক সংগঠনৰ শাখা তথা ৰাজ্য চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে ৰাজ্যৰ প্ৰাথমিক শিক্ষাত উচ্চশিক্ষিত লোকসকল অন্তৰ্ভুক্ত হ'বলৈ আকৰ্ষিত হোৱাৰ আশাৰে প্ৰাথমিক বিদ্যালয়ত কৰ্মৰত স্নাতক শিক্ষক সকলক দুটা বাৰ্ষিক বেতন বৃদ্ধিৰে অগ্ৰাধিকাৰ দিবলৈ চতুৰ্থ দৰমহা আয়োগত, দাবী জনাইছিল। কিন্তু চতুৰ্থ দৰমহা আয়োগে এই মান্যতা প্ৰদান নকৰিলে। পঞ্চম দৰমহা আয়োগৰ ওচৰতো কৰা স্নাতক শিক্ষকৰ মৰ্যাদা প্ৰদানৰ যাবে কৰা দাবী কাৰ্যকৰী নহ'ল। এখোজ আগুৱাই গৈ ৰাজ্যখনৰ সকলো প্ৰাথমিক বিদ্যালয়ৰ পদ স্নাতক পদলৈ উন্নীত কৰি সুকীয়া বেতন ক্ৰম দিয়াৰ বাবে জনোৱা দাবীৰ প্ৰতি সহাঁৰি জনাই পদ উন্নীত নকৰিলেও স্নাতক শিক্ষক সকলৰ বাবে সুকীয়াকৈ ২৫০০ টকাৰ পে' প্ৰদান কৰে। আসোঁৱাহ নিৰাময় সমিতিৰ জৰিয়তে উক্ত গ্ৰেড পে' ২৭০০ টকালৈ বৃদ্ধি কৰিছিল। ইয়াৰ আধাৰতে ২৭০০ টকাৰ গ্ৰেড পে' ৩৩০০ টকালৈ উন্নীত কৰি সপ্তম দৰমহা আয়োগে ৮৭০০ টকাৰ গ্ৰেড পে দিয়াৰ পৰামৰ্শ দিছিল। উক্ত পৰামৰ্শ অসম চৰকাৰৰ কেবিনেটে গ্ৰহণ কৰি ৰাজ্যপালৰ অনুমোদন সাপেক্ষে প্ৰাথমিক শিক্ষক সকলে ১৭ মাহ ভোগ কৰাৰ পাচত হঠাৎ বন্ধ কৰি দিছিল আৰু আসোঁৱাহ নিৰাময় সমিতিৰ জৰিয়তে ৭৪০০ টকালৈ হ্ৰাস কৰিছিল। বৰ্তমান দেশৰ কোনো ৰাজ্যত নোহোৱা নোপোজা ঘটনা এটা অসমত সংঘটিত হৈছে। উল্লেখ্য যে আসোঁৱাহ নিৰাময় সমিতিয়ে সিদ্ধান্ত প্ৰকাশৰ পূৰ্বে প্ৰাথমিক শিক্ষক সন্মিলনীয়ে জনোৱা আবেদনৰ ভিত্তিত ৰাজ্য চৰকাৰে প্ৰকাশ কৰা ডব্লিইটি মেচেজ নাকচ কৰি মহামান্য আদালতে ৮৭০০ টকাৰ গ্ৰেড পে' প্ৰদানৰ বাবে ৰায় প্ৰদান কৰিছিল। আসোঁৱাহ নিৰাময় সমিতিয়ে কৰা অন্যায় সিদ্ধান্তনাকচ কৰি প্ৰাথমিক শিক্ষক সকলক ন্যায় প্ৰদানৰ বাবে অসমৰ প্ৰতি গৰাকী শিক্ষামন্ত্ৰী, বিত্ত মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ সৈতে বিগত সাত বছৰে আলোচনা কৰিছোঁ। পূৰ্বৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে ৩০ ডিচেম্বৰ ২০১৯ তাৰিখে অনুষ্ঠিত আনুষ্ঠানিক আলোচনাত বিত্ত আৰু শিক্ষা বিভাগক সমস্যাটো সমাধান কৰিবলৈ দিয়া নিৰ্দেশো কাৰ্যকৰী নহ'ল। বৰ্তমানৰ শিক্ষামন্ত্ৰী ৰনোজ পেগুৰ সৈতেও বিষয়টো বহুবাৰ আলোচনাৰ অন্তত সমাধান নোহোৱাত অসম ৰাজ্যিক প্ৰাথমিক সন্মিলনীৰ কেন্দ্ৰীয় সমিতিৰ তৰফৰ পৰা যোৱা ১ জুন ২০২৫ তাৰিখে মুখ্যমন্ত্ৰীলৈ দিয়া এক পত্ৰত মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ সকলো শিক্ষক সংগঠনৰ প্ৰতিনিধি আৰু শিক্ষা বিভাগৰ বিষয়াসকলৰ সন্মুখত পৃথক আলোচনা কৰাৰ পোষকতা কৰিছিল যদিও সেইয়া কাৰ্যকৰী নহ'ল। ইয়াৰ পাছত যোৱা ৬ অক্টোবৰ ২০২৫ তাৰিখে সন্মিলনীৰ ৰাজ্যিক সমিতিয়ে দিয়া তথ্য সম্বলিত প্ৰায় এশ পৃষ্ঠাৰ স্মাৰক পত্ৰখনি মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে শিক্ষা বিভাগলৈ প্ৰেৰণ কৰাৰ তথ্য লাভ কৰিছে সন্মালনীয়ে যদিও কোনো কাৰ্যকৰী ৰূপ পোৱা নাই। গতিকে আজি এই স্মাৰক পত্ৰ যোগে মুখ্যমন্ত্ৰীৰ প্ৰত্যক্ষ হস্তক্ষেপ দাবী কৰিছে সন্মিলনীয়ে। উল্লেখ ৰাজ্যৰ সকলো পৰ্যায়ৰ প্ৰাথমিক শিক্ষকৰ পদ নিম্ন স্নাতক। তেনেস্থলত প্ৰাথমিক পৰ্যায়ক দুটা ভাগত ভাগ কৰি পৃথক গ্ৰেড পে' প্ৰদান কৰাটো অন্যায়। সেয়ে এই অন্যায় ৰোধ কৰক মুখ্যমন্ত্ৰীয়ে। এন. চি. আৰ টি. নিৰ্দেশনা অনুসৰি শিক্ষক নিযুক্তি কালত উচ্চ প্ৰাথমিকৰ বাবে স্নাতক আৰু নিম্ন প্ৰাথমিকৰ বাবে উচ্চতৰ মাধ্যমিক ৫০ শতাংশ বা স্নাতক প্ৰাৰ্থীক শিক্ষক ৰূপে ২০১২ চনৰে পৰা নিযুক্তি দি আহিছে। তেনেস্থলত নিযুক্তি কালত স্নাতকৰ অৰ্হতা বিচাৰি প্ৰাপ্য আদায়ৰ ক্ষেত্ৰত কৰা বৈষম্য ঘোৰ অন্যায়। পদ উন্নীত নকৰাকৈ যদি উচ্চ প্ৰাথমিকত কেৱল নিযুক্তি নীতিৰ অধীনত গ্ৰেড পে' দিব পাৰি তেন্তে নিম্ন প্ৰাথমিকত নোৱাৰাৰ কাৰণ থাকিব নোৱাৰে বুলিও কয় সন্মিলনীয়ে। ইতিমধ্যে অষ্টম দৰমহা আয়োগ গঠনৰ প্ৰস্তুতি চলিছে। সপ্তম দৰমহা আয়োগত থকা এই বিসংগতি দূৰ নহ'লে অষ্টম দৰমহা আয়োগত শিক্ষক সমাজ প্ৰৱঞ্চিত হ'ব। সেয়েহে আগন্তুক এমাহৰ ভিতৰত সমস্যাটো সমাধান কৰিবলৈ দাবী জনাই এই স্মাৰক পত্ৰ প্ৰদান কৰি নগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীয়ে।

# মাকুমত তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ উদ্যোগত ৰাজ্যিক পৰ্যায়ৰ আমন্ত্ৰণমূলক দিবা-নৈশ ফুটবল প্ৰতিযোগিতাৰ আয়োজন



**অসম বাৰ্তা, মাকুম, ১৭ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ পোন প্ৰথম বাৰৰ বাবে মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ আতিথ্যত মাকুম বাসী ৰাইজৰ সহযোগত ৰাজ্যিক পৰ্যায়ৰ আমন্ত্ৰণমূলক দিবা-নৈশ ফুটবল প্ৰতিযোগিতাৰ আয়োজনৰ প্ৰস্তুতি। সেই উপলক্ষে আজি অভ্যৰ্থনা সমিতি গঠনৰ উদ্দেশ্যে মাকুম জ্যোতিনগৰ খেলপথাৰত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয়। তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতিম নেওগৰ সভাপতিত্বৰে অনুষ্ঠিত সভাত উদ্দেশ্য ব্যাখ্যা আগবঢ়াই তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সম্পাদক কনচেং গগৈয়ে। ২০২৬ চনৰ জানুৱাৰী মাহৰ শেষৰ ফালে দিবা নৈশ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ সিদ্ধান্তগ্ৰহণ কৰা হয়। প্ৰতিযোগিতাত বিজয়ী দলক প্ৰাইজমনি হিচাপে আনুমানিক এক লাখ টকা প্ৰদান কৰা হ'ব। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ শক্তিশালী টিমৰ অংশগ্ৰহণেৰে ৭ দিনীয়াকৈ অনুষ্ঠিত কৰা হ'ব উক্ত ফুটবল প্ৰতিযোগিতা খনি। উঠি অহা নৱ প্ৰজন্মক তিনিচুকীয়া জিলা ছাত্ৰ সন্থাই শৈক্ষিক দিশ, আধ্যাত্মিক দিশৰ সমান্তৰালভাৱে, ক্ৰীড়া দিশটো আগুৱাই নিয়াৰ লক্ষ্যৰে মাকুম অঞ্চলত পোন প্ৰথম বাৰ এনেদৰে ৰাজ্যিক পৰ্যায়ৰ আমন্ত্ৰণমূলক দিবা-নৈশ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ আগবাঢ়ি অহাত সভাত উপস্থিত অঞ্চলৰ অনান্য দল সংগঠন, মাকুম বাসী ৰাইজে সুখী হোৱাৰ লগতে বিভিন্ন দিহা পৰামৰ্শ প্ৰদান কৰি খেলখনত পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে। সভাৰ অন্তত অভ্যৰ্থনা সমিতিৰ সভাপতি হিচাপে অনন্ত ফুকন আৰু সম্পাদক প্ৰবেন ফুকনক দায়িত্ব অৰ্পণ কৰা হয়। আজিৰ সভাত উপস্থিত থাকে সদৌ অসম ছাত্ৰ সন্থা কেন্দ্ৰীয় সহকাৰী সম্পাদক সমৰ জ্যোতি গোহাঁই, সাংগঠনিক সম্পাদক জিতেন্দ্ৰ চুতীয়া, জ্যেষ্ঠ তথা প্ৰাক্তন ছাত্ৰ সন্থাৰ উপ সভাপতি বিনয় ডুবে, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ তিনিচুকীয়া জিলা সমিতিৰ উপদেষ্টা উত্তম গোহাঁই, মাকুম আঞ্চলিক সমিতিৰ সম্পাদক জাণ্টু মৰাণ, মাকুম শাখা সাহিত্য সভাৰ সভাপতি সুমিত্ৰ গগৈ, টাইপা কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক প্ৰভাত চাংমাই, আটছাৰ মাকুম শাখাৰ সভাপতি, সম্পাদক, বৃহত্তৰ অসমীয়া যুৱ মঞ্চ সচিব প্ৰধান মানস জ্যোতি বৰুৱা, তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা ৰণ্টু বৰ শইকীয়া, মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি শিৱা দাস লগতে অন্যান্য বিষয় ববীয়া সকল, প্ৰাক্তন ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ তথা মাকুম ক্ৰীড়া সন্থাৰ ফুটবল সম্পাদক জয়প্ৰকাশ মৰাণ, মাকুমৰ যুৱ ব্যৱসায়ী তথা সমাজ সেৱক কল্যাণ চেতিয়া, প্ৰমুখ্যে মাকুম অঞ্চলৰ কেইবাগৰাকী গণ্য মান্য ব্যক্তিসকল।


**নাম শুধৰণি**

ইয়াৰ দ্বাৰা মই জিতেন্দ্ৰ ৰায়, পিতা- ˚ পূৰ্ণ চন্দ্ৰ ৰায়, গাঁও- বিজুলিবাৰী, ডাক ঘৰ- চন্দ্ৰপাৰা, থানা- কোকৰাঝাৰ, জিলা- কোকৰাঝাৰ (বিটিচি) অসম, পিন নং- ৭৮৩৩৭০, মোৰ দেউতাৰ শুদ্ধ নাম পূৰ্ণ চন্দ্ৰ ৰায় হয়। মোৰ সকলো নথিত দেউতাৰ নাম ˚ পূৰ্ণ চন্দ্ৰ ৰায় বুলি উল্লেখ আছে। কিন্তু মোৰ কোকৰাঝাৰ জিলাৰ কোকৰাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত চান্দামাৰী গাঁৱত থকা ভূমিৰ পট্টা নং- ৩৯, দাগ নং- ৮ৰ নথিত পূৰ্ণ কান্ত দাস বুলি ভুলঃবশত লিপিবদ্ধ হৈ থকা নামটো কোকৰাঝাৰ জিলাৰ কোকৰাঝাৰ আদালতৰ IN-AS05715288415967X নং নটাৰী যোগে শুধৰণি কৰি, দেউতাৰ শুদ্ধ নাম ˚ পূৰ্ণ চন্দ্ৰ ৰায় কৰিছোঁ। ওপৰত উল্লিখিত পূৰ্ণ চন্দ্ৰ ৰায. (Purna Chandra Ray) আৰু পূৰ্ণ কান্ত দাস (Purna Kanta Das) একেজনেই ব্যক্তি হয়।

*AB-172/2025*


### পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰীক সাক্ষাৎ পশুপ্ৰেমীৰ

# হঠাতে বৃহৎ সংখ্যক কুকুৰ একেলগে নাইকিয়া হোৱাৰ ঘটনা দেশৰ প্ৰথম

### পৃথকে পৃথকে কেইবাখনো এজাহাৰ দিয়াৰ পাছতো গা-নলৰিল লখিমপুৰ আৰক্ষীৰ

**অসম বাৰ্তা, লীলাবাৰী, ১৭ ডিচেম্বৰ ঃ** উত্তৰ লখিমপুৰ চহৰত উদ্বেগজনকভাৱে অসংখ্য কুকুৰ নিৰুদ্দেশ হোৱাৰ ঘটনাক লৈ উত্তৰ লখিমপুৰ সদৰ আৰক্ষী থানাত পৃথকে পৃথকে ৬খন এজাহাৰ দিয়াৰ পাছতো বিষয়টোৰ সন্দৰ্ভত গা নলৰিল লখিমপুৰ আৰক্ষীৰ। লখিমপুৰত 'প্ৰিভেনচন অফ ক্ৰুৱেলিটি টু এনিমেলচ এক্ট', ১৯৬০ৰ বিৰোধী কাৰ্যকলাপ হৈ থকাৰ পাছতো আৰক্ষীয়ে মৌন হৈ থকাত অসন্তুষ্ট হৈছে লখিমপুৰৰ পশুপ্ৰেমী। আৰক্ষী অধীক্ষকৰ নখদৰ্পণত বহুকেইটা বিশেষ শাখা থকাৰ পাছতো এজাহাৰকাৰীৰ ভাষ্য আজিলৈকে গ্ৰহণ নকৰাক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে লখিমপুৰৰ পশুপ্ৰেমী তথা অমাত জীৱৰ মন দৰদীসকলে। উল্লেখ্য যে, নৱেম্বৰ মাহৰ প্ৰথম সপ্তাহতে খেলমাটিৰ পৰা তিনিটা কুকুৰ নিৰুদ্দেশ হোৱা সন্দৰ্ভত কুকুৰৰ গৰাকীয়ে সদৰ থানাত এজাহাৰ দাখিল কৰিছিল। ১৯ নৱেম্বৰত লখিমপুৰৰ পশুপ্ৰেমী ডিম্পী পাৰেখ, দীপাংকৰ শইকীয়া, লোহিত দাস আৰু ঋতুপল ফুকনে লখিমপুৰৰ বিভিন্ন ঠাইৰ পৰা কুকুৰ নোহোৱা হোৱা সন্দৰ্ভত এজাহাৰ দাখিল কৰিছিল। ইয়াৰ পাছতে উত্তৰ লখিমপুৰ পৌৰসভাৰ কাৰ্যবাহী বিষয়াই ২১ নৱেম্বৰত বিষয়টোৰ সন্দৰ্ভত সদৰ থানাত এজাহাৰ দাখিল কৰিছিল। ধাৰাবাহিকভাৱে পৃথকে পৃথকে তিনিখন এজাহাৰ দাখিলৰ দহটা দিন উকলি যোৱাৰ পাছতো লখিমপুৰ আৰক্ষীয়ে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। ২ ডিচেম্বৰত আন এগৰাকী লখিমপুৰৰ পশুপ্ৰেমী তথা অমাত জীৱৰ মনদৰদী, সাংবাদিক প্ৰিয়মজ্যোতি ফুকনে উত্তৰ লখিমপুৰ নগৰৰ খেলমাটি, কলেজ চাৰিআলি, কোৰ্ট তিনিআলি, চি. ডি. ৰোড, টাউন বান্তৌ, চানমাৰি, কে. বি. ৰোড, ত্যাগ ক্ষেত্ৰ, এ. টিম ফিল্ড, বজাৰপট্টি, নকাড়ীকে আদি কৰি বিভিন্ন ঠাইৰ পৰা শতাধিক কুকুৰ নিৰুদ্দেশ হোৱা সন্দৰ্ভত সদৰ থানা এজাহাৰ দিছিল। সাংবাদিক ফুকনে ৪ ডিচেম্বৰত লখিমপুৰ জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকক সাক্ষাৎ কৰি স্মাৰক-পত্ৰ প্ৰদান কৰিছিল। লখিমপুৰ জিলাৰ পশুপালন ও পশু চিকিৎসা বিষয়া ডাঃ অক্ষয়ৱট কেশৰীয়ে বিষয়টোৰ সন্দৰ্ভত ৫ ডিচেম্বৰৰ দিনা জিলা আৰক্ষী অধীক্ষকক স্মাৰক-পত্ৰ প্ৰদান কৰিছিল, যদিও আৰক্ষী প্ৰশাসন মৌন হৈয়ে থাকিল। কালি ১৬ ডিচেম্বৰত পশুপ্ৰেমী, সাংবাদিক প্ৰিয়মজ্যোতি ফুকনে অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালক লখিমপুৰ জিলা আয়ুক্ত কাৰ্যালয় প্ৰেক্ষাগৃহত সাক্ষাৎ কৰি সংবেদনশীল বিষয়টোৰ সন্দৰ্ভত অৱগত কৰাৰ লগতে স্মাৰক-পত্ৰ প্ৰদান কৰে। মন্ত্ৰী গৰাকীয়ে আশ্চৰ্য প্ৰকাশ কৰি লখিমপুৰ জিলা আয়ুক্ত প্ৰণৱজিৎ কাকতিলৈ কুকুৰ নিৰুদ্দেশ হোৱা ঘটনাটো গুৰুত্ব সহকাৰে লৈ উচিত তদন্ত কৰাৰ নিৰ্দ্দেশনা দিয়ে। মন্ত্ৰী গৰাকীয়ে কুকুৰ নিৰুদ্দেশ হোৱা সন্দৰ্ভত বা-বাতৰি কৰাৰো নিৰ্দেশ দিয়ে। সামূহিকভাৱে উত্তৰ লখিমপুৰ নগৰৰ পৰা হঠাতে বৃহৎ সংখ্যক কুকুৰ একেলগে নাইকিয়া হোৱাৰ ঘটনা দেশখনত প্ৰথম তথা নজিৰবিহীন বুলি উল্লেখ কৰি পশুপ্ৰেমী ফুকনে বৃহৎ সংখ্যক কুকুৰ কেইটামান দিনৰ ভিতৰতে নিৰুদ্দেশ হোৱা ঘটনাত কু-অভিসন্ধি সোমাই থকাৰ লগতে গভীৰ ৰহস্য আছেবুলি সাংবাদিকক জানিবলৈ দিয়ে। তেখেতে কয়, তদন্তৰ নামত তদন্ত নালাগে। অমাত জীৱৰ ন্যায় লাগে। মুধাফুটা বিষয়াই নহওক কিয়, তদন্তৰ আওতালৈ আনিব লাগে। লখিমপুৰ জিলাৰ পশুপ্ৰেমীসকলে অনুমান কৰিব পাৰিছে যে, কোনো দুষ্কৃতিকাৰীয়ে অবৈধভাৱে কুকুৰ সৰবৰাহ কৰি অৰুণাচল, নাগালেণ্ডলৈ মাংসৰ বাবে হত্যা কৰি ভক্ষণৰ বাবে ৰপ্তানি কৰা হৈছে। কিয়নো, দেশৰ মাত্ৰ দুখন ৰাজ্য-নগালেণ্ড আৰু অৰুণাচলত কুকুৰ মাংস ভক্ষণ কৰে বুলি উল্লেখ কৰি মাত্ৰ ৫-১০ হাজাৰ টকাৰ বিনিময়ত কুকুৰ বিক্ৰী কৰাৰ সম্ভাৱনা ব্যক্ত কৰিছে। কোনে, কি উদ্দেশ্যত পথৰ কুকুৰবোৰ অবৈধভাৱে সৰবৰাহ, হত্যা কৰিছে সেই সন্দৰ্ভত দোষীক চিনাক্ত কৰাৰ লগতে ঘটনাটোৰ লগত জড়িত দুস্কৃতিকাৰীক শীঘ্ৰে গ্ৰেপ্তাৰ কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদান, উত্তৰ লখিমপুৰ নগৰত এনে ধৰণৰ অপৰাধমূলক ঘটনা, দুষ্কৰ্ম ৰোধ কৰিবলৈ নিশাৰ ভাগত শীঘ্ৰে আৰক্ষীৰ নিয়মীয়া তহলদাৰী ব্যৱস্থা, মানৱ সমাজৰ সৈতে সদায়েই সহ-অৱস্থান কৰা পথৰ কুকুৰবোৰ আৰু নিৰাশ্ৰয় জীৱ-জন্তুৰ জীয়াই থকাৰ অধিকাৰ নিশ্চিত কৰা, উত্তৰ লখিমপুৰ নগৰৰ ঠায়ে ঠায়ে চি. চি. কেমেৰাৰ ব্যৱস্থা কৰি নিয়মীয়াকৈ পৰ্য্যবেক্ষণ কৰা, ক্ষিপ্ৰতাৰে তদন্ত কৰি নিৰুদ্দেশ হোৱা কুকুৰবোৰক নিৰাপদে উদ্ধাৰ কৰিবলৈ লখিমপুৰৰ পশুপ্ৰেমী আৰু সচেতন ৰাইজে লখিমপুৰৰ আৰক্ষী অধীক্ষক গুণেন্দ্ৰ ডেকাক দাবী জনাইছে।


**নাম শুধৰণি**

ইয়াৰ দ্বাৰা মই বলেন সূত্ৰধৰ, পিতা- ˚ প্ৰানেশ্বৰ সূত্ৰধৰ, গাঁও- ধাউলীগুৰী, ডাকঘৰ- চন্দ্ৰপাৰা, থানা- দোতমা, জিলা- কোকৰাঝাৰ (বিটিচি) অসম, পিন নং- ৭৮৩৩৭০, মোৰ শুদ্ধ নাম বলেন সূত্ৰধৰ হয়। মোৰ সকলো নথিত বলেন সূত্ৰধৰ নামটো উল্লেখ আছে। কিন্তু মোৰ কোকৰাঝাৰ জিলাৰ দোতমা ৰাজহ চক্ৰৰ অন্তৰ্গত ধাউলীগুৰী গাঁৱত থকা ভূমিৰ পট্টা নং- ৬৭, দাগ নং- ২৩৯ৰ নথিত বাঙ্গাল সূতাৰ বুলি ভুলঃবশত লিপিবদ্ধ হৈ থকা নামটো কোকৰাঝাৰ জিলাৰ কোকৰাঝাৰ আদালতৰ IN-AS05132085107684X নং নটাৰী যোগে শুধৰণি কৰি, শুদ্ধ নাম বলেন সূত্ৰধৰ কৰিছোঁ। ওপৰত উল্লিখিত বলেন সূত্ৰধৰ (Balen Sutradhar) আৰু বাঙ্গাল সূতাৰ (Bangal Sutar) একেজনেই ব্যক্তি হয়।

*AB-171/2025*


# প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণ উপলক্ষে বৰক্ষেত্ৰীত বিজেপিৰ প্ৰস্তুতি সভা

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১৮ ডিচেম্বৰ ঃ** আগন্তুক ২০২৬ চনৰ বিধানসভাৰ নিৰ্বাচনক লৈ তৎপৰ হৈ পৰিছে বৰক্ষেত্ৰীৰ বিজেপি দলৰ বিষয়ববীয়া তথা কৰ্মীসকল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ সমাগত অসম ভ্ৰমণ উপলক্ষে হ'বলগীয়া বিশাল জনসভাৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰাৰ উদ্দেশ্যে আয়োজিত হয় উক্ত সভাখন। বৰক্ষেত্ৰী-ধৰ্মপুৰ মণ্ডলৰ উদ্যোগত শ্যামৰায় শাখা সত্ৰত অনুষ্ঠিত হয় গুৰুত্বপূৰ্ণ দলীয় সভাখন। ৩৮ নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত মুকালমুৱাৰ বৰুৱাপুতাত অনুষ্ঠিত মণ্ডল পৰ্যায়ৰ সভাখনত বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডলৰ সভাপতি মহেশ বৰ্মন উপস্থিত থাকে। মহেশ বৰ্মণৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত সমষ্টিটোৰ নিৰ্বাচনী প্ৰভাৰী দিলজিৎ বৰ্মণৰ লগতে মণ্ডল পৰ্যায়ৰ বিষয়ববীয়া, শক্তিকেন্দ্ৰৰ আহ্বায়কসকলৰ লগতে বুথ সভাপতিসকলো উপস্থিত থাকে।

দৈনিক অসমৰ সাংবাদিক প্ৰাঞ্জল খাউণ্ড আৰু মাজুলীৰ জ্যেষ্ঠ সাংবাদিক তীৰ্থ ভূঞা বৰগায়নকো বিশেষ সম্বৰ্ধনা

# সত্ৰীয়া সংস্কৃতিৰ কলা কেন্দ্ৰ 'নাটমল্লাৰ'ৰ প্ৰথম বৰ্ষপূৰ্তিত পাঁচজন সাংস্কৃতিক কৰ্মীক নাটমল্লাৰ -২০২৫ বঁটা



**অসম বাৰ্তা, উজনী মাজুলী, ১৭ ডিচেম্বৰ ঃ** ১৯০৭ চনতে মাজুলীৰ কঠমীয়া গাঁৱত প্ৰতিষ্ঠা হোৱা শ্ৰীশ্ৰী এলেঙী বাঁহজেঙনি সত্ৰৰ মানসপুত্ৰ সত্ৰীয়া সংস্কৃতি কলা কেন্দ্ৰ 'নাটমল্লাৰ'ৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে ১৫ ডিচেম্বৰত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। এই উপলক্ষে পুৱা ৯ বজাত সত্ৰধ্বজা উত্তোলন কৰে এলেঙী বাঁহজেঙনি সত্ৰৰ সত্ৰাধিকাৰ কমল চন্দ্ৰ মহন্তই আৰু 'নাটমল্লাৰ' পতাকা উত্তোলন কৰে অনুষ্ঠানটোৰ সভাপতি প্ৰবীণ চন্দ্ৰ মহন্তই। পুৱা ১০ বজাত শ্ৰীশ্ৰী এলেঙী নৰসিংহ সত্ৰৰ ডেকা সত্ৰীয়া নৱজ্যোতি মহন্ত, শ্ৰীশ্ৰী দিখৌমুখীয়া বৰএলেঙী সত্ৰৰ সত্ৰীয়া দিলীপ মহন্ত আৰু বৈষ্ণৱবৃন্দই নাম-প্ৰসংগৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছতেই অসম চৰকাৰৰ 'অসম দৰ্শন' আঁচনিৰ অধীনত নিৰ্মাণ কৰি উলিওৱা মূল তোৰণৰ শুভ উন্মোচন কৰি শ্ৰীশ্ৰী বাসুদেৱ থান নৰোৱা সত্ৰৰ ডেকা সত্ৰীয়া দেৱেন্দ্ৰ দেৱ গোস্বামীয়ে সত্ৰ খনৰ ঐতিহাসিক দিশৰ ওপৰত ভাষণ প্ৰদান কৰে। মূল তোৰণৰ উন্মোচনী অনুষ্ঠানৰ আঁট ধৰে 'নাটমল্লাৰ'ৰ সাংগঠনিক সম্পাদক ৰঞ্জন মহন্তই। এলেঙী নৰসিংহ সত্ৰৰ ৰূপাঞ্জলি মহন্ত গোস্বামী, সম্পাদক যোগেন হাজৰিকাৰ নেতৃত্বত বিষ্ণুজ্যোতি সংগীত একাডেমী আৰু 'নাটমল্লাৰ'ৰ শিল্পীসকলে মাধৱদেৱ বিৰচিত 'নাটমল্লাৰ' ৰাগৰ এটি বৰগীত পৰিৱেশনেৰে দিনৰ ১২ বজাৰ পৰা অনুষ্ঠিত হোৱা মুকলি সভাৰ সভাপতিত্ব কৰে 'নাটমল্লাৰ'ৰ অধ্যক্ষ প্ৰবীণ চন্দ্ৰ মহন্তই। 'নাটমল্লাৰ' আৰু বিষ্ণুজ্যোতি সংগীত বিদ্যালয়ৰ শিল্পীবৃন্দৰ বৰগীতেৰে শুভাৰম্ভ হোৱা সভাত আদৰণি ভাষণ প্ৰদান কৰি 'নাটমল্লা'ৰ ৰ প্ৰধান সচিব দুলাল চন্দ্ৰ মহন্তই সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ প্ৰসাৰৰ বিভিন্ন দিশত বিভিন্ন সময়ত সহায়-সহযোগিতা কৰা সকলোকে আদৰণি জনায়। সত্ৰীয়া সংস্কৃতিৰ নেতৃত্ব প্ৰসাৰৰ বহন কৰি অহা অসমৰ সত্ৰসমূহৰ সত্ৰাধিকাৰসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা জনাই বৰ্তমান সত্ৰীয়া সংস্কৃতিৰ প্ৰতি আহিপৰা সংকটৰ কথা তেখেতৰ ভাষণত প্ৰকাশ পায়। বিশেষকৈ মাজুলীৰ মিচিংসকলৰ মাজত সত্ৰীয়া সংস্কৃতিৰ আগ্ৰহবৃদ্ধি কৰাৰ দিশত নাটমল্লাৰে সদয়োচিত পদক্ষেপ লোৱাত সকলোৰে সহায় বিচাৰে। নাটমল্লাৰৰ ভৱিষ্যত কাৰ্যপন্থাৰ ওপৰতো আলোকপাত কৰে। মুকলি সভাৰ উদ্বোধনী ভাষণ প্ৰদান কৰি টুনীনদী পুনৰ উজীৱিত দাবী সমিতিৰ সভাপতি, মাজুলী মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° ৰাজেন চন্দ্ৰ বৰাই মাজুলীৰ সত্ৰীয়া সংস্কৃতিৰ বিশালতা, স্বকীয়তা আৰু মাজুলীৰ ভূ-প্ৰকৃতিৰ লগত এইবোৰৰ সম্পৰ্ক ৰাখি নাটমল্লাৰে ভৱিষ্যৰ কৰ্মপন্থা গ্ৰহণ কৰিব বুলি আশাপ্ৰকাশ কৰে। দুপৰীয়া ১২ঃ৩০ বজাৰ পৰা 'মাজুলীলৈ যাতায়ত ব্যৱস্থাৰ ক্ৰমাগত উন্নয়ন আৰু মাজুলীৰ সত্ৰীয়া সংস্কৃতিৰ ওপৰত ইয়াৰ প্ৰভাৱ' শীৰ্ষক আলোচনা চক্ৰত মুখ্য আলোচক সংগীত নাটক একাডেমী বঁটা প্ৰাপক কৰুণা বৰাই মাজুলীৰ সাম্প্ৰতিক উন্নয়নৰ যোগাত্মক দিশসমূহক স্বীকাৰ কৰিও ইয়াৰ ফলত মাজুলীত অপসংস্কৃতিৰ আগ্ৰাসন হোৱাৰ আশংকা ব্যক্তকৰে। সেয়, এই ক্ষেত্ৰত নাটমল্লাৰে এনে এটি গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা চক্ৰ অনুষ্ঠিত কৰি মাজুলীত এটি সংস্কৃতিক জাগৰণৰ সৃষ্টি কৰা বুলি অনুষ্ঠানটোৰ পাতনি মেলে। নাটমল্লাৰহৈ মনমী মহন্ত গোস্বামী, প্ৰণৱ শইকীয়া, ড° প্ৰাঞ্জল মহন্ত, ৰঞ্জু মহন্ত, মঞ্জু মহন্ত আৰু বুপ শইকীয়া, চুম্পি শইকীয়া আৰু বোপাৰাম বৰাই আদৰণি অনুষ্ঠানত সহযোগিতা কৰে। এই আলোচনা চক্ৰৰ সঞ্চালনা কৰে নাটমল্লাৰৰ কাৰ্যকৰী অধ্যক্ষ দুৰ্গেশ্বৰ শইকীয়াই। আলোচক হিচাপে লক্ষ্মীমপুৰ জিলা সত্ৰ মহাসভাৰ সম্পাদক জগত মহন্ত, অৱসৰ প্ৰাপ্ত অধ্যক্ষ দেৱেন্দ্ৰ দেৱ গোস্বামী, বিহপুৰীয়াৰ চৰাইবাহী সত্ৰৰ সত্ৰাধিকাৰ প্ৰদীপ গোস্বামী, বিশিষ্ট শিক্ষাবিদ সুবেট চন্দ্ৰ ঘোষ, সাংস্কৃতিক কৰ্মী শিক্ষক প্ৰশান্ত শইকীয়া, আৰু মাজুলীৰ এগৰাকী সমাজসেৱক আৰু ক্ৰীড়া সংগঠক আৰ। যুৱনেতা বিতোপন দলেই মাজুলীলৈ সাংস্কৃতিক সুৰক্ষাৰ দিশত সকলোকে সতৰ্ক আৰু সচেতন হ'বলৈ আহ্বান জনায়। 'নাটমল্লাৰ'ৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে মাজুলীৰ ৫ গৰাকী সত্ৰীয়া সংস্কৃতিৰ একনিষ্ঠ সাধক তথা শিল্পীক সম্পূৰ্ণ সত্ৰীয়া পৰম্পৰা আৰু মাংগলিক বাদ্যৰ ধ্বনিৰে এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশৰ মাজত 'নাটমল্লাৰ বঁটা-২০২৫' প্ৰদান কৰা হয়। মাজুলীৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত নীৰৱচ্ছিন্নভাৱে সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ, প্ৰসাৰ আৰু পদ্ধতিগত চৰ্চা কৰি থকা তুলনামূলকভাৱে স্বল্পখ্যাত আৰু সত্ৰীয়া সংস্কৃতিৰ লগত একনিষ্ঠভাৱে জড়িত ব্যক্তিসকলৰ জীৱনজোৰা সাধনাৰ চিনস্বৰূপে প্ৰদান কৰা হয় এই 'নাটমল্লাৰ বটাঁ ২০২৫'। এই বঁটা প্ৰদান অনুষ্ঠানৰ আঁতধৰে চামগুৰি সত্ৰৰ ডেকাসত্ৰীয়া আৰু অসম সত্ৰ মহা সভাৰ কেন্দ্ৰীয় সমিতিৰ এগৰাকী কৰ্মকৰ্তা প্ৰভাত গোস্বামী আৰু অসম সাহিত্য সভাৰ আকাশ উপ-সমিতিৰ কেন্দ্ৰীয় সদস্য কৃষ্ণা মেধিয়ে। প্ৰথম বাৰৰ বাবে প্ৰদান কৰা এই বটাঁ ক্ৰমে বুঢ়াশেনচোৱা এলেঙী আটিৰ মৃদংগীয়া বায়ন চন্দ্ৰকান্ত দাসলৈ মাজুলীত এই সত্ৰৰ প্ৰতিষ্ঠাপক সত্ৰাধিকাৰ নকুল মহন্ত স্মাৰক বঁটা, মহিলাসমাজত সত্ৰীয়া সংস্কৃতিৰ পদ্ধতিগত চৰ্চাত ব্ৰতী, সুলেখিকা বালিচাপৰি গোৱালগাঁৱৰ গায়ত্ৰী বৰালৈ হাজৰিকালৈ আই তিলকান্তি মহন্ত স্মাৰক বঁটা, দেউৰী সকলৰ মাজত সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰক দীপক দেউৰীলৈ এই সত্ৰৰ ২য় সত্ৰাধিকাৰ প্ৰয়াত তনুশ্যাম মহন্ত স্মাৰক বঁটা, নামলগোৱাৰ দৰে দায়িত্বশীল সত্ৰীয়া দায়িত্বৰে সমাজক আগুৱাই নিয়া তেলীয়াবাৰী গাঁৱৰ পোনা ৰাজখোৱা বায়নলৈ এই সত্ৰৰ অন্যতম কাণ্ডাৰী নামলগোৱা দিনবৰ শইকীয়া স্মাৰক বঁটা, মিচিংসকলৰ মাজত তেওঁলোকৰ মাতৃভাষাত সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ কৰা সঞ্জীৱ পেগুলৈ বিশিষ্ট শিক্ষক, সমাজ-সংগঠক, ডেকা সত্ৰাধিকাৰ প্ৰয়াত মোহন চন্দ্ৰ মহন্ত স্মাৰক বঁটা প্ৰদান কৰা হয়। এই ইয়াৰ উপৰিও সত্ৰীয়া-সংস্কিতিৰ পদ্ধতিগত চৰ্চাক আগুৱাই নিয়াৰ বাবে সংবাদমাধ্যমৰ যোগেদি দায়বদ্ধভাৱে কাম কৰি অহা মাজুলীৰ দৈনিক অসম কাকতৰ সাংবাদিক প্ৰাঞ্জল খাউণ্ড আৰু মাজুলীৰ জ্যেষ্ঠ সাংবাদিক তীৰ্থ ভূঞা বৰগায়নক দায়বদ্ধতা সাংবাদিকতাৰ বাবে বিশেষ সম্বৰ্ধনা জনাই। মুকলি সভাত বিশিষ্ট গায়ক বিষ্ণু দাসৰ সংগীতানুষ্ঠান সন্ধিয়া সমবেত আইসকলৰ সমূহীয়া প্ৰাৰ্থনাৰ পাছত সন্ধ্যা সত্ৰৰ নামঘৰত বালক-বালিকাসকলৰ বাবে 'খেলে বালক সংগে' শীৰ্ষক সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ হয়। এই কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে বিশিষ্ট ভাস্কৰ্য আৰু কাৰুশিল্পী প্ৰাচীন চামগুৰি সত্ৰৰ ভৰত মহন্তই। এই অনুষ্ঠানত মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ ছাত্ৰ অম্লানজ্যোতি মহন্ত, বিষ্ণুজ্যোতি সংগীত একাডেমীৰ সম্পাদক যোগেন হাজৰিকা, লাটমল্লাৰৰ এগৰাকী সাংস্কৃতিক সচিব প্ৰণৱ (হেম) শইকীয়াৰ সংগীতানুষ্ঠানৰ লগত সংগতি ৰাখি বালক - বালিকাসকলে নৃত্য, গীত আৰু অভিনয় কৰে। নাটমল্লাৰৰ প্ৰশিক্ষাৰ্থীসকলৰ গায়ন-বায়ন, সত্ৰৰ কণমানি শিল্পী অনুৰাগ কাশ্যপে এটি বৰগীত পৰিৱেশন কৰি সকলোকে মুগ্ধ কৰে। শেষত ঘোষা প্ৰাৰ্থনাৰে অনুষ্ঠানৰ সামৰণি হয়।

# কৰ্মৰত শিশু শ্ৰমিকক বিদ্যালয়ত নামভৰ্তি কৰোৱাৰ নিৰ্দেশ ইটা ভাটাৰ গৰাকীক

# কুমচাইৰ চি.আৰ.এছ. ইটা ভাটাত মাৰ্ঘেৰিটা সম জিলাৰ শ্ৰম আয়ুক্তৰ অভিযান

**অসম বাৰ্তা বিশেষ, জাগুন, ১৭ ডিচেম্বৰ ঃ** আজিৰ শিশু কাইলৈ দেশৰ ভৱিষ্যত, তৎস্বত্বেও শিশুৰ ভৱিষ্যতক লৈ একাংশ বনিক গোষ্ঠীয়ে বাৰম্বাৰ হেতালি খেলা পৰিলক্ষিত হৈছে। শিশু সকলৰ শিক্ষাৰ মৌলিক অধিকাৰকো আওঁষ্ঠ প্ৰদৰ্শন কৰি একাংশ ইটা ভাটাৰ স্বত্বাধিকাৰীয়ে নিজৰ মুনাফা আদায় কৰাৰ স্বাৰ্থত শিশু শ্ৰমিক হিচাপে কামত নিয়োগ কৰি আহিছে। এই ক্ষেত্ৰত ভাৰতীয় কামগাৰ শ্ৰমিক সংঘই দেশৰ বিভিন্ন ঠাইত শিশু শ্ৰমিকৰ কল্যাণৰ হকে অভিযান চলাই শিশুৰ শিক্ষাৰ মৌলিক অধিকাৰ সাব্যস্ত কৰাত গুৰুত্ব আৰোপ কৰি আহিছে। "ভাৰতীয় কামগাৰ শ্ৰমিক সংঘ" হৈছে সৰ্বভাৰতীয় পৰ্য্যায়ৰ যিকোনো স্তৰৰ শ্ৰমিকৰ কল্যাণৰ বাবে সহায় আগবঢ়োৱা এক সংস্থা। তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা সমজিলাৰ অন্তৰ্গত লেখাপানী কুমচাইস্থিত কেইবাটাও ইটা ভাটাৰ শ্ৰমিক সকলৰ কল্যাণ আৰু ন্যাৰ্য্য প্ৰাপ্তিৰ বাবে এক অভিযান চলোৱা হৈছিল। অভিযানৰ সময়চোৱাত শ্ৰমিক সকলৰ সৰ্বতোপ্ৰকাৰৰ সা-সুবিধা ক্ৰমে শিশু শ্ৰমিক, শিক্ষা, স্বাস্থ্য সেৱা, জীৱন বীমা, মজুৰি, বিশুদ্ধ খোৱা পানী, বিজ্ঞান সন্মত শৌচালয়, সম্ভাব্য দুৰ্ঘটনাৰ সুৰক্ষা ব্যৱস্থা ইত্যাদি কেতবোৰ এক প্ৰাথমিক সমীক্ষা চলাইছিল। তেনেস্থলত কুমচাই স্থিত চি, আৰ, এছ ইটা ভাটাত কৰ্মৰত অৱস্থাত বিশেষকৈ শিশু শ্ৰমিক নিয়োগ আৰু শিশুৰ শিক্ষাৰ ওপৰত স্বত্বাধিকাৰীয়ে কোনো ধৰণৰ গুৰুত্ব আৰোপ নকৰা পৰিলক্ষিত হৈছিল। এই ক্ষেত্ৰত "ভাৰতীয় কামগাৰ শ্ৰমিক সংঘ"ই কেতবোৰ বিসংগতিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবলৈ ভাটাৰ গৰাকিলৈ এক জাননী প্ৰেৰণ কৰিছিল। দুৰ্ভাগ্য জনক যে ভাটাৰ গৰাকীয়ে এই জাননীক কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰাত কামগাৰ সংঘই সংশ্লিষ্ট শ্ৰম বিভাগক সমগ্ৰ বিষয়টো অৱগত কৰাৰ লগে লগেই বুধবাৰে মাৰ্ঘেৰিটা সমজিলাৰ শ্ৰম বিভাগৰ আয়ুক্তই চি আৰ এছ ইটা ভাটাত হঠাৎ উপস্থিত হয় আৰক্ষী প্ৰশাসনৰ সহযোগত ইটা ভাটাটোত তন্ন তন্নকৈ তদন্ত কৰি শ্ৰমিকৰ বাবে তাৎক্ষণিক ভাৱে কেতবোৰ সুবিধা প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়ে আৰু শিক্ষাৰ পৰা বঞ্চিত হৈ থকা সকলো শিশুক বিদ্যালয়ত নামভৰ্তি কৰিবলৈ ইটা ভাটাৰ স্বত্বাধিকাৰীক নিৰ্দেশনা জাৰি কৰে। শ্ৰম বিভাগৰ তদন্তৰ অন্তত "ভাৰতীয় কামগাৰ শ্ৰমিক সংঘ"ৰ ৰাজ্যিক সমিতিৰ লগতে জিলা সমিতিক তদন্তৰ সন্দৰ্ভত শ্ৰমিকৰ বিৰুদ্ধে পোৱা কেতবোৰ বিসংগতিৰ বিষয়ে শ্ৰম বিভাগৰ বিষয়াই ১৫ দিনৰ ভিতৰত লিখিত ভাবে তথ্য দিবলৈ ইটা ভাটাৰ স্বত্বাধিকাৰীক নিৰ্দেশ জাৰি কৰাৰ কথা অৱগত কৰে।

## মঙলদৈ প্ৰেছ ক্লাৱত জিএন আৰচি হাস্পতালৰ দুৰ্ঘটনা সজাগতা আৰু প্ৰতিৰোধ কাৰ্যসূচী সম্পন্ন



**অসম বাৰ্তা, পাথৰিঘাট, ১৮ ডিচেম্বৰ ঃ** উত্তৰ পূৰ্বাঞ্চলৰ আগশাৰীৰ চিকিৎসা প্ৰতিষ্ঠান জি এনআৰচি হাস্পতালৰ উদ্যোগত দুৰ্ঘটনা সজাগতা আৰু প্ৰতিৰোধ সম্পৰ্কীয় এক কাৰ্যসূচী আজি দৰং জিলাৰ মঙলদৈত ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে মঙলদৈ প্ৰেছ ক্লাৱত এক সংবাদ মেল আয়োজন কৰি দুৰ্ঘটনা সজাগতা আৰু প্ৰতিৰোধৰ বাবে ল'ব লগা ব্যৱস্থা সমূহ বিশদভাৱে দাঙি ধৰে জি এন আৰ চিৰ জ্যেষ্ঠ চিকিৎসক সকলে। দুৰ্ঘটনাৰ কাৰণ, নিৰাময়ৰ বিভিন্ন উপায়, দুৰ্ঘটনাগ্ৰস্ত ৰোগীৰ জীৱন ৰক্ষাৰ বাবে ল'ব লগীয়া ব্যৱস্থাৰো দিহা দিয়ে চিকিৎসক সকলে। হাস্পতালখনৰ স্নায়ু শৈল্য বিশেষজ্ঞ ডাঃ ইনামুল হক, মূত্ৰৰোগ বিশেষজ্ঞ ডাঃ সৌৰভ কুমাৰ দাস আৰু এম্বুলেন্স সেৱাৰ মুৰব্বী ৰছিদুল ইছলামে সংবাদ মেলত দুৰ্ঘটনাৰ বিভিন্ন দিশ উল্লেখ কৰি ইয়াৰ পৰা বাচি থকাৰ উপায় সমূহো উল্লেখ কৰে। ভাৰতবৰ্ষত প্ৰতি বছৰে এক বুজন সংখ্যক লোক বিভিন্ন দুৰ্ঘটনাত মৃত্যু মুখত পৰে বা শাৰীৰিক অক্ষমতাত ভোগে। কেৱল পথ দুৰ্ঘটনাত ১.৯ মিনিটত এজন লোকৰ মৃত্যু হয়। ২০১০ চনৰ পৰা ২০২১ চনৰ ভিতৰত ভাৰতত পথ দুৰ্ঘটনাৰ ফলত হোৱা মৃত্যুৰ হাৰ ১৮ শতাংশ বৃদ্ধি পাইছে। সংবাদমেলত পথ দুৰ্ঘটনাৰ ফলত হোৱা মূৰ আৰু মেৰুদণ্ডৰ আঘাত আমাৰ সমাজৰ আটাইতকৈ নীৰৱ হত্যাকাৰী বুলি ডাঃ ইনামুল হকে কয়। এই অনুষ্ঠানতে মঃ ৰচিদুল ইছলামে চি.পি.আৰ প্ৰদৰ্শন কৰে আৰু কেনেদৰে সময়োপযোগী ব্যৱস্থাই জীৱন আৰু মৃত্যুৰ মাজত পাৰ্থক্য আনিব পাৰে সেই বিষয়ে বৰ্ণনা কৰে। জি এন আৰ চিৰ জেষ্ঠ্য পৰিচালক (বাণিজ্য শাখা) মৃনাল আলি হাজৰিকা, দৰং জিলা পৰিচালক নিৰেন ডেকা উপস্থিত থাকে।

## টাই আহোম যুৱ পৰিষদ, অসম (টাইপা) আৰু টাই আহোম মহিলা পৰিষদ, অসম গোলাঘাট জিলাৰ অধিৱেশন

# বিশিষ্ট অভিনেত্ৰী গীতাৱলী ৰাজকুমাৰীক আইদেউ সন্দিকৈ বঁটা প্ৰদান



**অসম বাৰ্তা, গোলাঘাট, ১৮ ডিচেম্বৰ ঃ** টাই আহোম যুৱ পৰিষদ, অসম (টাইপা) আৰু টাই আহোম মহিলা পৰিষদৰ উদ্যোগত আয়োজন কৰা গোলাঘাট জিলা অধিৱেশন আৰু আইদেউ সন্দিকৈ বঁটা প্ৰদান-২০২৫ অনুষ্ঠানৰ দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। গোলাঘাটৰ এমেচাৰ থিয়েটাৰ চচাইটি প্ৰেক্ষাগৃহত অনুষ্ঠিত টাইপাৰ অধিৱেশন আৰু বঁটা প্ৰদান কাৰ্যসূচীত বিশিষ্ট অভিনেত্ৰী গীতাৱলী ৰাজকুমাৰীক আইদেউ সন্দিকৈ বঁটা প্ৰদান কৰে টাই আহোম যুৱ পৰিষদ আৰু টাই আহোম মহিলা পৰিষদ গোলাঘাট জিলা সমিতিয়ে। এই বটাঁত অভিনেত্ৰীগৰাকীক এযোৰ জাতীয় সাজপাৰ, স্মাৰক, এখন সফুৰা, সম্বৰ্ধনা পত্ৰ, নগদ দহ হাজাৰ টকা আগবঢ়োৱা হয়। বঁটা লাভ কৰি অভিনেত্ৰীগৰাকীয়ে উদ্যোক্তাক ধন্যবাদ জনোৱাৰ লগতে জীৱনৰ প্ৰথমখন ছবি কৃষ্ণচূড়াত অভিনয় কৰাৰ কথা উল্লেখ কৰি একপ্ৰকাৰ নষ্টালজিয়া হৈ পৰে। বিশিষ্ট সমাজকৰ্মী পূৰ্ণ ৰাজখোৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত উদ্বোধক হিচাপে বিশিষ্ট বুৰঞ্জীবিদ ড° লাচিত বৰুৱা, নিৰ্দিষ্ট বক্তা হিচাপে প্ৰকৃতিপ্ৰেমী ড° হেমজিৎ দেওধাই ফুকন, টাই পাৰ সভাপতি দিগন্ত তামোলীৰ লগতে বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে। ভাৰত গগৈ ডাঙৰীয়াৰ সভাপতিত্বত গোলাঘাট এমেচাৰ থিয়েটাৰৰ ছছাইটি প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা গোলাঘাট জিলাৰ অধিৱেশনৰ প্ৰতিনিধি সভাখন অনুষ্ঠিত হয়। প্ৰতিনিধি সভাৰ খনৰ মুখ্য পৰ্য্যবেক্ষক হিচাপে উপস্থিত থাকে টাইপা কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদক শোভন কোঁৱৰে সহযোগী হিচাপে ড° লাচিত বৰুৱা, ৰোহিত গগৈ, ড° তৰালী গগৈ, দীপশিক্ষা বুঢ়াগোহাঁই উপস্থিতিত প্ৰতিনিধি সকলৰ সৰ্বসন্মতিক্ৰমে ভাৰত গগৈক সভাপতি, মনোজ গগৈক কাৰ্যকৰী সভাপতি, কুমুদ ফুকন, বিমান বৰুৱা, মদন গগৈ, অনিল ফুকনক উপ-সভাপতি, মুকুন্দ গগৈক সম্পাদক, ৰিতু গগৈ, নাৰায়ণ ফুকন, লুহিত গগৈ, পুলক গগৈক সহকাৰী সম্পাদক, হৰিপ্ৰসাদ সন্দিকৈ, কুল কোঁৱৰ, সোমেশ্বৰ গগৈ, ভদ্ৰেশ্বৰ ফুকন, পাপু গগৈ, তিলক গগৈ, লক্ষ্মী গগৈ, টিকেন্দ্ৰজিৎ গগৈ সাংগঠনিক সম্পাদক, আদিত্য বুঢ়াগোহাঁই, চিন্ময় দুৱৰা, ৰাতুল গগৈ, উজ্জ্বল গগৈ, বিতু গগৈ, খুনচছং ফুকনক প্ৰচাৰ সম্পাদক, হেমন্ত ফুকনক সাংস্কৃতিক সম্পাদক, উদীপ্ত গগৈ, প্ৰাঞ্জল গগৈ, ফণিধৰ গগৈক কাৰ্যালয় সম্পাদক, ভৈৰৱ গগৈ, জয়দীপ দুৱৰা, জুন দুৱৰা, সুনীল সন্দিকৈ, পৰমানন্দ গগৈ, ৰিতুৰাজ চেতীয়াক সক্ৰিয় সদস্য আৰু লগতে টাই আহোম যুৱ পৰিষদ, অসম (টাইপা) ৰ ভগ্নী সংগঠন টাই আহোম মহিলা পৰিষদ, অসম, গোলাঘাট সমিতিখন ৰেখামণি বঢ়াগোহাঁইক সভানেত্ৰী, মনালী বৰুৱা গোহাঁইক কাৰ্যকৰী সভানেত্ৰী, অৰ্পণা দুৱৰা, দীপা ফুকন, ৰেখা শ্ৰী সন্দিকৈ, বিন্তী দুৱৰাক উপ-সভানেত্ৰী, শ্ৰাৱন্তী কোঁৱৰক সম্পাদিকা, ৰাণু সন্দিকৈ, ৰীতা গগৈ, পিংকী সন্দিকৈ, মনিমা দুৱৰাক সহকাৰী সম্পাদিকা সংগীতা হাতীবৰুৱা, পল্লৱী গগৈ ফুকন, অনামিকা হাতীবৰুৱা, শেৱালি গগৈক প্ৰচাৰ সম্পাদিকা, মামন দুৱৰা, অঞ্জনা চাংমাই, ৰূপজ্যোতি গগৈ, জোন গগৈক সাংগঠনিক সাংগঠনিক সম্পাদিকা, মাননাং বন্দীতা ফুকনক সাংস্কৃতিক আৰু সাহিত্য বিভাগৰ সম্পাদিকা, মমী গগৈ, ৰীতা গগৈ, ৰূপা গগৈ, লুকুমণি বৰগোহাঁই, জিম্পী বৰুৱা, ৰুমী গোহাঁই গগৈ, কবিতা ফুকনক সক্ৰিয় সদস্যা হিচাপে লৈ এখন সৱল মহিলা সমিতি গঠন কৰা হয়।

# উদাসীন বৈষ্ণৱক মাধৱদেৱ ফাউণ্ডেশ্যনৰ শীতৰ উষ্ণ বস্ত্ৰ বিতৰণ

**অসম বাৰ্তা, যোৰহাট, ১৮ ডিচেম্বৰ ঃ** 'মানৱ সেৱাই ঈশ্বৰ সেৱা'-এই বাণীৰে ২০১৩ চনত প্ৰতিষ্ঠা হোৱা যোৰহাটৰ মহাপুৰুষ মাধৱদেৱ ফাউণ্ডেশ্যনে বিগত বছৰসমূহত বৃদ্ধ, আৰ্ত মহিলা, প্ৰতিবন্ধীসকলৰ মাজত 'শীতৰ সঁকাহ' আঁচনি ৰূপায়ণ কৰাৰ দৰে এই বছৰো ১৫ ডিচেম্বৰত তিতাবৰৰ মহিমাবাৰী সত্ৰত বস্ত্ৰ বিতৰণ কৰে। কীৰ্তন ঘৰত পুৱা-প্ৰসংগ শেষ হোৱাৰ পাছত সত্ৰাধিকাৰৰ বহাত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উদ্দেশ্য ব্যাখ্যা কৰে অসম সাহিত্য সভাৰ প্ৰধান সচিব অশোক কুমাৰ সেনাপতিয়ে। মাধৱদেৱ ফাউণ্ডেশ্যনৰ অবৈতনিক সম্পাদক ৰাতুল বৰুৱাই কমলাবাৰী থান, ভোগপুৰ সত্ৰ আৰু জাঁজী জৰাবাৰী সত্ৰৰ শতাধিক উদাসীন ভকত, বিধবা আই আৰু দিব্যাংগ মহিলাক শীতৰ বস্ত্ৰ প্ৰদানৰ কাৰ্যসূচী গ্ৰহণ কৰা বুলি অনুষ্ঠানত অৱগত কৰে। মাধৱদেৱ ফাউণ্ডেশ্যনৰ উদ্যোগত থানত থলুৱা ফলমূলৰ এখন বাগিচা গঢ় দিয়াৰ পৰিকল্পনাৰ বিষয়ে অনুষ্ঠানত সদৰি কৰে। অসম সাহিত্য সভাৰ কোষাধ্যক্ষ মণিৰাম লাহনে নৱ প্ৰজন্মই থলুৱা ফল-মূল চিনি নোপোৱা বুলি আক্ষেপ প্ৰকাশ কৰে আৰু প্ৰস্তাৱিত ফলৰ বাগিচাখনে এই ক্ষেত্ৰত সহায় কৰিব বুলি আশা প্ৰকাশ কৰে। কমলাবাৰী থান(সত্ৰ)ৰ সত্ৰাধিকাৰ ভৱকান্ত দেৱগোস্বামীয়ে বস্ত্ৰ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে আৰু মাধৱদেৱ ফাউণ্ডেশ্যনৰ মানৱসেৱাৰ এই কাৰ্যসূচী প্ৰশংসনীয় বুলি ব্যক্ত কৰে। স্মৰ্তব্য, মহাপুৰুষ মাধৱদেৱৰ বদলি চাৰিশাস্ত্ৰ দি উজনি অসমত ধৰ্ম প্ৰচাৰৰ দায়িত্ব দিয়া বদলা আতাই মাজুলীৰ কমলাবাৰীত কমলা মুদৈয়ে দিয়া ভূমিত থান প্ৰতিষ্ঠা কৰি নীৰৱে মহাপুৰুষীয়া সংস্কৃতি চৰ্চা কৰিছিল। কিন্তু ১৯৭৫ চনত ব্ৰহ্মপুত্ৰৰ খহনীয়াত থানখনৰ অৱস্থা নাজল-নাথল হোৱাত তদানীন্তন মুখ্যমন্ত্ৰী শৰৎচন্দ্ৰ সিংহই তিতাবৰৰ মহিমাবাৰীত নতুনকৈ থাপি গুৰু দুজনাৰ আদৰ্শৰ প্ৰচাৰ-প্ৰসাৰত সহায়ৰ হাত আগবঢ়াইছিল।

# ডিব্ৰুগড় কানৈ বাণিজ্য মহাবিদ্যালয়ত ই-স্পৰ্টছ প্ৰতিযোগিতাৰ আয়োজন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৮ ডিচেম্বৰ ঃ** ডিব্ৰুগড়ৰ উচ্চ শিক্ষানুষ্ঠান কানৈ বাণিজ্য মহাবিদ্যালয়ত ই-চেল আৰু ছাত্ৰ একতা সভাৰ যৌথ উদ্যোগত পোন প্ৰথম বাৰৰ বাবে অহা ২০ ডিচেম্বৰ, ২০২৫ তাৰিখে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এক ই-স্পৰ্টছ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতাখন ফিনলেব ট্ৰেডিং একাডেমীৰ পৃষ্ঠপোষকতাত অনুষ্ঠিত হ'ব। ই-স্পৰ্টছ প্ৰতিযোগিতাত বি. জি.এম. আই, ফ্ৰী ফায়াৰ আৰু মোবাইল লিজেণ্ড খেল অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰতিযোগিতাখন একক আৰু দলীয় দুয়ো শাখাত অনুষ্ঠিত হ'ব। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উপৰিও ন্যূনতম দশম শ্ৰেণীৰ উত্তীৰ্ণ বৈধ পৰিচয়পত্ৰধাৰী বাহিৰা প্ৰতিযোগীৰো অংশগ্ৰহণৰ সুবিধা থাকিব। অংশগ্ৰহণৰ মাচুল হিচাপে বি. জি.এম.আই.আৰু ফ্ৰী ফায়াৰ খেলৰ বাবে প্ৰতিটো দলৰ পৰা ২৯৯/-টকা, মোবাইল লিজেণ্ডচ খেলৰ বাবে প্ৰতিটো দলৰ পৰা ৩৪৯/-টকা, আৰু একক শ্ৰেণীৰ বাবে ৯৯/-টকা নিৰ্ধাৰণ কৰা হৈছে। প্ৰতিযোগিতাখনত বিজয়ীসকলৰ বাবে সৰ্বাধিক ১৫, ০০০ টকাৰ পুৰস্কাৰ ঘোষণা কৰা হৈছে (পুৰস্কাৰৰ পৰিমাণ পৰিবৰ্তনযোগ্য)। প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে আবেদন গ্ৰহণৰ শেষ তাৰিখ ১৮ ডিচেম্বৰ, ২০২৫। পঞ্জীয়ন আৰু অধিক তথ্যৰ বাবে আগ্ৰহীসকলক প্ৰদান কৰা কিউ আৰ ক'ড স্কেন কৰিবলৈ অথবা আধিকাৰিক হোৱাতচএপ গ্ৰুপত যোগদান কৰিবলৈ আহ্বান জনোৱা হৈছে। সবিশেষ জানিবৰ বাবে দিপশিখা দাস -৮৮১১৯-০১৬৬০ অথবা জয়শ্ৰী বৰকাকতি ৯৬৭৮৭-৯২৪০৭ ৰ লগত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

# হাতীঘুলীৰ 'কেন'পাচ'ৰ সমীপত হোৱা প্ৰবল গড়াখহনীয়া ৰোধৰ ব্যৱস্থাৰ দাবী



**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৮ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ পশ্চিম ছৈখোৱাৰ হাতীঘুলী অঞ্চলৰ অতি গৰাখহনীয়াপ্ৰৱণ এলেকা মিলনপুৰ, ফেলাই, নাওকটা, আদি অঞ্চলত গৰাখহনীয়া ৰোধৰ বাবে বালি ভৰ্তি জিঅ'বেগেৰে পাৰ বন্ধা কাম পূৰ্ণ গতিত চলি থকা দেখা পাই ডিব্ৰুগড়-তিনিচুকীয়া জিলা বান আৰু গৰাখহনীয়া প্ৰতিৰোধ সংগ্ৰাম মঞ্চই সন্তোষ প্ৰকাশ কৰিছে। মঞ্চৰ সভাপতি বিনোদ কেডিয়াৰ নেতৃত্বত এটা দলে হাতীঘুলী অঞ্চল পৰিভ্ৰমণ কৰি অঞ্চলটোৰ 'কেন'পাচ'ৰ সমীপত প্ৰায় ৮০০ মিটাৰ এলেকাত হোৱা ভয়ংকৰ গৰাখহনীয়া ৰোধৰ বাবে জলসম্পদ বিভাগে এতিয়ালৈকে কোনো ব্যৱস্থা গ্ৰহণ কৰিবলৈ আগবাঢ়ি অহা নেদেখি তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। উল্লেখ্য যে, উক্ত অঞ্চলত বিগত বাৰিষাত সৃষ্টি হোৱা প্ৰবল গৰাখহনীয়াৰ ফলত এটা বৃহৎ আকাৰৰ পুখুৰীৰ সদৃশ ঘুলিৰ সৃষ্টি হয়। বাৰিষা অহাৰ লগেলগে এই ঘুলিত পানী সোমাই দুগুণ গৰাখহনীয়া সৃষ্টিৰ সম্ভাৱনীয়তাৰ কথা অভিজ্ঞ মহলে আশংকা কৰিছে। অঞ্চলটোত বিগত সময়ত প্ৰায় ১২ শ মিটাৰ এলেকাত জিঅ'বেগৰ পাৰ বন্ধা কাম কৰা হৈছিল যদিও যোৱাটো বানত জিঅ'বেগবোৰৰ অধিকাংশই উটুৱাই নিয়ে। এই অংশটো মেৰামতিৰ প্ৰয়োজন আছে যদিও জলসম্পদ বিভাগে এতিয়ালৈকে কোনো পদক্ষেপ লোৱা নেদেখি স্থানীয় ৰাইজ সংকিত হৈ পৰিছে। স্থানীয় ৰাইজৰ মতে 'কেন'পাচ'ৰ সমীপৰ ১১শ মিটাৰ অংশত প্ৰয়োজনীয় মেৰামতি আৰু ৮'শ মিটাৰ অংশত খৰালিৰ সময়তে জিঅ'বেগ অথবা জিঅ'টিউব দি গৰাখহনীয়া ৰোধৰ ব্যৱস্থা নকৰিলে নামনিৰ ফেলাই-নাওকটা অঞ্চলত হাজাৰ জিঅ'বেগ জাপিলেও কামত নাহিব। ৰাইজে কেনপাচৰ অংশত অতি শীঘ্ৰেই গৰাখহনীয়া ৰোধৰ কাম আৰম্ভ কৰিবৰ বাবে জলসম্পদ বিভাগক আহ্বান জনাইছে। আজিৰ সঁজাতি দলটোত হাতীঘুলী বান আৰু গৰাখহনীয়া প্ৰতিৰোধ সংগ্ৰাম মঞ্চৰ প্ৰতিনিধিয়েও অংশ লয়।

# নলবাৰীৰ মুকালমুৱাৰ ঘোগাত চাঞ্চল্যকৰ ঘটনা

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১৮ ডিচেম্বৰ ঃ** নলবাৰীৰ মুকালমুৱাৰ ঘোগাত চাঞ্চল্যকৰ ঘটনা সংঘটিত হৈছে। পুখুৰীত উদ্ধাৰ হৈছে এজন যুৱকৰ মৃতদেহ। ঘোগাগাঁৱৰ আৰিফুল হক (৩৬) নামৰ যুৱকজনৰ মৃতদেহ উদ্ধাৰৰ ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। কোনো লোকে যুৱকজনক হত্যা কৰি পুখুৰীত পেলাই থৈ যোৱাৰ সন্দেহ দুৰ্ভগীয়া পৰিয়ালটোৰ। স্থানীয় দুই যুৱকৰ বিৰুদ্ধে হত্যাৰ সন্দেহ পৰিয়ালৰ। মৃত যুৱকজনৰ মুখমণ্ডলৰে তেজ নিগৰিছে। ঘটনাস্থলীত মুকালমুৱা আৰু আদাবাৰী আৰক্ষী উপস্থিত হৈ অনুসন্ধান অব্যাহত ৰাখিছে। যুৱকজনৰ মৃতদেহ উদ্ধাৰৰ পিছতেই অঞ্চলটোত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হৈছে। ঘটনাস্থলীত কাৰ্যবাহী দণ্ডাধীশ কৌস্তভ ৰয় উপস্থিত হৈ অনুসন্ধান অব্যাহত ৰাখিছে।

## সম্পাদকীয়

# ছাত্ৰৰ মৃত্যু আৰু আমাৰ দায়বদ্ধতা

গুৱাহাটী মহানগৰীৰ পাণ্ডু কলেজৰ ছাত্ৰাবাসত ২২ বছৰীয়া ছাত্ৰ ৰুবাইল আলমৰ মৃতদেহ উদ্ধাৰৰ চাঞ্চল্যকৰ খবৰটোৱে সমগ্ৰ সমাজকে শোকত আৰু চিন্তাত নিমজ্জিত কৰিছে। যোৱা ১২ ডিচেম্বৰত নিৰুদ্দেশ হোৱা ছাত্ৰগৰাকীৰ দেহাৱশেষ ছাত্ৰাবাসৰ এটা অৱহেলিত বাথৰুমত পোৱা গৈছে। প্ৰাথমিকভাৱে আত্মহত্যাৰ সন্দেহ কৰা এই মৃত্যুৱে আমাৰ শিক্ষা ব্যৱস্থা, ছাত্ৰাবাসৰ নিৰাপত্তা আৰু গোটেই সমাজৰ মনসিক স্বাস্থ্যৰ প্ৰতি থকা দায়িত্বৰ ওপৰত এক গুৰুত্বপূৰ্ণ প্ৰশ্নবোধক চিন বহুৱাই দিছে। ঘটনাস্থলীখন এটা শিক্ষানুষ্ঠানৰ ছাত্ৰাবাস। যি ঠাই এজন যুৱকৰ ভৱিষ্যৎ গঢ় দিয়া আৰু সুৰক্ষাৰ কেন্দ্ৰ হোৱাৰ কথা, তাতেই এনে মৰ্মান্তিক ঘটনা সংঘটিত হোৱাটো অত্যন্ত দুখৰ আৰু চিন্তাজনক। আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিলেও, এই ঘটনাই দেখা দিয়া কেইটামান দিশ আমাক জৰুৰীভাৱে ভাবিবলৈ বাধ্য কৰে। প্ৰথমতে, ছাত্ৰ-ছাত্ৰীসকলৰ মনসিক স্বাস্থ্যৰ প্ৰসংগটোৱে ইয়াৰ মাজেদি জোৰকৈ আলোচনালৈ আহিছে। উচ্চ শিক্ষাৰ চাপ, ভৱিষ্যতৰ উদ্বেগ, ব্যক্তিগত সমস্যা আদিয়ে আজিৰ যুৱ সমাজক কিদৰে আক্ৰান্ত কৰি আছে, ৰুবাইলৰ কৰুণ মৃত্যুৱে তাৰেই ইংগিত দিছে। শিক্ষানুষ্ঠানসমূহত নিয়মিত ভাৱে কাউন্সেলিং সেৱা, মানসিক স্বাস্থ্য সজাগতা কাৰ্যসূচী আৰু এনে সমস্যা থকা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সহায়ক পৰিৱেশ সৃষ্টি কৰাটো কিয় অতি প্ৰয়োজনীয়, এই ঘটনাই তাকেই প্ৰমাণ কৰিছে। ছাত্ৰ এজনে নিৰুদ্দেশ হোৱাৰ পিছত পৰিয়ালে আৰক্ষীক তথ্য দিয়াটোৱে দেখা যায় যে, চূড়ান্ত সমাধানৰ বাবে যোগাযোগৰ ক্ষেত্ৰতো কিছুমান খুঁত ৰৈ গৈছে। দ্বিতীয়তে, ছাত্ৰাবাসৰ নিৰাপত্তা আৰু নিৰীক্ষণ ব্যৱস্থা সম্পৰ্কীয় প্ৰশ্নই ঠাই পাইছে। এটা 'ব্যৱহাৰ নোহোৱা' বাথৰুমত বহুদিন ধৰি মৃতদেহ অৱস্থান কৰি থকাটোৱে ছাত্ৰাবাসৰ দৈনন্দিন তদাৰকৰ গুৰুতৰ ফাঁকিসমূহকেই সূচাইছে। নিয়মভংগীক লৈ 'আগতেও হৈছিল' বুলি ভাবি থকা মানসিকতাই গুৰুতৰ পৰিস্থিতি সৃষ্টি কৰিব পাৰে। প্ৰতিটো ছাত্ৰাবাসতে কঠোৰ কিন্তু বন্ধুসুলভ পৰিৱেশ, নিৰাপদ আৰু পৰিষ্কাৰ-পৰিচ্ছন্ন ব্যৱস্থা আৰু সকলো ছাত্ৰ-ছাত্ৰীৰ ওপৰত সকিয়াই দৃষ্টি ৰখাৰ ব্যৱস্থা হোৱাটো জৰুৰী। তৃতীয়তে, এই ঘটনাই পৰিয়াল আৰু শিক্ষানুষ্ঠানৰ মাজত থকা সম্পৰ্কৰ গুৰুত্বপূৰ্ণ দিশটোও ফঁহিয়াই দিছে। ছাত্ৰজনে ওলাই যোৱাৰ সময়ত ৱাৰ্ডেনক নকলেও ককায়েকৰ সৈতে যোগাযোগ ৰখাটোৱে দেখা যায় যে, আনুষ্ঠানিক চেনেলৰ উপৰিও বেলেগ ধৰণৰ যোগাযোগো চলি থাকে। এই যোগাযোগৰ ধাৰাটোক কিদৰে সহায়ক আৰু কাৰ্যকৰী কৰি তোলা যায়, তাৰ ওপৰতো গুৰুত্ব দিব লাগিব। ৰুবাইল আলমৰ অকাল মৃত্যুৱে আমাৰ সামাজিক দায়বদ্ধতাৰ ফালে আঙুলি তুলি ধৰিছে। ইয়াৰ পৰা শিক্ষা লৈ ছাত্ৰ-ছাত্ৰীৰ মানসিক সুৰক্ষাৰ বাবে প্ৰকৃত সহানুভূতিশীল পৰিৱেশ, ছাত্ৰাবাসৰ জৰুৰী নিৰীক্ষণ ব্যৱস্থা আৰু সমস্যা দেখা দিয়ামতে সমাধানৰ এক সুস্থ যোগাযোগৰ ব্যৱস্থা গঢ়ি তোলাটো হৈ পৰিছে জৰুৰী জাতীয় কৰ্তব্য। যাতে পৰিয়ালবৰ্গই দূৰৈত থাকিও সন্তানসকল সুৰক্ষিত বুলি ভাবিব পাৰে, শিক্ষানুষ্ঠানে সেয়া নিশ্চিত কৰক। এজন তৰুণৰ জীৱন নষ্ট হোৱাৰ পিছত শোকপ্ৰকাশ কৰাতকৈ তেনে মৃত্যু ৰোধ কৰাৰ ব্যৱস্থা কৰাটোহে হ'ব যুগুত সামাজিক দায়িত্ব।

◀◀ অৰ্থনৈতিক স্বাৱলম্বিতা আৰু কৰ্মসংস্কৃতিৰ অভাৱেও অসমৰ নাগৰিকত্ব সমস্যাটোক পৰোক্ষভাৱে ইন্ধন যোগাই আহিছে। আমি স্বীকাৰ কৰিবই লাগিব যে যিকোনো কাম কৰাৰ মানসিকতা আৰু অৰ্থনৈতিক ক্ষেত্ৰখন নিজৰ দখলত ৰখাৰ সচেতনতা অসমীয়া সমাজত কিছু পৰিমাণে কম। ইয়াৰ সুযোগ লৈয়েই বহিৰাগত শ্ৰমিক আৰু ব্যৱসায়ীয়ে অসমৰ শ্ৰম বজাৰ আৰু বাণিজ্যত একচেটিয়া আধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। কৃষি, নিৰ্মাণ কাৰ্য, সৰু-সুৰা ব্যৱসায়-এই সকলোবোৰ ক্ষেত্ৰত যেতিয়া থলুৱা মানুহৰ অংশগ্ৰহণ কমি যায়, তেতিয়া তাত বাহিৰৰ মানুহে স্থান লোৱাটো স্বাভাৱিক অৰ্থনৈতিক নিয়ম। সেয়েহে, কেৱল আন্দোলন বা চৰকাৰক দোষ দি থাকিলেই নহ'ব; অসমীয়া যুৱচামে অৰ্থনৈতিকভাৱে সৱল হ'ব লাগিব। ▶▶

# নাগৰিকত্ব আৰু পৰিচয়

# অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ সুদীৰ্ঘ সংগ্ৰাম

**হিমাংশু ৰণজন ভূঞা**

অসমৰ সেউজীয়া উপত্যকা আৰু ব্ৰহ্মপুত্ৰৰ পলসুৱা ভূখণ্ডত গঢ় লৈ উঠা সভ্যতাৰ বৰঞ্জী যিমানেই প্ৰাচীন, সিমানেই ইয়াৰ জনগাঁথনিগত বিৱৰ্তনৰ ইতিহাস সংঘাতপূৰ্ণ আৰু জটিল। ভৌগোলিকভাৱে অসম এনে এক কৌশলগত স্থানত অৱস্থিত য'ত বিভিন্ন দিশৰ পৰা জনস্ৰোতৰ আগমন ঘটাটো ঐতিহাসিকভাৱে এক স্বাভাৱিক প্ৰক্ৰিয়া আছিল; কিন্তু আধুনিক ৰাজনৈতিক প্ৰেক্ষাপটত এই আগমনে যেতিয়া ভূমিপুত্ৰৰ অস্তিত্বৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিলে, তেতিয়াই নাগৰিকত্ব আৰু পৰিচয়ৰ প্ৰশ্নটোৱে এক বিৰাট সংগ্ৰামৰ ৰূপ ললে। নিজৰ জন্মভূমিত যাতে নিজৰ ভৱিষ্যত প্ৰজন্মই সংখ্যালঘুৰ দৰে জীয়াই থাকিব লগা নহয় বা নিজৰ ভাষা-সংস্কৃতি যাতে কালৰ সোঁতত হেৰাই নাযায়, তাৰ বাবে কৰা এই সংগ্ৰাম কেৱল আবেগিক নহয়, বৰঞ্চ ই এক জাতিৰ জীয়াই থকাৰ মৌলিক অধিকাৰৰ প্ৰশ্ন। যেতিয়া কোনো এটা জাতিয়ে অনুভৱ কৰে যে ৰাজনৈতিক ক্ষমতা আৰু অৰ্থনৈতিক নিয়ন্ত্ৰণ লাহে লাহে তেওঁলোকৰ হাতৰ পৰা আনৰ হাতলৈ গৈ আছে, তেতিয়া সৃষ্টি হোৱা নিৰাপত্তাহীনতাই সমাজত এক গভীৰ মানসিক চাপৰ সৃষ্টি কৰে। অসমৰ ক্ষেত্ৰত এই চাপ যোৱা এটা শতিকা ধৰি ক্ৰমান্বয়ে বৃদ্ধি পাইছে। এই সংগ্ৰামক কেৱল বাহিৰৰ মানুহৰ বিৰুদ্ধে গঢ়ি উঠা ক্ষোভ বুলি ভাবিলে ভুল হ'ব; ই আচলতে নিজৰ মাটি, ভাষা আৰু আত্মসন্মান ৰক্ষাৰ বাবে কৰা এক মৰণপণ যুঁজ। বিশ্বৰ ইতিহাসত এনে বহু উদাহৰণ আছে য'ত জনগাঁথনিৰ পৰিৱৰ্তনে এটা জাতিৰ ইতিহাস আৰু ভূগোল দুয়োটাই সলনি কৰি পেলাইছে, আৰু অসমীয়া জাতিয়ে সেই সম্ভাব্য ভৱিষ্যতৰ কথা চিন্তা কৰিয়েই নিজৰ সুৰক্ষাৰ বাবে বাৰে বাৰে ৰাজপথলৈ ওলাই আহিব লগা হৈছে।



ঔপনিৱেশিক শাসনকালত ব্ৰিটিছ প্ৰশাসনে গ্ৰহণ কৰা অৰ্থনৈতিক নীতিয়েই অসমৰ এই দীৰ্ঘদিনীয়া সমস্যাৰ মূল আধাৰ বুলি ক'লেও বঢ়াই কোৱা নহ'ব, কিয়নো তেওঁলোকৰ ৰাজহ সংগ্ৰহৰ লালস আৰু শ্ৰমিকৰ প্ৰয়োজনীয়তাই অসমৰ দুৱাৰখন বাহিৰৰ বাবে সম্পূৰ্ণৰূপে খুলি দিছিল। সেই সময়ত অসমৰ স্থানীয় অৰ্থনীতি আছিল আত্মনিৰ্ভৰশীল আৰু প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল, য'ত অতিৰিক্ত উৎপাদন বা বাণিজ্যিক কৃষিৰ ধাৰণাটো তেনেই সীমিত আছিল। ব্ৰিটিছ শাসকসকলে অসমৰ বিস্তীৰ্ণ পতিত মাটি দেখি তাক ৰাজহ অৰ্জনৰ উৎস হিচাপে ব্যৱহাৰ কৰিবলৈ পৰিকল্পনা কৰিছিল আৰু সেই উদ্দেশ্যেই তেওঁলোকে জনবহুল চুবুৰীয়া অঞ্চলৰ পৰা ব্যাপক হাৰত কৃষক আমদানিক উৎসাহিত কৰিছিল। আৰম্ভণিতে এই প্ৰক্ৰিয়াটোক কেৱল কৃষি উৎপাদন বৃদ্ধিৰ কৌশল হিচাপে দেখা হৈছিল যদিও, কালক্ৰমত ই এক ভয়াৱহ জনগাঁথনিগত পৰিৱৰ্তনৰ সূচনা কৰিলে। স্থানীয় মানুহে যেতিয়া গম পালে যে তেওঁলোকৰ গাঁৱৰ আশে-পাশে বা সংৰক্ষিত বনাঞ্চলৰ কাষৰীয়া মাটিত নতুন নতুন মানুহৰ বসতি গঢ়ি উঠিছে, তেতিয়ালৈ বহুত পলম হৈ গৈছিল। এই ঐতিহাসিক ভুলৰ শুধৰণি নোহোৱাৰ ফলত পৰৱৰ্তী সময়ত দেশ বিভাজন আৰু ৰাজনৈতিক পটপৰিৱৰ্তনে সমস্যাটোক অধিক জটিল কৰি তুলিলে। চৰকাৰী নথি-পত্ৰ আৰু আইনী ব্যৱস্থাই এই প্ৰব্ৰজনক বৈধতা প্ৰদান কৰাৰ লগে লগে থলুৱা মানুহৰ মনত এক চিৰস্থায়ী অবিশ্বাসৰ জন্ম হ'ল, যিটো আজিও অসমৰ সমাজ জীৱনত স্পষ্ট হৈ আছে। অৰ্থনৈতিক স্বাৰ্থত গ্ৰহণ কৰা এটা নীতিয়ে যে কেনেকৈ এটা জাতিৰ সামাজিক আৰু সাংস্কৃতিক ভৱিষ্যত বিপন্ন কৰিব পাৰে, অসম তাৰ এক জ্বলন্ত উদাহৰণ।

দেশ বিভাজন আৰু তাৰ পৰৱৰ্তী সময়ত সীমাৰ সিপাৰৰ পৰা অহা মানুহৰ ঢৌৱে অসমৰ নাগৰিকত্বৰ সংকটক এক নতুন আৰু ভয়াৱহ মাত্ৰা প্ৰদান কৰিলে, য'ত ধৰ্মীয় আৰু অৰ্থনৈতিক উভয় কাৰণতে মানুহৰ আগমন ঘটিছিল। ভাৰতৰ পশ্চিম সীমান্তৰ তুলনাত পূব সীমান্তৰ পৰিস্থিতি সম্পূৰ্ণ বেলেগ আছিল; ইয়াত সীমাৰেখা আছিল অস্পষ্ট আৰু প্ৰশাসনিক নজৰদাৰী আছিল অত্যন্ত দুৰ্বল। ইয়াৰ সুযোগ লৈ দৰিদ্ৰ আৰু ভূমিহীন মানুহে অসমৰ উৰ্বৰ মাটিত আশ্ৰয় লোৱাটো সহজ হৈ পৰিছিল। ৰাজনৈতিক দলসমূহে নিজৰ ভোটবেংকৰ স্বাৰ্থত এই অনুপ্ৰৱেশকাৰীসকলক বাধা দিয়াৰ সলনি বহু সময়ত তেওঁলোকক সংস্থাপন দিয়াতহে সহায় কৰা দেখা গৈছিল। ইয়াৰ ফলত অসমৰ থলুৱা জনসাধাৰণৰ মাজত এক ধাৰণা গঢ় লৈ উঠিল যে দিল্লীৰ কেন্দ্ৰীয় নেতৃত্বই অসমৰ সমস্যাটোক কেতিয়াও গুৰুত্বসহকাৰে লোৱা নাই বা অসমক কেৱল এক উপনিৱেশৰ দৰে ব্যৱহাৰ কৰিছে। এই বঞ্চনাৰ ভাৱেই অসমত বিভিন্ন আঞ্চলিকতাবাদী শক্তি আৰু ছাত্ৰ আন্দোলনৰ জন্ম দিছিল। তেওঁলোকে উপলব্ধি কৰিছিল যে যদিহে তেওঁলোকে নিজে নিজৰ দেশ ৰক্ষা নকৰে, তেন্তে কোনেও তেওঁলোকক বচাবলৈ নাহে। শৰণাৰ্থীৰ বোজা বহন কৰাৰ ক্ষেত্ৰত অসমৰ জনসাধাৰণে যি দৰদ আৰু মানৱীয়তা দেখুৱালে, তাৰ প্ৰতিদান হিচাপে তেওঁলোকে পালে নিজৰ দেশতে সংখ্যালঘু হোৱাৰ ভাবুকি। আন্তৰ্জাতিক আইন আৰু মানৱ অধিকাৰৰ কথা কোৱা হয়, কিন্তু এটা সৰু জাতিসত্তাৰ জীয়াই থকাৰ অধিকাৰো যে এক মানৱ অধিকাৰ, সেই কথা বহু সময়ত বিশ্বৰ দৰবাৰত উপেক্ষিত হৈ ৰয়।

সত্তৰৰ দশকৰ শেষৰ ফালে আৰম্ভ হোৱা ছবছৰীয়া ঐতিহাসিক অসম আন্দোলন আছিল নাগৰিকত্ব আৰু আত্মপৰিচয়ৰ দাবীত গঢ়ি উঠা এক স্বতঃস্ফূৰ্ত গণজাগৰণ, যিয়ে সমগ্ৰ বিশ্বৰ সন্মুখত অসমীয়া জাতিৰ সংগ্ৰামী সত্তাক প্ৰতিষ্ঠা কৰিছিল। এই আন্দোলন কেৱল কেইজনমান নেতা বা সংগঠনৰ নেতৃত্বতে আৱদ্ধ নাছিল; ই আছিল গাঁৱৰ পৰা চহৰলৈ প্ৰতিজন অসমীয়াৰ অন্তৰৰ ক্ষোভৰ বহিৰ্প্ৰকাশ। ছাত্ৰ, শিক্ষক, কৰ্মচাৰী, মহিলা- সকলোৱে একত্ৰিত হৈ বিদেশী বহিষ্কাৰৰ দাবী জনাইছিল। তেওঁলোকৰ যুক্তি আছিল অত্যন্ত স্পষ্ট- স্বাধীন ভাৰতত বিদেশী নাগৰিকৰ অবাধ বিচৰণ আৰু ভোটাধিকাৰ গ্ৰহণযোগ্য নহয়। দীৰ্ঘদিনীয়া আন্দোলন, হাজাৰ হাজাৰ লোকৰ আত্মত্যাগ আৰু ৰাজ্যজুৰি চলা অচল অৱস্থাৰ অন্তত ১৯৮৫ চনত স্বাক্ষৰিত হোৱা অসম চুক্তিক সেই সময়ত এক ঐতিহাসিক বিজয় বুলি ভাবি লোৱা হৈছিল। কিন্তু এই চুক্তিৰ জৰিয়তে অসমে যি ত্যাগ স্বীকাৰ কৰিলে, সি আছিল অতুলনীয়। সমগ্ৰ ভাৰতত নাগৰিকত্ব নিৰ্ধাৰণৰ ভিত্তি বৰ্ষ ১৯৫১ চন হোৱাৰ বিপৰীতে কেৱল অসমত ১৯৭১ চনলৈ বিদেশীৰ বোজা লোৱাৰ সন্মতি জনোৱা হ'ল। ইয়াৰ অৰ্থ আছিল যে প্ৰায় দুই দশকৰ অতিৰিক্ত প্ৰব্ৰজনকাৰীক অসমে নাগৰিক হিচাপে গ্ৰহণ কৰিব লগা হ'ল। এই সিদ্ধান্তই জাতিটোক আইনীভাৱে সুৰক্ষা দিলে নে সমস্যাটোক দীৰ্ঘস্থায়ী কৰিলে, সেয়া আজিও বিতৰ্কৰ বিষয়। চুক্তিৰ প্ৰতিশ্ৰুতিসমূহ আখৰে আখৰে পালন নোহোৱাৰ ফলত মানুহৰ মনত যি হতাশাৰ সৃষ্টি হ'ল, সি পৰৱৰ্তী সময়ত পুনৰ নতুন সংগ্ৰামৰ পথ প্ৰশস্ত কৰিলে।

আইনী যুঁজ আৰু বিদেশী চিনাক্তকৰণৰ প্ৰক্ৰিয়াবোৰ অসমৰ প্ৰেক্ষাপটত সদায় এক প্ৰহসনত পৰিণত হোৱা দেখা গৈছে, যাৰ জ্বলন্ত উদাহৰণ আছিল আই এম ডি টি আইনৰ দৰে বৈষম্যমূলক ব্যৱস্থা। এই আইনে বিদেশী চিনাক্তকৰণৰ প্ৰক্ৰিয়াটো ইমান জটিল আৰু অসম্ভৱ কৰি তুলিছিল যে ই কাৰ্যত অবৈধ অনুপ্ৰৱেশকাৰীৰ বাবে এক সুৰক্ষাকৱচ হিচাপেহে কাম কৰিছিল। সাধাৰণতে যিকোনো দেশত অবৈধ বুলি সন্দেহ কৰা ব্যক্তিজনেহে নিজৰ নাগৰিকত্ব প্ৰমাণ কৰিব লাগে, কিন্তু এই আইনৰ অধীনত অভিযোগকাৰীৰ ওপৰতহে প্ৰমাণৰ বোজা জাপি দিয়া হৈছিল। ই আছিল ন্যায়ৰ প্ৰাকৃতিক নীতিৰ সম্পূৰ্ণ বিৰুদ্ধ। উচ্চতম ন্যায়ালয়ে এই আইনক অসাংবিধানিক বুলি ঘোষণা নকৰালৈকে অসমে এই অন্যায় সহ্য কৰিব লগা হৈছিল। ইয়াৰ উপৰিও সীমান্তত থকা ফোঁপোলা বেৰ, নদী সীমান্তৰে অবাধ যাতায়াত আৰু দুৰ্নীতিগ্ৰস্ত প্ৰশাসনিক ব্যৱস্থাই বিদেশী চিনাক্তকৰণ আৰু বহিষ্কাৰৰ প্ৰক্ৰিয়াটোক কেৱল চৰকাৰী ফাইলৰ মাজতে আৱদ্ধ কৰি ৰাখিলে। ট্ৰাইবুনেল বা ন্যায়াধিকৰণসমূহত চলি থকা গোচৰবোৰৰ লেহেমীয়া গতি আৰু নিৰ্দিষ্ট তথ্য-প্ৰমাণৰ অভাৱত বহু সময়ত প্ৰকৃত দোষী সাৰি যোৱা আৰু নিৰ্দোষী হাৰাশাস্তি হোৱাৰ ঘটনাই জনসাধাৰণৰ ন্যায় ব্যৱস্থাৰ ওপৰত আস্থা হ্ৰাস কৰিছে। এই আইনী বিফলতাই প্ৰমাণ কৰে যে কেৱল আইন থাকিলেই নহয়, তাক প্ৰয়োগ কৰাৰ বাবে দৃঢ় ৰাজনৈতিক সদিচ্ছা আৰু প্ৰশাসনিক সততাৰ একান্ত প্ৰয়োজন।

ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী বা এন আৰ চি উন্নীতকৰণৰ প্ৰক্ৰিয়াটোক লৈ অসমৰ জনসাধাৰণৰ মাজত যি বিপুল আশা আৰু উ উৎসাহ আছিল, তাৰ অন্তিম ফলাফল অত্যন্ত হতাশাজনক আৰু বেদনাদায়ক হিচাপে বিবেচিত হ'ল। উচ্চতম ন্যায়ালয়ৰ পোনপটীয়া তদাৰকত হোৱা এই বিশাল কৰ্মযজ্ঞই সমস্যাটোৰ এক বিজ্ঞানসন্মত সমাধান দিব বুলি ভবা হৈছিল। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা গ'ল যে এই প্ৰক্ৰিয়াটো আমোলাতান্ত্ৰিক মেৰপাক আৰু প্ৰযুক্তিগত ত্ৰুটিৰ এক জটিল চক্ৰত সোমাই পৰিল। ১৯ লাখ মানুহৰ নাম তালিকাৰ পৰা বাদ পৰিল সঁচা, কিন্তু বহু সন্দেহজনক ব্যক্তিৰ নাম কৌশলেৰে তালিকাত অন্তৰ্ভুক্ত হ'ল বুলি গুৰুতৰ অভিযোগ উত্থাপন হ'ল। দৰিদ্ৰ, নিৰক্ষৰ আৰু গ্ৰামাঞ্চলৰ মানুহে নিজৰ পুৰণি নথিপত্ৰ যোগাৰ কৰিবলৈ আৰু শুনানিবোৰত উপস্থিত থাকিবলৈ অকথ্য অৰ্থনৈতিক আৰু মানসিক কষ্ট ভোগ কৰিলে। ইয়াৰ পৰা এটা কথা স্পষ্ট হ'ল যে কাগজৰ নথিপত্ৰই সদায় সত্যক প্ৰতিফলিত নকৰিবও পাৰে। এন আৰ চিৰ চূড়ান্ত তালিকাক লৈ আজি জাতীয় সংগঠন বা সাধাৰণ ৰাইজ কোনো সন্তুষ্ট নহয়। কোটি কোটি টকা ব্যয় হোৱাৰ পাছতো যদি সমস্যাটো সমস্যা হৈয়েই থাকে, তেন্তে ই ব্যৱস্থাটোৰ চূড়ান্ত বিফলতাকেই সূচায়। ই পুনৰবাৰ প্ৰমাণ কৰিলে যে অসমৰ নাগৰিকত্ব সমস্যাটো কেৱল ভোটৰ সংখ্যাৰ খেল নহয়, ইয়াৰ লগত ঐতিহাসিক আৰু সামাজিক বহুতো সূক্ষ্ম দিশ জড়িত হৈ আছে।

অসমৰ ভাষা আৰু সংস্কৃতিৰ ভৱিষ্যতক লৈ সৃষ্টি হোৱা শংকা এই নাগৰিকত্ব সংগ্ৰামৰ এক অবিচ্ছেদ্য অংগ, কিয়নো জনগাঁথনিৰ পৰিৱৰ্তনে পোনপটীয়াভাৱে ভাষাৰ প্ৰয়োগ আৰু প্ৰসাৰত বাধা সৃষ্টি কৰে। অসমীয়া ভাষা কেৱল যোগাযোগৰ মাধ্যম নহয়, ই অসমীয়া জাতিৰ পৰিচয়ৰ আধাৰ আৰু ঐক্যৰ সাঁকো। কিন্তু বিগত কেইবাটাও দশকত দেখা গৈছে যে অসমৰ বিভিন্ন জিলাত অসমীয়া ভাষী লোকৰ সংখ্যা আশংকাজনকভাৱে হ্ৰাস পাইছে। বজাৰ-সমাৰ, ৰাজহুৱা স্থান আৰু আনকি কিছুমান শিক্ষানুষ্ঠানতো আন ভাষাৰ প্ৰভাৱ বৃদ্ধি পোৱাটোৱে অসমীয়া ভাষাৰ ভৱিষ্যতক লৈ প্ৰশ্নবোধক চিহ্ন আঁকি দিছে। এই পৰিস্থিতিত শেহতীয়াকৈ অসমীয়া ভাষাই ধ্ৰুপদী মৰ্যাদা লাভ কৰাটো নিশ্চিতভাৱে এক ইতিবাচক খবৰ, কিন্তু কেৱল চৰকাৰী স্বীকৃতিয়ে এটা ভাষাক জীয়াই ৰাখিব নোৱাৰে যদিহে সেই ভাষা কোৱা মানুহৰ সংখ্যা কমি যায়। নৱপ্ৰজন্মৰ মাজত নিজৰ ভাষাৰ প্ৰতি শ্ৰদ্ধা আৰু চৰ্চা বৃদ্ধি কৰাৰ সমান্তৰালভাৱে জনগাঁথনিৰ ভাৰসাম্য ৰক্ষা কৰাটোও সমানেই জৰুৰী। সাংস্কৃতিক আগ্ৰাসনৰ ফলত অসমৰ থলুৱা লোক-সংস্কৃতি, গীত-মাত আৰু পৰম্পৰাসমূহো সংকটৰ গৰাহত পৰিছে। যেতিয়া এটা জাতিয়ে নিজৰ ভাষাটোকে নিজৰ মাটিত ৰক্ষা কৰিবলৈ সংগ্ৰাম কৰিব লগা হয়, তেতিয়া সেই জাতিৰ মানসিক অৱস্থা কিমান শোচনীয় হ'ব পাৰে, সেয়া সহজেই অনুমেয়। সেয়েহে, ভাষাৰ যুঁজ আৰু ভূমি অধিকাৰৰ যুঁজ-এই দুয়োটা একেটা মুদ্ৰাৰ ইপিঠি-সিপিঠি।

অসম চুক্তিৰ ৬ নং দফাৰ ৰূপায়ণ আৰু সাংবিধানিক সুৰক্ষাকৱচৰ দাবী বৰ্তমান সময়ত অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ শেষ ভৰসা হিচাপে বিবেচিত হৈছে। এই দফাই অসমীয়া মানুহৰ সাংস্কৃতিক, সামাজিক, ভাষিক পৰিচয় আৰু ঐতিহ্যৰ সুৰক্ষাৰ বাবে সাংবিধানিক আৰু আইনী ব্যৱস্থা গ্ৰহণৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে চুক্তি স্বাক্ষৰ হোৱাৰ চাৰি দশক পাৰ হোৱাৰ পাছতো এই দফাৰ সঠিক ৰূপায়ণ নহ'ল। ইয়াৰ মূল কাৰণ হ'ল 'অসমীয়া মানুহ'ৰ সংজ্ঞা নিৰূপণৰ জটিলতা আৰু কেন্দ্ৰীয় চৰকাৰৰ সদিচ্ছাৰ অভাৱ। বিপ্লৱ শৰ্মা কমিটীয়ে প্ৰতিবেদন দাখিল কৰাৰ পাছতো চৰকাৰে ইয়াক কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত দেখুওৱা লেহেমীয়া গতিয়ে জনসাধাৰণক হতাশ কৰিছে। খিলঞ্জীয়া মানুহে বিচাৰে যে তেওঁলোকৰ বাবে বিধানসভা, সংসদ আৰু স্থানীয় নিকায়সমূহত আসন সংৰক্ষণৰ ব্যৱস্থা থাকক, যাতে জনগাঁথনি যিয়েই নহওক কিয়, ৰাজনৈতিক ক্ষমতা থলুৱা মানুহৰ হাততে থাকে। ভূমিৰ অধিকাৰৰ ক্ষেত্ৰতো একেধৰণৰ সুৰক্ষাৰ প্ৰয়োজন, যাতে বহিৰাগতই সহজে মাটি কিনি থলুৱা মানুহক বেদখল কৰিব নোৱাৰে। উত্তৰ-পূবৰ আন ৰাজ্যসমূহ বা দেশৰ আন কিছুমান অঞ্চলত থকাৰ দৰে অসমতো ইনাৰ লাইন পাৰ্মিট বা তেনেধৰণৰ শক্তিশালী ব্যৱস্থাৰ প্ৰয়োজনীয়তা বাৰে বাৰে অনুভূত হৈছে। সাংবিধানিক সুৰক্ষা অবিহনে অসমীয়া জাতিৰ ভৱিষ্যত যে অন্ধকাৰাচ্ছন্ন, সেই সত্য আজিৰ প্ৰেক্ষাপটত আৰু অধিক স্পষ্ট হৈ পৰিছে।

অৰ্থনৈতিক স্বাৱলম্বিতা আৰু কৰ্মসংস্কৃতিৰ অভাৱেও অসমৰ নাগৰিকত্ব সমস্যাটোক পৰোক্ষভাৱে ইন্ধন যোগাই আহিছে। আমি স্বীকাৰ কৰিবই লাগিব যে যিকোনো কাম কৰাৰ মানসিকতা আৰু অৰ্থনৈতিক ক্ষেত্ৰখন নিজৰ দখলত ৰখাৰ সচেতনতা অসমীয়া সমাজত কিছু পৰিমাণে কম। ইয়াৰ সুযোগ লৈয়েই বহিৰাগত শ্ৰমিক আৰু ব্যৱসায়ীয়ে অসমৰ শ্ৰম বজাৰ আৰু বাণিজ্যত একচেটিয়া আধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। কৃষি, নিৰ্মাণ কাৰ্য, সৰু-সুৰা ব্যৱসায়-এই সকলোবোৰ ক্ষেত্ৰত যেতিয়া থলুৱা মানুহৰ অংশগ্ৰহণ কমি যায়, তেতিয়া তাত বাহিৰৰ মানুহে স্থান লোৱাটো স্বাভাৱিক অৰ্থনৈতিক নিয়ম। সেয়েহে, কেৱল আন্দোলন বা চৰকাৰক দোষ দি থাকিলেই নহ'ব; অসমীয়া যুৱচামে অৰ্থনৈতিকভাৱে সৱল হ'ব লাগিব। নিজৰ মাটিৰ উৎপাদন আৰু বজাৰখন যদি থলুৱা মানুহৰ নিয়ন্ত্ৰণত থাকে, তেন্তে বহিৰাগতৰ প্ৰভাৱ আপোনা-আপুনি কমি যাব। 'অসমীয়া এলেহুৱা' বুলি থকা দুৰ্নামটো মচি পেলাই আধুনিক প্ৰযুক্তি আৰু কঠোৰ পৰিশ্ৰমৰ জৰিয়তে আমি নিজৰ অৰ্থনৈতিক দুৰ্গটো সুৰক্ষিত কৰিব লাগিব। নাগৰিকত্বৰ যুঁজখন কেৱল ৰাজনৈতিক নহয়, ই এক গভীৰ অৰ্থনৈতিক যুঁজো। যি জাতি অৰ্থনৈতিকভাৱে পৰনিৰ্ভৰশীল, সেই জাতিৰ ৰাজনৈতিক স্বাধীনতাও খৰ্ব হোৱাটো নিশ্চিত। গতিকে, আত্মপৰিচয় ৰক্ষাৰ সংগ্ৰামত অৰ্থনৈতিক স্বাভিমানো এক গুৰুত্বপূৰ্ণ অস্ত্ৰ।

উপসংহাৰত ক'বলৈ গ'লে, নাগৰিকত্ব আৰু পৰিচয়ৰ এই দীৰ্ঘদিনীয়া সংগ্ৰামখন কোনো এটা নিৰ্দিষ্ট বিন্দুতে শেষ হোৱা ঘটনা নহয়; বৰঞ্চ ই এক চলন্ত প্ৰক্ৰিয়া যি অসমীয়া জাতিৰ ধমনীত প্ৰবাহিত হৈ থাকিব। এই যুঁজখনত জয়ী হ'বলৈ হ'লে আমাক লাগিব আৱেগ আৰু যুক্তিৰ এক সুন্দৰ সমাহাৰ। কেৱল অতীতৰ গৌৰৱ বা বঞ্চনাৰ ইতিহাস আওৰাই থাকিলেই সমস্যাৰ সমাধান নহ'ব। তাৰ বাবে লাগিব সুদূৰপ্ৰসাৰী দৃষ্টিভংগী, একতা আৰু নিজকে বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাৰ যোগ্যতা। চৰকাৰৰ দায়িত্ব নিশ্চিতভাৱে আছে সীমা সুৰক্ষিত কৰা আৰু বিদেশী বিতাড়ন কৰা, কিন্তু সমাজৰ দায়িত্ব হ'ল নিজৰ ভাষা-সংস্কৃতি আৰু অৰ্থনীতিক ইমান শক্তিশালী কৰা যাতে কোনো বহিৰাগত শক্তিয়ে তাক গ্ৰাস কৰিব নোৱাৰে। আমি এনে এক অসম গঢ়িব লাগিব য'ত খিলঞ্জীয়া মানুহে নিজৰ মাটিত দ্বিতীয় শ্ৰেণীৰ নাগৰিকৰ দৰে শংকিত হৈ জীয়াই থাকিব নালাগে। সংবিধান প্ৰদত্ত অধিকাৰ সাব্যস্ত কৰাৰ লগতে নিজৰ কৰ্তব্য পালনৰ মাজেৰেহে আমি আমাৰ ভৱিষ্যত সুৰক্ষিত কৰিব পাৰিম। অসমৰ আকাশ-বতাহত যাতে সদায় অসমীয়াৰ স্বাভিমান উৰি থাকে, তাৰ বাবে প্ৰতিজন অসমীয়া সদায় সজাগ আৰু সচেতন হৈ থকাৰ বিকল্প নাই। এই সংগ্ৰাম আমাৰ অস্তিত্বৰ, এই সংগ্ৰাম আমাৰ আমাৰ পৰিচয়ৰ আৰু এই সংগ্ৰাম আমাৰ অনাগত ভৱিষ্যতৰ।

# বিলাসিতাৰ দহনত বিয়া

**কুণ্ডিল হাজৰিকা**

বিয়াৰ বতৰ আহিলেই আমাৰ সমাজত এক নব্য ধৰণৰ উল্লাস আৰু আড়ম্বৰে দেখা দিয়ে, যিটোৱে আজিকালি এক সামাজিক প্ৰতিযোগিতাৰ ৰূপ লৈছে। চিৰাচৰিত পৰম্পৰা আৰু মূল্যবোধক পিচলৈ ঠেলি দি, অসমীয়া বিয়াই এতিয়া এক মিশ্ৰ সংস্কৃতি আৰু বিলাসী প্ৰদৰ্শনৰ বিশাল মঞ্চত পৰিণত হৈছে। এই পৰিৱৰ্তন কেৱল এজন ব্যক্তিৰ অনুভৱ নহয়, বৰং ই সমগ্ৰ মধ্যবিত্ত সমাজৰ এক গভীৰ প্ৰতিফলন।

শেহতীয়া সময়ত বিয়াৰ আয়োজন কেৱল এটি দিনৰ মাঙ্গলিক অনুষ্ঠান হৈ থকা নাই। ই আজিকালি কেইবাদিনীয়াকৈ চলি থকা এক বিস্তৃত কাৰ্যসূচীলৈ পৰিণত হৈছে। নিমন্ত্ৰণী পত্ৰত বিয়াৰ দিনৰ সলনি তিনি-চাৰিদিনীয়া কৰ্মসূচী ছপোৱাটো যেন এক নৱতম 'ট্ৰেণ্ড'। এই সমাৰেশবোৰত প্ৰদৰ্শিত হোৱা আড়ম্বৰ সঁচাকৈয়ে মন কৰিবলগীয়া-



**বিলাসিতাৰ পেণ্ডেল ঃ** সাধাৰণ ৰভাৰ সলনি আজি হাজাৰ হাজাৰ টকা ব্যয় কৰি সজোৱা হয় ৰাজকীয় পেণ্ডেল, য'ত সাধাৰণ অতিথিয়ে বহিবলৈও সংকোচবোধ কৰে।

**খাদ্য সম্ভাৰৰ প্ৰাচুৰ্য ঃ** একোখন বিয়াত ভিন্ন ৰাজ্য আৰু ভিন্ন দেশৰ খাদ্যৰ তালিকা সন্নিৱিষ্ট কৰা হয়, যিটোৱে বিয়াৰ মূল উদ্দেশ্যতকৈ খাদ্যৰ প্ৰদৰ্শনকে অধিক গুৰুত্ব দিয়ে।

**পেছাদাৰী সেৱাৰ জয়জয়কাৰ ঃ** উচ্চ হাৰৰ পাৰিশ্ৰমিকেৰে নিযুক্ত পেছাদাৰী ফটোগ্ৰাফাৰৰ বিশাল বাহিনী, নামী-দামী মেক-আপ আৰু মেহেন্দী আৰ্টিষ্টৰ ভিৰ - এইবোৰ হৈ পৰিছে বৰ্তমানৰ বিয়াৰ অপৰিহাৰ্য অংশ।

**সাংস্কৃতিক সংমিশ্ৰণ ঃ** মূল অসমীয়া পৰম্পৰাৰ বাহিৰেও, বৰবিহ সদৃশ কিছুমান অনা-অসমীয়া সংস্কৃতিৰ পৰা ধাৰে লোৱা নতুন ৰীতি-নীতিও এই তালিকাত যোগ হৈছে, যিবোৰৰ সৈতে আমাৰ মূল সংস্কৃতিত কোনো সম্পৰ্কই নাই।

এইবোৰৰ চূড়ান্ত ফলস্বৰূপে, সাধাৰণ বা নিম্ন-মধ্যবিত্ত পৰিয়ালৰ লোকসকল এই অনুষ্ঠানবোৰলৈ গ'লে এক গভীৰ হীনমন্যতাত ভোগে। ৰাজকীয় আদৰ-কায়দা আৰু অপৰিসীম খৰচৰ এই দৃশ্যবোৰৰ সন্মুখত, বহুতো মধ্যবিত্ত পৰিয়ালৰ মনত এই প্ৰশ্নই দোলা দি যায় ঃ "আমাৰ সাধ্য কিমান? আমি কি সঁচাকৈয়ে এই বিলাসী প্ৰবাহৰ সৈতে মিলি যাব পাৰিমনে?" ৰভাৰ তলত বহিবলৈ, বা বিলাসী খাদ্য সম্ভাৰ গ্ৰহণ কৰিবলৈকো নিজৰেই সংকোচবোধ হয়, কাৰণ এই আড়ম্বৰৰ সৈতে নিজৰ আৰ্থিক স্থিতিৰ কোনো মিল বিচাৰি পোৱা নাযায়।

দুখৰ বিষয় যে, এই আড়ম্বৰৰ আঁৰত বহুতো পৰিয়ালে কেৱল সামাজিক হেঁচা আৰু ট্ৰেণ্ডৰ সৈতে মিলি যোৱাৰ স্বাৰ্থত নিজৰ সাধ্যৰ সীমা অতিক্ৰম কৰি বিৰাট বিত্তীয় বোজা ল'বলগীয়া হয়। যিসকল ব্যক্তিয়ে জীৱনৰ আৰম্ভণিতে দাৰিদ্ৰ্য আৰু অভাৱৰ জুঁই সহি আহিছে, তেওঁলোকে জানে যে সাধাৰণ জীৱন যাপন কৰোঁতেই প্ৰতিমাহে EMI, বিভিন্ন দান-বৰঙনি, আৰু ঘৰুৱা খৰচবোৰে কেনেকৈ শেষৰফালে ধাৰ কৰিবলগীয়া অৱস্থা এতিয়াও সৃষ্টি কৰে। খেৰৰ জুপুৰিৰ পৰা লোন লৈ কোনোমতে পকী ঘৰলৈ অহা এজন ব্যক্তিৰ পক্ষে, বিয়াৰ নামত ইমান হাত উজান দি খৰচ কৰাৰ বাবে সাহস বা কলিজা দুয়োটাই নাথাকে।

আমি পাহৰিব নালাগিব যে আমাৰ মা-দেউতাহঁতৰ দিনৰ অনাড়ম্বৰ বিয়াবোৰো সুন্দৰভাৱে চলিছিল। সেইবোৰ আছিল প্ৰকৃত মিলন আৰু আত্মীয়তাৰ উৎসৱ, য'ত হৃদয়ৰ উষ্মতা আছিল, টকাৰ পয়োভৰ নহয়। সাধ্যৰ বাহিৰত গৈ বিৰাট কিবাকিবি কৰি জীৱনটোৰ কাৰণে নতুনকৈ ধাৰ এসোপাত পোঁত যোৱাটো কোনোমতেই বিচক্ষণতাৰ পৰিচায়ক নহয়। বিয়াৰ সাধাৰণ পৰম্পৰাখিনি পালন কৰি, সাধ্য অনুসৰি সৰলতাৰে আৰু সাংস্কৃতিক সন্ধিয়াৰ আয়োজন নকৰাকৈও এখন বিয়া সফলতাৰে অনুষ্ঠিত কৰিব পাৰি।

এইটো উপলব্ধি কৰাৰ সময় আহিছে যে ব্যক্তিগত স্বাচ্ছন্দ্য, আৰ্থিক নিৰাপত্তা, আৰু ভৱিষ্যতৰ সুৰক্ষা - সাময়িক সামাজিক প্ৰদৰ্শন বা তথাকথিত ট্ৰেণ্ডতকৈ বহু বেছি মূল্যবান। অভাৱৰ জুয়ে শৈশৱ দহা প্ৰতিগৰাকী ব্যক্তিৰেই এয়া এক আন্তৰিক অনুভৱ। আমাৰ সমাজত বিয়াৰ নামত অপব্যয় কৰাৰ এই তথাকথিত ট্ৰেণ্ডটোৰ পৰা আঁতৰি আহি, আমি এক সুস্থিৰ আৰু দায়িত্বশীল উদাহৰণ দাঙি ধৰিব লাগিব, য'ত সুখ আৰু মিলনক, বিলাসিতাই গ্ৰাস কৰিব নোৱাৰে।

মাদ্ৰাছা শিক্ষক আৰু কণকণ ছাত্ৰৰ ম'বাইলে ম'বাইলে অশ্লীল ভিডিঅ' উদ্ধাৰ

# লাহৰীঘাটৰ মাদ্ৰাছাত কণকণ শিশুক যৌনতাৰ শিক্ষা

## টেঙাগুৰীৰ অবৈধ মাদ্ৰাছাত আৰক্ষীৰ অভিযান

**অসম বাৰ্তা, ভূৰাগাঁও, ১৭ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট থানাৰ অন্তৰ্গত টেঙাগুৰী জুগুনী বিল স্থিত এখন অবৈধ মাদ্ৰাছাত বুধ বাৰে নিশা লাহৰীঘাট আৰক্ষীয়ে অভিযান চলাই লাভ কৰিছে ভয়ংকৰ তথ্য। আজিৰ পৰা কেইমাহমানৰ আগত অঞ্চলটোত জহুৰ আলী নামৰ এজন অসামাজিক লোকে স্থাপন কৰা মাদ্ৰাছাখনত ভূৰাগাঁৱৰ বালিডোংগাৰ ছাইফুল ইছলাম নামৰ মৌলবি জনে ধৰ্মীয় শিক্ষাৰ নামত প্ৰদান কৰি আহিছিল যৌনতাৰ শিক্ষা। বুধবাৰে নিশা গোপন খবৰৰ ভিত্তিত লাহৰীঘাট সমজিলাৰ আৰক্ষী অধীক্ষক দিগন্ত বৰুৱাৰ নেতৃত্বত Sets আৰক্ষীৰ দলে অভিযান চলোৱাত পোহৰলৈ আহে এই ভয়ংকৰ তথ্য। লাহৰীঘাট সম জিলাৰ আৰক্ষী অধীক্ষক দিগন্ত বৰুৱাই সংবাদ মাধ্যমৰ আগত জনোৱা মতে অভিযান কালত ধৃত মাদ্ৰাছা শিক্ষক ছাইফুল ইছলামৰ মবাইলৰ ভিডিঅ সমূহ পৰ্য্যবেক্ষণ কৰাত বহু অশ্লীল ভিডিঅ লাভ কৰে আৰক্ষীয়ে। একেধৰণে একাংশ ছাত্ৰৰ পৰা উদ্ধাৰ কৰা মবাইলতো আৰক্ষীয়ে একেধৰণৰ ভিডিঅ' লাভ কৰে। নিজকে মুফটি বুলি দাবী কৰা মাদ্ৰাছা শিক্ষক ছাইফুল ইছলামে মাদ্ৰাছাখনত ছাত্ৰ সকলক ধৰ্মীয় শিক্ষাৰ লগতে সাধাৰণ শিক্ষা প্ৰদান কৰা হয় বুলি দাবী কৰে যদিও তেওঁৰ মোবাইলতে তেনে অশ্লীল ভিডিঅ' উদ্ধাৰৰ পাছত স্থানীয় লোক সকল জাঙোৰ খাই উঠে আৰু মাদ্ৰাছাখন উচ্ছেদ কৰিবৰ বাবে দাবী জনাই। উল্লেখ্য যে নিশা আৰক্ষীৰ দলটো মাদ্ৰাছা চৌহদত উপস্থিত হোৱা মাত্ৰকে মাদ্ৰাছা শিক্ষক ছাইফুল ইছলামৰ নিৰ্দেশত কণকণ ছাত্ৰ সকলে মাদ্ৰাছা এৰি ছত্ৰভংগ দিয়ে। স্থানীয় ৰাইজৰ সহযোগত নিশাই ১৫ টি কণকণ শিশুক মাদ্ৰাছাৰ পৰা ওলাই যোৱাৰ পাছত আৰক্ষীয়ে উদ্ধাৰ কৰে। ইফালে আজি আন এটি পলাতক শিশুক আৰক্ষীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। আৰক্ষীয়ে উদ্ধাৰ কৰা মাদ্ৰাছাৰ ছাত্ৰ ৰূপী শিশু সকলক আজি আৰক্ষীয়ে চাইল্ড লাইনত চমজি দিয়ে। ধৃত মাদ্ৰাছা শিক্ষক ছাইফুল ইছলামৰ পৰা জানিব পৰা মতে তেওঁ নিজে তাত শিশু সকলক ধৰ্মীয় শিক্ষা প্ৰদান কৰিছিল আৰু চুলেমান আলী নামৰ লোক জনে সাধাৰণ শিক্ষা প্ৰদান কৰিছিল। মাদ্ৰাছাখনত কিমান ছাত্ৰৰ সংখ্যা কিমান আছিল আৰু ছাত্ৰ সকল কৰ কৰ আছিল বুলি সাংবাদিকে ধৃত ছাইফুলক সোধাত তেওঁ কয় যে - মাদ্ৰাছা খনত ২৫জন ছাত্ৰ আছিল আৰু এই ছাত্ৰ সকলক মৰিগাঁও, নগাঁও, জুৰিয়া, দৰং, বালিডোংগা, লাহৰীঘাটৰ গৰম বজাৰ আদি স্থানৰ পৰা শিক্ষা গ্ৰহণৰ বাবে ৰখা হৈছিল বুলি প্ৰকাশ কৰে। ইফালে মাদ্ৰাছা খনত প্ৰকৃততে কি শিক্ষা দিয়া হৈছিল সেয়া জানেনে বুলি সাংবাদিকে একাংশ নিৰক্ষৰ অভিভাৱকক সোধাত তেওঁলোকে একেমুখে কয় যে - মাদ্ৰাছাত ধৰ্মীয় শিক্ষা দিয়া হ'ব বুলি কৈয়ে মাদ্ৰাছা কৰ্তিপক্ষই তেওঁলোকৰ সন্তানক বিছাৰি আনিছিল। উল্লেখ্য যে মাদ্ৰাছা চলোৱাৰ নামত যিটো গৃহত অতি দৰিদ্ৰ কণ কণ শিশু সকলক ৰখা হৈছিল তাৰ পৰিবেশ অত্যন্ত লেতেৰা অস্বাস্থ্যকৰ। এই ঠাওাতো শিশু সকলক কেচা মজিয়াত সাধাৰণ কাৰ্পেড এখনৰ ওপৰত শুবলৈ দিয়া হৈছিল। স্থানীয় লোকে কৰা অভিযোগ মতে জহুৰ আলী নামৰ মাদ্ৰাছাৰ মাটিৰ গৰাকীজন এজন অসামাজিক বিতৰ্কিত লোক। সদায় সমাজৰ পৰা একাষৰীয়া হৈ থাকি বিভিন্ন অসামাজিক কামত লিপ্ত হৈ বহুবাৰ আৰক্ষীৰ জালত পৰিছিল মাদ্ৰাছাৰ মাটিৰ মালিকৰ গৰাকী জহুৰ আলী। একাংশ স্থানীয় লোকে সংবাদ মাধ্যমৰ আগত অভিযোগ কৰে যে এই শিশু সকলৰ দৰিদ্ৰতাৰ সুযোগ গ্ৰহণ কৰি ১০-১২ বছৰতে এনে অশ্লীল যৌন শিক্ষা দি শিশু সকলৰ বিকৃত মানসিকতা গঢ়ি তোলাৰ চেষ্টাও কৰিব পাৰে এই চক্ৰ টোৱে। এনে মানসিকতা সৃষ্টি কৰি ভৱিষ্যতৰ দিনত এই সকলৰ সহায়তে ভয়ংকৰ দেশ বিৰুধী কাম কৰাৰো কৌশল ৰচনা কৰিব পাৰে বুলি সন্দেহ ব্যক্ত কৰে স্থানীয় সচেতন লোকে। অঞ্চলটোৰ শিক্ষিত যুৱক তজিমুল হুছেইনে কয়- এয়া মাদ্ৰাছা নহয়। যৌনতাৰ শিক্ষা দি কণকণ ছাত্ৰ সকলক আকৃষ্ট কৰি জেহাদীৰ শিক্ষা প্ৰদান কৰাৰো অভিপ্ৰায় কৰিব পাৰে মাদ্ৰাছা শিক্ষক ৰূপী ভণ্ড মুফটি ছাইফুল ইছলামে। গতিকে ছাইফুল ইছলামৰ সন্দৰ্ভত আৰক্ষীয়ে উচিত তদন্ত কৰিব লাগে। তেওঁ কয় ছাইফুল ইছলামে নিজকে মুফটি মৌলবী বুলি দাবী কৰি মাদ্ৰাছাত ধৰ্মীয় শিক্ষা দিয়া বুলি কৈছে যদিও মাদ্ৰাছা শিক্ষক ৰূপী ভণ্ড মুফটি ছাইফুলৰ মবাইলত কোৰান পাঠৰ দৰে ভিডিঅ'ৰ বিপৰীতে অশ্লীল ভিডিঅ' হে পোৱা গৈছে। বিভিন্ন সময়ত এনে দৰিদ্ৰ শিশু সকলক লৈ একাংশ লোকে হেতালি খেলি গোটেই জাতি টোক সমাজৰ চকুত হেয় প্ৰতিপন্ন কৰি আহিছে। এনেদৰে স্থানীয় লোক সকলে বিভিন্ন প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। সম্প্ৰতি লাহৰীঘাট আৰক্ষীয়ে ছাইফুল ইছলামক সোধপোছ অব্যাহত ৰখাৰ লগতে মাদ্ৰাছাৰ মাটিৰ মালিক আৰু আন আন শিক্ষকক বিছাৰি অভিযান অব্যাহত ৰাখিছে।

# আমগুৰিত চাওলুং চ্যুকাফাৰ প্ৰতিমূৰ্তিৰ আধাৰশিলা স্থাপন

**অসম বাৰ্তা, আমগুৰি, ১৮ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰিত তাই আহোম উন্নয়ন পৰিষদৰ দ্বাৰা আবণ্টিত পুঁজিৰে, আমগুৰি কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱ উদ্‌যাপন সমিতিৰ উদ্যোগত আৰু আমগুৰি পৌৰসভাৰ সহযোগত স্থাপন লগাবৰ অসম গঢ়োতা চাওলুং চ্যুকাফাৰ প্ৰতিমূৰ্তিৰ আজি আনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপন কৰা হয়। জাঁজী-আমগুৰি সংযোগী ২ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত আমগুৰি নগৰৰ মাজমজিয়াত অৱস্থিত বৰপুখুৰীৰ সোঁ মাজত স্থাপন হ'ব লগা এই প্ৰতিমূৰ্তিৰ আধাৰশিলা মাংগলিক পূজা-অৰ্চনাৰ মাজেৰে স্থাপন কৰে তাই আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ূৰ বৰগোহাঁইয়ে। এই উপলক্ষে আমগুৰি নগৰৰ শিশু উদ্যানত তাই আহোম জনগোষ্ঠীৰ মহিলা শিল্পীয়ে পৰিবেশন কৰা 'আই চেং লাউ'ৰে শুভাৰম্ভ হোৱা সভাত আদৰণি ভাষণ আগবঢ়াই প্ৰতিমূৰ্তি স্থাপন সমিতিৰ সভাপতি তথা বিশিষ্ট সমাজকৰ্মী দিগন্ত বৰুৱাই। মুখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰি ময়ূৰ বৰগোহাঁইয়ে ভাষণত স্বৰ্গদেউ চ্যুকাফাৰ বীৰত্ব আৰু মহানুভৱতাক স্মৰণ কৰাৰ লগতে বীৰপুৰুষজনাৰ আদৰ্শৰে নতুন প্ৰজন্মই উদ্বুদ্ধ হৈ সমাজ গঠনত ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। তাই আহোম উন্নয়ন পৰিষদৰ সদস্য বসন্ত গগৈ আৰু মহেন্দ্ৰ দিহিঙীয়াই ও অনুষ্ঠানত বিশিষ্ট অতিথি ৰূপে সভাত উপস্থিত থাকি ভাষণ প্ৰসংগত অসমৰ চহকী বুৰঞ্জীক ৰোমন্থন কৰে। সাংস্কৃতিক কৰ্মী জ্ঞান বৰুৱাই আঁত ধৰা এই সভাত শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগেশ কিশোৰ ফুকন, তাই আহোম উন্নয়ন পৰিষদৰ সদস্য ৰাজেন গগৈ আৰু নৃপেন গগৈ, আমগুৰি পৌৰসভাৰ কাৰ্যবাহী বিষয়া তৃষ্ণা মিলি আৰু পৌৰপতি অনামিকা নেওগ বৈশ্যই বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰে। অধ্যাপক প্ৰাঞ্জল প্ৰতিম বড়াই শলাগৰ শৰাই আগবঢ়োৱা এই সভাতেই সীমান্ত মহন্ত আৰু প্ৰীতম গগৈৰ সহযোগত মাইনু কলিতাই বৰগীত পৰিবেশন কৰাৰ লগতে অনুষ্ঠানৰ লগত সংগতি ৰাখি হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ জনোৱা হয়। অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰমোদ শইকীয়াই প্ৰাণৰ শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বালন কৰে। উল্লেখযোগ্য, অত্যাধুনিক কাৰুকাৰ্যৰে এই প্ৰতিমূৰ্তি নিমাৰ্ণৰ বাবে প্ৰয়োজনীয় পুঁজি আগবঢ়াইছে তাই আহোম উন্নয়ন পৰিষদে।



### আটকধুনীয়া হৈ উঠিছে বহু বনভোজস্থল

# নৱবৰ্ষৰ আগমুহূৰ্তত উথপ্‌থপ অভয়াপুৰী সমজিলা




**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ১৮ ডিচেম্বৰ ঃ** নৱবৰ্ষলৈ আৰু কেইটামান দিন বাকী থকা অৱস্থাত আকৰ্ষণীয় হৈ পৰিছে বঙাইগাঁও জিলাৰ অভয়াপুৰী সমজিলাৰ অন্তৰ্গত কেবাটাও বনভোজস্থলী। প্ৰতি বছৰৰ দৰে এইবেলিও সমাগত নৱবৰ্ষৰ আগে আগে নিজম পৰি থকা স্থানসমূহ হঠাতে প্ৰাণ পাই উঠা পৰিলক্ষিত হৈছে। ইতিমধ্যে বিভিন্ন স্থানৰ পৰা বনভোজকাৰী দল যোগীঘোপাৰ দুগ্ধনাথ পাহাৰ, সোণাখুলি, বামুণগাঁও পাহাৰ, কয়া-কুজিয়া বিল উন্নয়ন প্ৰকল্প, উজান ৰাভাপাৰা আদি কেবাটাও স্থানলৈ আহিবলৈ লৈছে। উল্লেখ্য যে, অভয়াপুৰীৰ পৰা দুই কিলোমিটাৰ উত্তৰ দিশত অৱস্থিত বামুণগাঁও পাহাৰ এক মনোৰম বনভোজথলী। ইপিনে কুলুকুলুকৈ বৈ অহা নিজৰাৰ ছন্দময় গতি বিহংগৰ কলৰৱেৰে অনবৰতে সৃজনগ্ৰামৰ সোণাখুলি পাহাৰৰ সেউজীয়াই হাত বাউল দি মাতে বহুতকে। সেইদৰে সোণালী বান্দৰৰ ৰম্যভূমি কাকৈজানা পাহাৰৰ পাদদেশত অৱস্থিত উজান ৰাভাপাৰাৰ বনভোজস্থলীলৈও বহুলোকৰ সমাগম ঘটিছে। আই ঝৰা, ডুমুনী ঝৰা, কাকৈ ঝৰাকে ধৰি কেবাটাও নিজৰাৰ সমন্বয়থলী উজান ৰাভাপাৰা বনভোজথলীলৈও বিভিন্ন জিলাৰ আগমন ঘটিছে বহু দলৰ। আনপিনে অভয়াপুৰীৰ নিকটবৰ্ত্তী মোৱামাৰীৰ কয়া-কুঁজিয়া বিললৈ বিগত দিনৰ পৰা বনভোজকাৰী দলৰ আগমন হৈছে। আত্মীয়-স্বজন, বন্ধু-বান্ধৱৰ সৈতে এসাজ খাই কয়া-কুঁজিয়াৰ নান্দনিক সৌন্দৰ্যৰ মাজত ডুব যোৱাৰ বাবে ঢাপলি মেলিবলৈ লৈছে উক্ত স্থানলৈ। নৌকা বিহাৰ, বিভিন্ন প্ৰজাতিৰ চৰাই-চিৰিকতি দৰ্শনৰ সুবিধা থকা কয়া-কুঁজিয়া বিল কৰ্তৃপক্ষই ইতিমধ্যে কয়া-কুঁজিয়া বিলৰ পাৰে-পাৰে ৰং-বিৰঙৰ ফুল ৰোপণ কৰি বনভোজকাৰীসকলক আকৰ্ষণ কৰাৰ চেষ্টা অব্যাহত ৰাখিছে। উল্লেখ্য যে, কয়া-কুঁজিয়াৰ কাষতে ভাৰত চৰকাৰৰ দ্বাৰা পৰিচালিত নাৰিকল উদ্যান। হাজাৰ-হাজাৰ নাৰিকল গছেৰে অঞ্চলটোকে সেউজীয়া কৰি নাৰিকল উদ্যান প্ৰত্যক্ষ কৰিও বনভোজকাৰী দল আপ্লুত হৈ আহিছে। আনপিনে বিলখনৰ নিকটতে অৱস্থিত শৈল ভাস্কৰ্যৰ নান্দনিক পৰিচায়ক শ্ৰীশ্ৰী গণেশমন্দিৰ। কয়া-কুঁজিয়ালৈ আগমন হোৱা বনভোজকাৰীসকলে দশম-একাদশ শতিকাৰ বুলি বিশেষজ্ঞসকলে ঠাৱৰ কৰা গণেশ মন্দিৰৰ শৈল ভাস্কৰ্য আৰু পৰিবেশৰ অনাবিল সৌন্দৰ্য প্ৰত্যক্ষ কৰি নৱবৰ্ষৰ আগমুহূৰ্তত সিদ্ধিদাতা গণেশলৈ প্ৰণিপাত জনাবলৈ উপস্থিত হোৱাত মন্দিৰ চৌহদ ভীৰ হোৱা পৰিলক্ষিত হয়। তদুপৰি অভয়াপুৰীৰ পাশ্বৰৱৰ্তী তামৰঙা বিল, খোৰাগাঁৱৰ আঢ়ৈশ বছৰীয়া "দ্যা বিগ বণিয়ান ট্ৰি" (ৰাজ্যখনৰ ভিতৰত ডাঙৰ), নিগমঘোলাতো বহু বনভোজকাৰী দলৰ আগমন হোৱা পৰিলক্ষিত হৈছে। তেনেদৰে যোগীঘোপাৰ কেবাখনো সেউজ পাহাৰেৰে পৰিবেষ্টিত আৰু নান্দনিক শোভাকাৰী ব্ৰহ্মপুত্ৰ নৈৰ পাৰতে থকা দুগ্ধনাথ পাহাৰৰ নৈসৰ্গিক পৰিৱেশে হাত বাউল দি মাতিছে বনভোজকাৰীক।

# বৰহাপজানৰ কেশৱ বাহেতী সূৰ্যোদয় শিশুগৃহত পৰমানন্দ জাতীয় বিদ্যালয়ৰ সা-সামগ্ৰী প্ৰদান

**ষ্টাফ ৰিপ'টাৰ, ডুমডুমা, ১৮ ডিচেম্বৰ ঃ** তিনিচুকীয়া চহৰৰ বৰগুৰি কৰ্ট তিনিআলিস্থিত মাতৃভাষা মাধ্যমৰ অগ্ৰণী শিক্ষানুষ্ঠান পৰমানন্দ জাতীয় বিদ্যালয় কৰ্তৃপক্ষ, শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ এটি দলে আজি ইয়াৰ নিলগৰ বৰহাপজান গঙ্গাবাৰীস্থ কেশৱ বাহেতী সূৰ্যোদয় শিশুগৃহত উপস্থিত হৈ শিশুগৃহটিৰ শিশুসকলৰ লগত এক অনুষ্ঠানত মিলিত হয়। বিদ্যালয়খনিৰ নামাংকৃত ব্যক্তি প্ৰয়াত পৰমানন্দ শৰ্মাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি "কেশৱ বাহেতী সূৰ্যোদয় শিশুগৃহলৈ সহমৰ্মিতা প্ৰকাশৰ বাবে পৰমানন্দ জাতীয় বিদ্যালয়" শীৰ্ষক কাৰ্যসূচীত বিদ্যালয়খনৰ সঞ্চালক মানস প্ৰতিম শৰ্মাৰ লগতে অধ্যক্ষ ববিতা শৰ্মা, কেইবাগৰাকী শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে শিশুগৃহৰ সম্পাদক অখিল চন্দ্ৰ বৰুৱাই শিশুগৃহটিৰ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক ব্যাখ্যা কৰে। অনুষ্ঠানত উপস্থিত আটাইকে শিশুগৃহৰ তৰফৰ পৰা অংগবস্ত্ৰৰে আদৰণি জনোৱা হয়। অনুষ্ঠানত তিনিচুকীয়াৰ জ্যেষ্ঠ সাংবাদিক ৰূপম কাকতিয়ে নিজৰ বক্তব্যত অতি সুন্দৰ কৈ পৰিচালিত হোৱাত শিশুগৃহটিৰ শলাগ লোৱাৰ লগতে কৰ্মচাৰীসকলক ধন্যবাদ জ্ঞাপন কৰে। ডুমডুমাৰ জ্যেষ্ঠ সাংবাদিক ৰাজীৱ বৰাই শিশুগৃহটিৰ এগৰাকী শুভচিন্তক হিচাপে শিশুগৃহটি সুন্দৰকৈ চলাই নিয়া বাবে শিশুগৃহৰ কৰ্তৃপক্ষৰ লগতে সম্পাদক অখিল চন্দ্ৰ বৰুৱাৰ প্ৰচেষ্টাৰ শলাগ লয়। অনুষ্ঠানতে বিদ্যালয়ৰ সঞ্চালক মানস প্ৰতিম শৰ্মাই তেওঁৰ প্ৰয়াত পিতৃৰ শতবাৰ্ষিকী উপলক্ষে বিদ্যালয়ৰ তৰফৰ পৰা শিশুগৃহটিলৈ খাদ্য সামগ্ৰীসহ কিছু ক্ৰীড়াৰ সামগ্ৰী প্ৰদান কৰে। অনুষ্ঠানত বিদ্যালয় কৰ্তৃপক্ষই শিশুগৃহৰ সম্পাদক অখিল চন্দ্ৰ বৰুৱা আৰু পৰিচালিকা গৰিমা দত্তক একোখনকৈ গামোচাৰে সম্বৰ্দ্ধনা জনায়।

‘কেন্দ্ৰই অসমক মাহী আইৰ দৃষ্টিৰে চোৱা'ৰ দীৰ্ঘদিনীয়া বান্ধাৰাক সলনি কৰি পেলালে নৰেন্দ্ৰ মোদীয়ে ৰাজ্যিক বিজেপি

# প্ৰধানমন্ত্ৰীৰ অসম আগমন মানেই উন্নয়নৰ নতুন বাৰ্তা

**ষ্টাফ ৰিপ'টাৰ, বাইহাটা চাৰিআলি, ১৮ ডিচেম্বৰ ঃ**"সৰ্বাংগীণ উন্নয়নৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে অসমৰ বাবে নিত্য নতুন ইতিবাচক খবৰ কঢ়িয়াই আনিছে। সকলো দিশতে এতিয়া উন্নয়নৰ জয়ধ্বজা উৰিছে। আন্তঃগাঁথনিৰ উন্নয়নৰ লগতে সাধাৰণ জনতাৰ জীৱন-জীৱিকাৰ লগত সম্পৰ্কিত সকলো বিষয়তে এই চৰকাৰখনে ঐকান্তিকতাৰে কাম কৰিছে। দৰিদ্ৰতা নিৰ্মূলকৰণ, নাগৰিকৰ জীৱন ধাৰণৰ মান উন্নীতকৰণৰ কাৰণে বিজেপি চৰকাৰখনে বহুবোৰ কাৰ্যকৰী আঁচনি তৈয়াৰ আৰু ইয়াৰ সফল ৰূপায়ণ কৰিছে। যোৱা প্ৰায় ৯টা বছৰত ৰাজ্যখনৰ আন্তঃগাঁথনিৰ চমকপ্ৰদ উন্নয়ন হৈছে। ৰাজ্যবাসীৰ উন্নয়নৰ সপোনক বাস্তৱায়িত কৰিবলৈ দিনে-নিশাই অপৰিসীম কষ্ট কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ড° শৰ্মাৰ বিৰামহীন এই উন্নয়নী যাত্ৰাৰ প্ৰধান মাৰ্গদৰ্শকগৰাকীয়েই হৈছে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। উত্তৰ-পূৱক দেশৰ উন্নয়নৰ মানচিত্ৰত উজ্জ্বলতৰ ৰূপত জিলিকাই তুলিছে প্ৰধানমন্ত্ৰী মোদী নেতৃত্বাধীন এন ডি এ চৰকাৰে। সেই গৰাকী প্ৰধানমন্ত্ৰী মোদীয়েই উন্নয়নৰ নতুন বাৰ্তা লৈ পুনৰবাৰ অসমলৈ আহিব। অহা ২০ আৰু ২১ ডিচেম্বৰত পুনৰবাৰ অসমলৈ আহিবলৈ সাজু হোৱা দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আদৰণি জনাইছে অসম প্ৰদেশ বিজেপিয়ে।" আজি ৰাজ্যিক কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনৰ পৰা প্ৰেৰণ কৰা এক বিবৃতিত দলৰ মুখপাত্ৰ কমল কুমাৰ মেধিয়ে প্ৰধানমন্ত্ৰীগৰাকীক পুনৰবাৰ অসমভূমিলৈ উষ্ম আদৰণি জনাই সদৰী কৰে যে, ইতিমধ্যে প্ৰধানমন্ত্ৰীগৰাকীৰ দুয়োটা দিনৰ কাৰ্যসূচী সফল কৰি তুলিবলৈ চৰকাৰখনৰ লগতে প্ৰদেশ বিজেপিও সাজু হৈ উঠিছে। উল্লেখ্য যে, নিৰ্ধাৰিত চৰকাৰী কাৰ্যসূচীৰ উপৰিও প্ৰধানমন্ত্ৰীগৰাকীয়ে অহা ২০ ডিচেম্বৰৰ সন্ধিয়া দলৰ মুখ্য কাৰ্যালয়তো পদাৰ্পন কৰিব। সেই দিনা তেখেতে দলীয় সাংগঠনিক কাৰ্যসূচীতো অংশগ্ৰহণ কৰিব। বিবৃতিটোত মুখপাত্ৰ শ্ৰীমেধিয়ে আৰু কয় যে, ‘কেন্দ্ৰই অসমক মাহী আইৰ দৃষ্টিৰে চোৱা' বুলি যুগ যুগধৰি চলি অহা বদ্ধমূল ধাৰণাক এইগৰাকী প্ৰধানমন্ত্ৰী মোদীয়ে ভুল প্ৰমাণিত কৰিছে। পুৰণি সেই বান্ধাৰাক নস্যাৎ কৰি অসম তথা উত্তৰ-পূৱক সৰ্বাধিক গুৰুত্ব প্ৰদান কৰি আহিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। তেখেতে দেশৰ প্ৰধানমন্ত্ৰী হিচাপে দায়িত্ব লোৱাৰ পিছত এতিয়ালৈকে ৪০ বাৰৰো অধিক অসম ভ্ৰমণ কৰিছে। এয়া ৰাজ্যখনৰ বাবে সঁচাকৈয়ে অভূতপূৰ্ব ৰাজনৈতিক পৰিঘটনা। উল্লেখ্য যে, প্ৰধানমন্ত্ৰীগৰাকীৰ অসম ভ্ৰমণ সম্পৰ্কত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিস্তাৰিতভাৱে সংবাদ মাধ্যমক অৱগত কৰাইছে। সেই অনুসৰি বহুত দিনৰ ইচ্ছাক বাস্তৱায়িত কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে লুইতৰ বুকুত অলপ সময় কটাব। সেই সময়খিনিতে অসমৰ ২৫ গৰাকী ছাত্ৰ-ছাত্ৰীৰ সৈতে পৰীক্ষা সম্পৰ্কীয় চৰ্চা কৰিব। ইয়ে ব্ৰহ্মপুত্ৰখনক ভৱিষ্যতলৈ পৰ্যটনৰ আকৰ্ষণীয় স্থলত পৰিণত কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰিছে। ইয়াৰ উপৰিও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেখেতৰ দুদিনীয়া ভ্ৰমণসূচীত গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰত নৱ নিৰ্মিত টাৰ্মিনেলটি উদ্বোধন, অসম আন্দোলনৰ জাতীয় ছহিদ সকলৰ প্ৰতি শ্ৰদ্ধা, গোপীনাথ বৰদলৈৰ প্ৰতি শ্ৰদ্ধা আৰু অসমৰ ৰাইজৰ আশা-আকাংখ্যা প্ৰতি নামৰূপ সাৰ কাৰখানাৰ কামৰ শুভ উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণ অসম আৰু অসমবাসীৰ বাবে অত্যন্ত তাৎপৰ্যপূৰ্ণ বুলিও বিবৃতিটোত ৰাজ্যিক বিজেপিয়ে উল্লেখ কৰিছে।

# মাজুলীৰ শালমৰা উচ্চ মাধ্যমিক বিদ্যালয়ত তিনিগৰাকী শিক্ষকৰ বিদায় সম্বৰ্ধনা সভা সম্পন্ন



**অসম বাৰ্তা, উজনী মাজুলী, ১৮ ডিচেম্বৰ ঃ** মাজুলী জিলা শিক্ষা চক্ৰৰ অন্তৰ্গত শালমৰা উচ্চ মাধ্যমিক বিদ্যালয়ত আজি বিদ্যালয়ৰখনৰ সদ্য অৱসৰ গ্ৰহণ কৰা তিনি গৰাকী নমস্য শিক্ষা গুৰু ক্ৰমে শ কৌশল্যা বায়ন হাজৰিকা, প্ৰতিভা তামোলী আৰু কুমুদ শইকীয়াক অতি জাকজমকতাৰে বিদ্যালয়ৰ লগতে, মাতৃগোট আৰু শালমাৰা বিভিন্ন সংগঠন, ৰাইজৰ লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা শুভাশিস বিদায় সম্বৰ্দ্ধনা জনোৱা হয়। বিদ্যালয়ৰ শিক্ষক যুগল কলিতা আৰু ৰঞ্জন শইকীয়াই আঁত ধৰা সভাখনত সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি হৰেন্দ্ৰ নাথ বৰাই। সভাখনত উদ্বোধন কৰে বিদ্যালয়ৰ প্ৰাক্তন সহকাৰী শিক্ষক দিলীপ শইকীয়াই। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি তত্ত্বগধুৰ ভাষণ প্ৰদান কৰে মাজুলী জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শিকা লিপিকা বুঢ়াগোহাঁইয়ে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ব্যক্তব্য মাজুলীৰ বিশিষ্ট পৰিৱেশ কৰ্মী, আম্বেদকাৰ বঁটা প্ৰাপক, অৱসৰ প্ৰাপ্ত শিক্ষক অতুল হাজৰিকাই। উক্ত, সম্বৰ্ধনা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অসম মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ উপ-সভাপতি ৰাজীৱ দত্ত ভূঞা, মাজুলী জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি ত্ৰিদীপ হাজৰিকা আৰু অৱসৰপ্ৰাপ্ত গাঁও প্ৰধান অকণমান শইকীয়াই ব্যক্তব্য ৰাখে। সভাত প্ৰাক্তন প্ৰধান শিক্ষক চুৰেন হাজৰিকা, ৰুবী শইকীয়াৰ লগতে কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে বিদ্যালয় সমূহৰ পৰিদৰ্শক লিপিকা বুঢ়াগোঁহাইয়ে অভিভাৱক সকলৰ উপস্থিতি দেখি শলাগ লোৱাৰ লগতে তেওঁ বিদ্যালয়খন পৰিৰ্দশন কৰাৰ সময়ত ছাত্ৰ -ছাত্ৰী সকলৰ বিদ্যায়তনিক দিশত পাৰদৰ্শিতাৰ শলাগ লয়। বিদ্যালয় বৰ্তমানৰ অৱসৰী শিক্ষাগুৰু সকলকো এই সফলতাৰ বাবে ধন্যবাদ জনায়। এই ধাৰা অব্যাহত ৰাখিবলৈ পৰিৰ্দশক গৰাকীয়ে শিক্ষকসকলৰ লগতে নতুনকৈ যোগদান কৰা শিক্ষকসকলক আহ্বান জনায়। বিদ্যালয় খনৰ শিক্ষক লুহিত শইকীয়াই ২০২৫ বৰ্ষৰ কৃতী শিক্ষকৰ বঁটা লাভ কৰাৰ বাবে বিদ্যালয় কৰ্তৃপক্ষৰ লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয় শিক্ষক ৰঞ্জন শইকীয়াই। শেষত জাতীয় সংগীত পৰিৱেশনেৰে সভাৰ অন্ত পৰে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত শাখা গঠন

# সোণোৱাল কছাৰী সাহিত্য সভাৰ দণ্ডীধৰ ফটোৱালীক স্মৰণ



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৮ ডিচেম্বৰ ঃ** সোণোৱাল কছাৰী সাহিত্য সভাৰ উদ্যোগত আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সোণোৱাল কছাৰী অধ্যয়ন চক্ৰৰ সহযোগত জনজাতিটোৰ প্ৰথমগৰাকী সাহিত্যিক পেঞ্চনাৰ দণ্ডীধৰ ফাটোৱালী স্মৃতি দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে বিশ্ববিদ্যালয়ৰ বড়ো ভাষা অধ্যয়ন কেন্দ্ৰৰ সভাকক্ষত সভাৰ সভাপতি মোহন সোণোৱালৰ পৌৰোহিত্যত অনুষ্ঠিত অনুষ্ঠানৰ আৰম্ভণিতে চাৰিমুখীয়া চাকি প্ৰজ্বলন কৰে সোণোৱাল কছাৰী সাহিত্য সভাৰ উপদেষ্টা হেৰম্ব প্ৰসাদ দাসে। দণ্ডীধৰ ফাটোৱালীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাৰ্ঘ নিবেদনৰে কাৰ্যসূচী মুকলি কৰে সভাপতি মোহন সোণোৱালে। সভাৰ মুখ্য সম্পাদক মৃদুল সোণোৱালে আঁতধৰা স্মৃতিচাৰণ সভা আৰু পুস্তিকা উন্মোচন সভাত বিশেষ বক্তা হিচাপে উপস্থিত থাকি লেখিকা তথা সমাজকৰ্মী জ্যোৎস্না সোণোৱালে ভাষণ প্ৰসংগত দণ্ডীনাথ ফাটোৱালীৰ স'তে লাভ কৰা সান্নিধ্যৰ স্মৃতি সম্পৰ্কে আলোকপাত কৰি এই গৰাকী ব্যক্তিক সমাজজীৱনত জীয়াই ৰখাৰ বাবে জন্মস্থান ডাঙৰীত এটি প্ৰতিমূৰ্তি নিৰ্মাণৰ বাবে সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদক আহ্বান জনোৱাৰ লগতে সোণোৱাল কছাৰী সাহিত্য সভাৰ সভাপতি আৰু মুখ্য সম্পাদকক লৈ এটি ন্যাস পুঁজি গঠন কৰি তেওঁৰ স্মৃতিৰ স্বাৰ্থত কাম কৰিবৰ বাবেও তেওঁ ফাটোৱালীৰ পৰিয়ালবৰ্গ আৰু সাহিত্য সভাক আহ্বান জনায়। ইয়াৰোপৰি নতুন প্ৰজন্মক সাহিত্যৰ ক্ষেত্ৰত উৎসাহিত কৰাৰ বাবে সাহিত্য সভাৰ অধিৱেশনত দণ্ডীধৰ ফাটোৱালীৰ সোঁৱৰণত ‘নতুন প্ৰজন্ম'ৰ বাবে এক বঁটা প্ৰৱৰ্তনৰ বাবেও তেওঁ সভাক আহ্বান জনায়। অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট লেখক বিৰ্কে বি থাপাই প্ৰয়াত ফাটোৱালীৰ জীৱন-কৃতী আৰু সান্নিধ্য সম্পৰ্কে চমুকৈ আলোকপাত কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থকা সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালেও দেশৰ প্ৰাক-স্বৰাজ কালছোৱাত দণ্ডীধৰ ফাটোৱালীয়ে জনজাতিটোৰ বাবে যি অৱদান আগবঢ়াই গ'ল তাক শ্ৰদ্ধাৰে স্মৰণ কৰি নতুন প্ৰজন্মক তেওঁৰ আদৰ্শেৰে অনুপ্ৰাণিত হ'বলৈ আহ্বান জনায়। পৰিয়ালবৰ্গৰ অনুৰোধক্ৰমে দণ্ডীধৰ ফাটোৱালীৰ গ্ৰন্থসমূহ সভাই পুনৰপ্ৰকাশৰ ব্যৱস্থা কৰিব বুলিও সভাৰ সভাপতি মোহন সোণোৱালে ঘোষণা কৰে। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মাছ্‌কম বিভাগৰ সহযোগী অধ্যাপক ড° কান্তা কাবেৰী সোণোৱাল, সভাৰ পত্ৰিকা সম্পাদক কল্পজিৎ সোণোৱাল, বিশ্ববিদ্যালয় অধ্যয়ন চক্ৰৰ উপদেষ্টা বিমান সোণোৱালেও বক্তব্য আগবঢ়ায়। এই অনুষ্ঠানতেই এখনি পুস্তিকা উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰী অধ্যাপক ড° অৰ্পণা কোঁৱৰে। জোনটি সোণোৱালে শলাগ জ্ঞাপন কৰা অনুষ্ঠানত অনুষ্ঠানত দণ্ডীধৰ ফাটোৱালীৰ নাতি অদিত ফাটোৱালী আৰু নাতিনী গীতা ফাটোৱালী, সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সভাপতি দেৱানন্দ চেলেং, সম্পাদক পৰীক্ষিত সোণোৱাল, বিশ্ববিদ্যালয় অধ্যয়ন চক্ৰৰ সভাপতি পৰশমণি সোণোৱাল, সম্পাদক চিৰঞ্জীৱ বড়া, বিশ্ববিদ্যালয় সহযোগী অধ্যাপক ড° উদয়ন বড়া, বণালী সোণোৱাল, ‘সোণোৱাল বাৰ্তা'ৰ সম্পাদক ৰতন হাজৰিকাকে ধৰি আয়োজক সংগঠন দুটাৰ বিষয়ববীয়া আৰু সদস্য-সদস্যাসকল উপস্থিত থাকে। অনুষ্ঠানৰ পূৰ্বে অনুষ্ঠিত আন এক ৰাজহুৱা সভাত লিজা সোণোৱালক সভাপতি আৰু চিৰঞ্জীৱ বড়াক সম্পাদক হিচাপে লৈ সোণোৱাল কছাৰী সাহিত্য সভাৰ ডিব্ৰুগড় বিশ্ববিদ্যালয় শাখা সমিতিখন গঠন কৰা হয়।

# দেৰগাঁৱৰ জেলেহুৱা গাঁৱত বাঘৰ মুক্ত বিচৰণ

**অসম বাৰ্তা, দেৰগাঁও, ১৮ ডিচেম্বৰ ঃ** দেৰগাঁৱৰ বিভিন্ন স্থানত বাঘৰ আতংকই দেখা দি থকাৰ মাজতে আদি পুৱাৰ ভাগতে জেলেহুৱা গাঁৱৰ পথাৰত দেখা গ'ল নাহৰফুটুকীয়ে পোৱালিক লৈ খেলি থকা দুৰ্লভ দৃশ্য। জেলেহুৱা গাঁৱৰ ইটাখুলি হাবিৰ কাষতে থকা এখন পথাৰত স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰে দুটা পোৱালিসহ নাহৰফুটুকীৰ এই দৃশ্য। জনবসতিপূৰ্ণ কেইবাটাও পৰিয়ালৰ বাসগৃহৰ নিচেই সমীপতে ওলোৱা এই দৃশ্য চাবলৈ পুৱাতে এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয় গাঁওখনত। ম'বাইল কেমেৰাত আবদ্ধ হয় এই দুৰ্লভ দৃশ্য। ইতিমধ্যে দুদিন পূৰ্বে গাঁওখনৰ গাঁওপ্ৰধান সূৰ্য মোহন হাজৰিকাৰ এটি গৰু পোৱালিক এই স্থানতে আক্ৰমণ কৰে বাঘে। বাঘে আক্ৰমণ কৰা গৰু পোৱালিটো পাছত মৃত্যু হয়। আজি ঘটনাস্থলীত দেৰগাঁও বন বিভাগৰ লোক উপস্থিত হৈ বাঘৰ উপস্থিতি নিশ্চিত কৰি ৰাইজক সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনায়। পোৱালি থকাৰ বাবে পিঞ্জৰাবদ্ধ কৰিবলৈ কিছু অসুবিধা কথাও উল্লেখ কৰে উপস্থিত বন বিষয়াগৰাকীয়ে।

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীলৈ

প্ৰসাদত দেশখনৰ সৰ্বোচ্চ নাগৰিক সন্মান 'দ্য ফাৰ্ষ্ট ক্লাছ অৱ দ্য অৰ্ডাৰ অৱ ওমান' প্ৰদান কৰা হয়। ওমানৰ ছুলতান হেইথম বিন টাৰিকে নিজে এই সন্মান প্ৰদান কৰি ভাৰত-ওমান দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী মোডীৰ অৱদানৰ স্বীকৃতি প্ৰদান কৰে। এই সন্মান লাভ কৰি প্ৰধানমন্ত্ৰী মোডীয়ে কয় যে, এয়া ভাৰত আৰু ওমানৰ জনসাধাৰণৰ মাজৰ শতিকাজুৰি চলি অহা গভীৰ বন্ধুত্ব আৰু বিশ্বাসৰ প্ৰতীক। তেওঁ এই সন্মান দুয়োখন দেশৰ জনগণৰ নামত উৎসৰ্গা কৰে বুলি প্ৰকাশ কৰে। উল্লেখ্য যে, এই সন্মান পূৰ্বে কুইন এলিজাবেথ দ্বিতীয়, নেলছন মেণ্ডেলা, জাপানৰ সম্ৰাট আকিহিতো আৰু জৰ্ডানৰ ৰজা আব্দুল্লাহৰ দৰে বিশ্ব ব্যক্তিত্বই লাভ কৰিছিল। এইটোৰে প্ৰধানমন্ত্ৰী মোডীৰ বিদেশী সৰ্বোচ্চ নাগৰিক সন্মানৰ সংখ্যা ২৯লৈ বৃদ্ধি কৰিছে। প্ৰধানমন্ত্ৰী মোডীৰ এই দুদিনীয়া ওমান ভ্ৰমণৰ সময়ছোৱাতে দুয়োখন দেশৰ কূটনৈতিক সম্পৰ্কই ৭০ বৰ্ষ পূৰ্ণ কৰিছে। এই উপলক্ষে দুয়ো নেতাই বাণিজ্য, বিনিয়োগ, শক্তি, প্ৰতিৰক্ষা, সংস্কৃতি আৰু অন্যান্য ক্ষেত্ৰত কৌশলগত অংশীদাৰিত্ব গভীৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ভ্ৰমণৰ এক গুৰুত্বপূৰ্ণ ফলাফল হিচাপে ভাৰত আৰু ওমানে 'কম্প্ৰিহেনচিভ ইকনমিক পাৰ্টনাৰশ্বিপ এগ্ৰিমেণ্ট' (CEPA)ত স্বাক্ষৰ কৰে। এই ঐতিহাসিক চুক্তিত ভাৰতৰ বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযূষ গোয়েল আৰু ওমানৰ বাণিজ্য, উদ্যোগ আৰু বিনিয়োগ প্ৰসাৰ মন্ত্ৰী কায়েদ বিন ছালেম আল ইউছুফে প্ৰধানমন্ত্ৰী মোডী আৰু ছুলতান হেইথম বিন টাৰিকৰ উপস্থিতিত স্বাক্ষৰ কৰে। এই চুক্তিয়ে দুয়োখন দেশৰ মাজত বাণিজ্য বৃদ্ধি, শুল্ক হ্ৰাস আৰু নতুন খণ্ডসমূহত সহযোগিতাৰ নতুন দুৱাৰ মুকলি কৰিব বুলি আশা কৰা হৈছে। ৰাজপ্ৰসাদত অনুষ্ঠিত দ্বিপাক্ষিক বৈঠকত দুয়ো নেতাই পাৰস্পৰিক স্বাৰ্থ জড়িত বিষয়সমূহৰ লগতে আঞ্চলিক আৰু বিশ্বৰ সমস্যাসমূহৰ ওপৰতো মত বিনিময় কৰে। প্ৰধানমন্ত্ৰী মোডীয়ে ওমানক ভাৰতৰ গুৰুত্বপূৰ্ণ কৌশলগত অংশীদাৰ বুলি অভিহিত কৰি সেউজ শক্তি, ডিজিটেল প্ৰযুক্তি আৰু কৃষি খণ্ডত সহযোগিতা বৃদ্ধিৰ প্ৰতি আহ্বান জনায়। এই ভ্ৰমণে ভাৰতৰ মধ্যপ্ৰাচ্য নীতিৰ এক নতুন অধ্যায়ৰ সূচনা কৰিছে বুলি কূটনৈতিক মহলে মত পোষণ কৰিছে। ওমানত প্ৰায় ৭ লাখ ভাৰতীয় প্ৰবাসীৰ উপস্থিতিয়ে দুয়োখন দেশৰ মাজৰ জনসম্পৰ্কক আৰু গভীৰ কৰি তুলিছে। প্ৰধানমন্ত্ৰী মোডীৰ এই সফল ভ্ৰমণে দুয়োখন দেশৰ মাজত স্থায়ী বন্ধুত্ব আৰু সমৃদ্ধিৰ নতুন পথ মুকলি কৰিব বুলি বিশ্বাস কৰা হৈছে।

## ৰাইজৰ দলৰ কৰ্মীৰ

ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে সামাজিক মাধ্যমত চাৰ্জশ্বীটক লৈ কৰা তীব্ৰ সমালোচনাই সমগ্ৰ অসমতে মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অখিল গগৈয়ে চাৰ্জশ্বীটক 'ৰাজনৈতিকভাৱে প্ৰেৰিত' বুলি অভিহিত কৰি কয় যে, ইয়াত প্ৰমাণৰ অভাৱ আৰু গুৰুত্বপূৰ্ণ নামসমূহৰ অনুপস্থিতি দেখা গৈছে। তেওঁৰ এই মন্তব্যই একাংশই অভিযুক্তসকলক ৰক্ষা কৰিবলৈ চেষ্টা বুলি অভিযোগ উত্থাপন কৰিছে, আনহাতে আন একাংশই চাৰ্জশ্বীট নপঢ়াকৈয়ে মন্তব্য কৰা বুলি কটাক্ষ কৰিছে। এই পৰিপ্ৰেক্ষিতত ৰাইজৰ দলৰ একাংশ কৰ্মীয়ে সামাজিক মাধ্যমত জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গক আক্ৰমণৰ লক্ষ্য কৰি লৈছে। সামাজিক মাধ্যমত প্ৰচাৰিত অভিযোগ অনুসৰি, গৰিমা শইকীয়া গাৰ্গে আগন্তুক নিৰ্বাচনত বিজেপিৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে বুলি জল্পনা চলিছে। লগতে চাৰ্জশ্বীটত গৰিমা শইকীয়া গাৰ্গ, তাৰচেম মিট্টল আৰু শ্যামন্তক গৌতমৰ নাম অন্তৰ্ভুক্ত নোহোৱাৰ বিষয়টোক লৈ প্ৰশ্ন উত্থাপন কৰি ৰাইজৰ দলৰ কৰ্মীসকলে সমালোচনা কৰিছে। বিতৰ্ক আৰু গভীৰ হৈছে যেতিয়া ৰাইজৰ দলৰ একাংশ সমৰ্থকে 'জাষ্টিছ ফৰ জুবিন' অভিযানক জুবিন গাৰ্গৰ ছবি 'ৰৈ ৰৈ বিনালে'ৰ ব্যৱসায়িক প্ৰচাৰৰ কৌশল বুলি অভিযোগ উত্থাপন কৰিছে। তেওঁলোকৰ মতে, ছবিখনৰ উপাৰ্জন সন্তোষজনক হোৱাৰ পিছত প্ৰযোজক গোষ্ঠীয়ে চৰকাৰৰ পক্ষ ল'বলৈ আৰম্ভ কৰিছে। এনে অভিযোগে জুবিনৰ মৃত্যুৰ ন্যায় দাবীক ৰাজনৈতিক ৰং দিয়াৰ চেষ্টা বুলি বহুতে মত পোষণ কৰিছে। এই সকলো বিৰূপ আৰু অপমানজনক মন্তব্যৰ তীব্ৰ প্ৰতিবাদ কৰিছে জুবিন গাৰ্গৰ প্ৰকৃত অনুৰাগীসকলে। সামাজিক মাধ্যমত তেওঁলোকে ৰাইজৰ দলৰ কৰ্মীসকলক কঠোৰ ভাষাৰে সমালোচনা কৰি কয় যে, জুবিন গাৰ্গ কোনো ৰাজনৈতিক এজেণ্ডাৰ সামগ্ৰী নহয় আৰু তেওঁৰ ন্যায়ৰ দাবীক ৰাজনীতিৰে কলুষিত কৰা একেবাৰে অগ্ৰহণযোগ্য। তেওঁলোকে আহ্বান জনাইছে যে, জুবিনৰ স্মৃতি আৰু তেওঁৰ পৰিয়ালক সন্মান কৰি ন্যায়ৰ প্ৰক্ৰিয়াক নিৰপেক্ষভাৱে আগবঢ়াই নিয়া উচিত। এই বিতৰ্কই অসমৰ ৰাজনৈতিক মহলত নতুন উত্তেজনাৰ সৃষ্টি কৰিছে। চাৰ্জশ্বীট দাখিল হোৱাৰ পিছতো তদন্তৰ স্বচ্ছতা আৰু নিৰপেক্ষতাৰ প্ৰশ্ন উত্থাপিত হৈ থকাৰ মাজতে এনে আক্ৰমণাত্মক মন্তব্যই পৰিস্থিতি আৰু জটিল কৰি তুলিছে। জুবিনৰ অনুৰাগীসকলে আশা কৰিছে যে, আদালতে এই গোচৰত সঠিক ন্যায় প্ৰদান কৰিব আৰু ৰাজনীতিৰ পৰা মুক্ত হৈ সত্য উদঘাটিত হ'ব।

## 'অসম বাৰ্তা' গোষ্ঠীৰ মুখ্য

সভাপতি অচ্যুত কলিতা, সাধাৰণ সম্পাদক প্ৰাঞ্জল শৰ্মা, যুটীয়া সম্পাদক জয়ন্ত ডেকা, দ্বীপেন কলিতা, সহ সম্পাদক পংকজ কলিতাই জনোৱা মতে নিয়মীয়া বাৰ্তা কাকতৰ কাৰ্যবাহী সম্পাদক তথা বিশিষ্ট সাংবাদিক অমল দাসক সংবাদ জ্যোতি বঁটা, অসম বাৰ্তা গোষ্ঠীৰ মুখ্য পৰিচালন সঞ্চালক তথা যুৱ সাংবাদিক তনয় বৰাক যুৱ সাংবাদিকতা বটা, অনিল শৰ্মাক শিক্ষাব্ৰতী বঁটা, সনাতন মেধিক শিক্ষাব্ৰতী বঁটা, ৰুণু দেৱীক শিক্ষাব্ৰতী বঁটা, ৰবীন্দ্ৰ নাথ তালুকদাৰক সাহিত্যসেৱী বঁটা, কন্দৰ্প কুমাৰ দাসক কাব্য বঁটা, গোবিন্দ কলিতাক সাংস্কৃতিক সাধনা বঁটা, ৰেণু কুমাৰী পাঠকক শংকৰী সাংস্কৃতিক সাধনা বঁটা, প্ৰাক্তন বিধায়ক নাৰায়ণ ডেকাক সমাজসেৱক বঁটা, জয়শ্ৰী তালুকদাৰক সমাজসেৱী বঁটা, নিকি দেৱী জালানক সমাজসেৱী বঁটা, ধীৰাজ কলিতাক যুৱ সমাজকৰ্মী বঁটা, জোন কুমাৰ বৰ্মনক যুৱ সমাজকৰ্মী বঁটা, কৈলাস হালৈক সমাজকৰ্মী বঁটা আৰু মৃদুল আলীক সমাজকৰ্মী বঁটা প্ৰদান কৰা হ'ব। উল্লেখ্য যে উক্ত বঁটা সমূহ নলবাৰী জিলাৰ গোপালথান যজ্ঞমিস্থিত সেউজী সাহিত্য কানন'ৰ প্ৰেক্ষাগৃহত অহা ২১ ডিচেম্বৰত নলবাৰীৰ যজ্ঞভূমিত হ'ব লগা সাংবাদিক পৰিষদ, অসমৰ নলবাৰী জিলা সমিতিৰ বিশিষ অভিৱৰ্তন, আলোচনা চক্ৰ আৰু বঁটা প্ৰদান অনুষ্ঠানত দিয়া হ'ব।




## বড়ো চুক্তি ৰূপায়ণৰ

বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ আগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ইউপিপিএলৰ সাধাৰণ সম্পাদক ৰাজু কুমাৰ নাৰ্জাৰীয়ে জানিবলৈ দিয়ে যে, তেওঁলোকৰ মূল দাবী আছিল ২০২৫ চনৰ জানুৱাৰী মাহত স্বাক্ষৰিত ত্ৰিপক্ষীয় ঐতিহাসিক তৃতীয় বড়ো চুক্তিৰ সম্পূৰ্ণ আৰু শীঘ্ৰ ৰূপায়ণ। তেওঁ কয় যে, গৃহমন্ত্ৰীগৰাকীয়ে এই দাবীৰ প্ৰতি ইতিবাচক সঁহাৰি জনাইছে আৰু চুক্তিৰ ধাৰাসমূহৰ কাৰ্যকৰীকৰণৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ আশ্বাস দিছে। ৰাজু নাৰ্জাৰীয়ে স্পষ্ট কৰি দিয়ে যে, আজিৰ বৈঠকত বড়োসকলৰ জনজাতিকৰণৰ বিষয়টো লৈ কোনো আলোচনা হোৱা নাই। তেওঁ এই বিষয়টোক অতি স্পৰ্শকাতৰ বুলি অভিহিত কৰি কয় যে, ইউপিপিএলে বিচাৰে অসম চৰকাৰে এই ক্ষেত্ৰত সংশ্লিষ্ট সকলো পক্ষৰ সৈতে বিস্তৃত আলোচনাৰ জৰিয়তে এক গ্ৰহণযোগ্য, সুপৰিকল্পিত আৰু স্থায়ী মীমাংসাৰ পথ উলিয়াওক। উল্লেখযোগ্য যে, এই গুৰুত্বপূৰ্ণ বৈঠকত সভাপতি প্ৰমোদ বড়োৰ উপৰিও দলৰ দুগৰাকী সাংসদ জয়ন্ত বসুমতাৰী আৰু ৰণগৌড়া নাৰ্জাৰীসহ মুঠ ১২জন প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। প্ৰতিনিধি দলটোৱে বড়োলেণ্ড টেৰিটৰিয়েল ৰিজিয়ন (বিটিআৰ)ৰ উন্নয়ন, নিৰাপত্তা আৰু চুক্তিৰ ধাৰাসমূহৰ কাৰ্যকৰীকৰণৰ সৈতে জড়িত অন্যান্য বিষয়সমূহো গৃহমন্ত্ৰীৰ আগত উত্থাপন কৰে বুলি জানিব পৰা গৈছে। এই সাক্ষাৎকাৰে বড়ো চুক্তিৰ ৰূপায়ণ প্ৰক্ৰিয়াত নতুন গতি প্ৰদান কৰিব বুলি ইউপিপিএল নেতৃত্বই আশা প্ৰকাশ কৰিছে। লগতে বড়ো জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া দাবীসমূহৰ সমাধানৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। বড়োলেণ্ডৰ ৰাজনৈতিক মহলত এই বৈঠকে নতুন আশাৰ সঞ্চাৰ কৰিছে যদিও চুক্তিৰ সম্পূৰ্ণ ৰূপায়ণৰ বাবে অহা দিনত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত অধিক সমন্বয়ৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হৈছে।

## নগাঁৱৰ ১৫জন লোকক

মানকাচৰ সীমান্তৰ জৰিয়তে দেশ ত্যাগ কৰিবলৈ কোৱা হৈছে। এই কাৰ্য্যৱাহী ১৯৫০ চনৰ অভিবাসী (অসমৰ পৰা বহিষ্কাৰ) আইনৰ অধীনত গ্ৰহণ কৰা হৈছে। জানিব পৰা মতে, এই ১৫জন ব্যক্তিয়ে বিদেশী ন্যায়াধিকৰণৰ সন্মুখত ভাৰতীয় নাগৰিকত্ব প্ৰমাণ কৰিবলৈ ব্যৰ্থ হোৱাৰ পিছত বিদেশী (বাংলাদেশী নাগৰিক) হিচাপে ঘোষিত হৈছিল। বৰ্তমান এওঁলোক গোৱালপাৰা জিলাৰ মাটিয়া ট্ৰেনজিট কেম্প আৰু কোকৰাঝাৰৰ এটা আছাম পুলিচ বেটেলিয়নৰ সুবিধাত আটক আছিল। নগাঁও আৰক্ষীয়ে এওঁলোকক গ্ৰহণ কৰি সীমান্তলৈ লৈ যোৱাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। বিদেশী ঘোষিত ব্যক্তিসকলৰ নাম আৰু ঠিকনা তলত দিয়া হ'ল- জহুৰা খাতুন (ধিং থানাৰ অন্তৰ্গত কান্দুলীমাৰী), আব্দুল আজিজ (নগাঁও সদৰ থানাৰ অন্তৰ্গত হেদায়তনগৰ), আহেদা খাতুন (জুৰিয়া থানাৰ অন্তৰ্গত বগৰীগুৰি গাঁও), আজুফা খাতুন (ৰূপহী থানাৰ অন্তৰ্গত গড়েমাটিখোৱা), হুছেইন আলী (ৰহা থানাৰ অন্তৰ্গত দিঘলী আটি), ফজিলা খাতুন (জাজৰি থানাৰ অন্তৰ্গত হাতীযুঁজুৰা), আনোৱাৰা বেগম (চামগুৰি থানাৰ অন্তৰ্গত লেংটেং গাঁও), আশা খাতুন (চামগুৰি থানাৰ অন্তৰ্গত শলবাৰী), নজৰুল ইছলাম (ৰহা থানাৰ অন্তৰ্গত চাপৰমুখ), ৰহিম শ্বেখ (ৰহা থানাৰ অন্তৰ্গত দিঘলী আটি), বাৰেক আলী (ৰহা থানাৰ অন্তৰ্গত দিঘলী আটি), ইদ্দিছ আলী (ৰহা থানাৰ অন্তৰ্গত ৰহা টাউন), ৰুস্তম আলী (কলিয়াবৰ থানাৰ অন্তৰ্গত হাতীগাঁও বাগান), আনোৱাৰ খান (জখলাবন্ধা থানাৰ অন্তৰ্গত গাৰোবন্ধা গাঁও), তাহেৰ আলী (উলোৱনি থানাৰ অন্তৰ্গত গৰৈমাৰী গাঁও)। উল্লেখ্য যে, এই ব্যক্তিসকলে নগাঁও জিলাতে নিজৰ ঠিকনা দৰ্শাইছিল যদিও তেওঁলোকৰ প্ৰকৃত বসতি অসমৰ অন্যান্য অঞ্চলত আছিল। এই ঘটনাই অসমত বিদেশী চিনাক্তকৰণ আৰু বহিষ্কাৰ প্ৰক্ৰিয়াৰ গতি বৃদ্ধিৰ ইংগিত দিছে। শেহতীয়াকৈ ছনিতপুৰ জিলাতো অনুৰূপভাৱে কেইজনমান বিদেশীক বহিষ্কাৰৰ নিৰ্দেশ দিয়া হৈছিল। এই কাৰ্য্যৱাহীয়ে ৰাজ্যত নাগৰিকত্ব সম্পৰ্কীয় বিবাদসমূহৰ প্ৰেক্ষাপটত নতুন চৰ্চাৰ সৃষ্টি কৰিছে। বিদেশী ন্যায়াধিকৰণৰ সিদ্ধান্তসমূহৰ ন্যায়িক পৰ্যালোচনাৰ প্ৰয়োজনীয়তা লৈও প্ৰশ্ন উত্থাপিত হৈছে। জিলা প্ৰশাসনে এই প্ৰক্ৰিয়া আইনসন্মতভাৱে সম্পন্ন কৰাৰ কথা জানিবলৈ দিছে।

## মুখ্যমন্ত্ৰীৰ ভাবুকিৰ ৰাজনীতি বেছিদিন

ভাবুকিলৈ মই একোকে কেয়াৰ নকৰোঁ। তেওঁ এইকেইদিন যি ভাবুকি দি থাকক, ৰাইজেও এতিয়া তেওঁৰ কথালৈ কেয়াৰ নকৰে।" মুখ্যমন্ত্ৰীৰ অপ্ৰয়োজনীয় আৰু ভাবুকিসূচক মন্তব্যৰ প্ৰসংগত গৌৰৱ গগৈয়ে কটাক্ষ কৰি কয় যে, এনে কথা শুনিলে ৰাইজে জুবিন গাৰ্গৰ গীতৰ সেই বিখ্যাত শব্দকেইটা ব্যৱহাৰ কৰে। তেওঁ লগতে স্পষ্ট কৰি দিয়ে যে, মুখ্যমন্ত্ৰীৰ এনে ভাবুকিৰ ৰাজনীতি বেছিদিন নচলে। "এই ৪ মাহ সময়তেই তেওঁ যি কৰে কৰি থাকক। ৪ মাহৰ পিছত যেতিয়া ক্ষমতা যাব, তেতিয়া ৰাইজৰ মাজত থাকিব লাগিব, "বুলি গগৈয়ে মন্তব্য কৰে। এই মন্তব্যই ৰাজ্যৰ ৰাজনৈতিক মহলত নতুন চৰ্চাৰ সূত্ৰপাত কৰিছে। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত দাখিল হোৱা চাৰ্জশ্বীটক লৈও গৌৰৱ গগৈয়ে তীব্ৰ সমালোচনা কৰে। ৰাজ্যৰ অভিজ্ঞ অধিবক্তাসকলৰ মতামতৰ উল্লেখ কৰি তেওঁ এই চাৰ্জশ্বীটক 'যথেষ্ট দুৰ্বল' বুলি অভিহিত কৰে। গগৈয়ে অভিযোগ উত্থাপন কৰে যে, এয়া মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ বুলি পৰিচিত শ্যামকানু মহন্তক ৰেহাই দিয়াৰ এক ৰণকৌশলহে। লগতে বহুকেইগৰাকী মূল অভিযুক্তৰ নাম চাৰ্জশ্বীটত অন্তৰ্ভুক্ত নোহোৱাৰ কথা উল্লেখ কৰি তেওঁ কয় যে, এনে ঘাটিৰ বাবেই ৰাজ্যবাসীৰ মনত জুবিন গাৰ্গে ন্যায় পোৱাৰ সন্দৰ্ভত সন্দেহৰ ছাঁ এতিয়াও অব্যাহত আছে। গৌৰৱ গগৈৰ এই মন্তব্যই অসমৰ ৰাজনীতিত নতুন উত্তেজনাৰ সৃষ্টি কৰিছে। মুখ্যমন্ত্ৰীৰ সৈতে কংগ্ৰেছ নেতাজনৰ এই সৰ্বজনীন সংঘাতে আগন্তুক নিৰ্বাচনী পৰিৱেশক আৰু উত্তপ্ত কৰি তুলিব বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত পোষণ কৰিছে। জুবিন গাৰ্গৰ গোচৰৰ তদন্তৰ স্বচ্ছতা আৰু নিৰপেক্ষতাৰ প্ৰশ্ন পুনৰ উত্থাপিত হোৱাৰ লগতে বিৰোধী শিবিৰৰ পৰা চৰকাৰৰ ওপৰত চাপ অব্যাহত আছে।

## বিলম্ব হ'ব সাহিত্য অকাডেমী

কৰা হৈছে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, ১৬ ডিচেম্বৰত সাহিত্য অকাডেমীয়ে এক বিবৃতিৰ জৰিয়তে জনাইছিল যে ১৮ ডিচেম্বৰৰ বিয়লি ৩ বজাত আয়োজন কৰা সংবাদমেলত ২০২৫ বৰ্ষৰ বঁটা বিজয়ীসকলৰ নাম ঘোষণা কৰা হ'ব। কিন্তু শেহতীয়াকৈ এই সংবাদমেলখন বাতিল কৰাৰ সিদ্ধান্ত লোৱা হৈছে। এক নিৰ্ভৰযোগ্য সূত্ৰই প্ৰকাশ কৰা অনুসৰি, বিভিন্ন ভাষাৰ জুৰী সমিতিসমূহে এতিয়াও পুৰস্কাৰপ্ৰাপকসকলৰ নাম নিৰ্বাচনৰ ক্ষেত্ৰত চূড়ান্ত সহমতত উপনীত হ'ব পৰা নাই। এই কাৰণেই ঘোষণাত বিলম্ব হোৱাৰ লগতে সংবাদমেলখন বাতিল কৰা হৈছে। সাহিত্য অকাডেমীৰ মূল পুৰস্কাৰ ভাৰতৰ স্বীকৃত ২৪টা ভাষাত উৎকৃষ্ট সাহিত্য কৃতিৰ বাবে প্ৰদান কৰা হয় আৰু ই দেশৰ অন্যতম প্ৰতিষ্ঠিত সাহিত্যিক সন্মান। এই বঁটাৰ বিজয়ীসকলে এখন তামৰ ফলক আৰু এক লাখ টকাৰ নগদ ধন লাভ কৰে। প্ৰতি বছৰে এই ঘোষণাৰ লগতে সাহিত্যিক মহলত বহু চৰ্চাৰ সৃষ্টি হয় আৰু নতুন লেখকসকলৰ কৃতিৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰে। এই বিলম্বই সাহিত্যিকসকলৰ মাজত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কোনোৱে ইয়াক জুৰীৰ দায়িত্বশীলতাৰ চিন বুলি গণ্য কৰিছে, আনহাতে কোনোৱে প্ৰক্ৰিয়াটোৰ দীঘলীয়তাক লৈ অসন্তোষ প্ৰকাশ কৰিছে। সাহিত্য অকাডেমীৰ ফালৰ পৰা শীঘ্ৰে নতুন তাৰিখ ঘোষণা কৰা হ'ব বুলি আশা কৰা হৈছে। এই ঘটনাই পুনৰ এবাৰ সাহিত্য অকাডেমীৰ নিৰ্বাচন প্ৰক্ৰিয়াৰ স্বচ্ছতা আৰু নিৰপেক্ষতাৰ ওপৰত পোহৰ পেলাইছে। ভাৰতৰ বহুভাষিক সাহিত্যিক ঐতিহ্যক সংৰক্ষণ আৰু প্ৰসাৰৰ ক্ষেত্ৰত সাহিত্য অকাডেমীৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ, আৰু এনে বিলম্বই সাহিত্যিকসকলৰ মাজত অপেক্ষাৰ সময়চোৱা দীঘল কৰি তুলিছে। নতুন তাৰিখৰ অপেক্ষাত থকা সকলোৱে আশা কৰিছে যে শীঘ্ৰে এই অনিশ্চয়তাৰ অন্ত পৰিব।

## দিল্লীত নন-বিএছ-ভিআই

সমূহ বলৱৎ কৰিছে। বৃহস্পতিবাৰে পৰা দিল্লীৰ বাহিৰত পঞ্জীয়নভুক্ত নন-বিএছ-ভিআই মানৰ ব্যক্তিগত বাহনৰ প্ৰৱেশ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। লগতে, বৈধ পলিউচন আণ্ডাৰ কণ্ট্ৰ'ল চাৰ্টিফিকেট (পিইউচি) নথকা বাহনসমূহক পেট্ৰ'ল পাম্পত ইন্ধন প্ৰদান বন্ধ কৰাৰ নিয়ম 'নো পিইউচি, নো ফুয়েল' বলৱৎ হৈছে। এই নিষেধাজ্ঞা GRAP-IV চলি থকালৈকে অব্যাহত থাকিব বুলি চৰকাৰী সূত্ৰই জানিবলৈ দিছে। দিল্লী পৰিৱেশ মন্ত্ৰী মঞ্জিন্দৰ সিং ছিৰ্ছাই ঘোষণা কৰা অনুসৰি, এই পদক্ষেপসমূহে শীতকালত বাহনৰ পৰা নিৰ্গত প্ৰদূষণ হ্ৰাস কৰাত সহায় কৰিব। অধ্যয়ন অনুসৰি, শীতকালত বাহনে পিএম১০ৰ ১৯.৭ শতাংশ আৰু পিএম২.৫ৰ ২৫.১ শতাংশ প্ৰদূষণৰ কাৰক হৈ উঠে। নিয়ম পালনৰ বাবে দিল্লী ট্ৰেফিক আৰক্ষীয়ে ৫৮০ জনতকৈ অধিক জোৱান নিয়োগ কৰিছে আৰু ১২৬টা চেকপইণ্টত ৩৭খন বিশেষ 'প্ৰখৰ' ভ্যান মোতায়েন কৰা হৈছে। পৰিবহণ বিভাগ, পৌৰ নিগম আৰু খাদ্য বিভাগৰ কৰ্মীসকলক পেট্ৰ'ল পাম্পসমূহত নিয়োজিত কৰা হৈছে। পেট্ৰ'ল পাম্পসমূহত ইতিমধ্যে স্থাপন কৰা অট'মেটিক নম্বৰ প্লেট চিনাক্তকৰণ (ANPR) কেমেৰাৰ জৰিয়তে পিইউচি নথকা বাহন চিনাক্ত কৰি ইন্ধন প্ৰদান বন্ধ কৰা হ'ব। কনট প্লেচ, জনপথ, বাৰাখাম্বা ৰোড, ধৌলা কুৱাঁ আদি ডাঙৰ পেট্ৰ'ল পাম্পসমূহত এই নিয়মৰ প্ৰভাৱ স্পষ্টভাৱে দেখা গৈছে। ইফালে, বহু পেট্ৰ'ল পাম্পত পিইউচি মেচিনৰ চাৰ্ভাৰ ডাউন হোৱাৰ বাবে পৰীক্ষা প্ৰক্ৰিয়া ব্যাহত হৈছে। ফলত বহু চালকে ঘণ্টাৰ পিছত ঘণ্টা অপেক্ষা কৰিও পিইউচি লাভ নকৰি হতাশ হৈ উভতি যাবলগীয়া হৈছে। চালকসকলে নিয়ম পালন কৰিব বিচৰা সত্ত্বেও এই কাৰিকৰী সমস্যাই ডাঙৰ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। পেট্ৰ'ল পাম্প মালিকসকলে এই নিয়ম ৰূপায়ণত অসুবিধাৰ কথা প্ৰকাশ কৰিছে যদিও চৰকাৰে কঠোৰভাৱে পালনৰ নিৰ্দেশ দিছে। অন্যান্য পদক্ষেপসমূহৰ ভিতৰত চৰকাৰী আৰু ব্যক্তিগত কাৰ্যালয়সমূহত ৫০ শতাংশ কৰ্মীক ঘৰৰ পৰা কাম কৰাৰ (WFH) নিৰ্দেশ দিয়া হৈছে। নিৰ্মাণ সামগ্ৰী কঢ়িয়াই নিয়াট্ৰাকৰ প্ৰৱেশো নিষিদ্ধ কৰা হৈছে। শিক্ষানুষ্ঠানসমূহত প্ৰাথমিক শ্ৰেণীৰ শাৰীৰিক ক্লাছবন্ধ কৰি হাইব্ৰিড ম'ডত (অনলাইন আৰু অফলাইন) পাঠদানৰ ব্যৱস্থা কৰা হৈছে, বিশেষকৈ ষষ্ঠৰ পৰা নৱম আৰু একাদশ শ্ৰেণীলৈ। এই কঠোৰ পদক্ষেপসমূহে দিল্লীত দৈনিক প্ৰৱেশ কৰা প্ৰায় ১২ লাখ নন-বিএছ-ভিআই বাহনক প্ৰভাৱিত কৰিব বুলি অনুমান কৰা হৈছে। চিএনজি, বিদ্যুৎচালিত বাহন, ৰাজহুৱা পৰিবহণ আৰু জৰুৰীকালীন সেৱাৰ বাহনসমূহক এই নিষেধাজ্ঞাৰ পৰা ৰেহাই দিয়া হৈছে। দিল্লীৰ বায়ু প্ৰদূষণে জনস্বাস্থ্যৰ ওপৰত গুৰুতৰ ভাবুকি কঢ়িয়াই অনাৰ মাজতে এই পদক্ষেপসমূহে সাময়িক সকাহ দিব পাৰে যদিও দীৰ্ঘম্যাদী সমাধানৰ বাবে অধিক সমন্বয়ৰ প্ৰয়োজন বুলি বিশেষজ্ঞসকলে মত পোষণ কৰিছে। ৰাজধানীৰ নাগৰিকসকলে এই নিয়মসমূহ কঠোৰভাৱে পালন কৰি প্ৰদূষণ হ্ৰাসত সহায় কৰিবলৈ আহ্বান জনোৱা হৈছে।

## মোদীৰ সভালৈ প্ৰস্তুতি লাখ

মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। বৃহস্পতিবাৰে বশিষ্ঠস্থিত বিজেপিৰ মুখ্য কাৰ্যালয়ত প্ৰধানমন্ত্ৰীৰ ভ্ৰমণসূচী সন্দৰ্ভত অনুষ্ঠিত এক গুৰুত্বপূৰ্ণ বৈঠকত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে ৰাজ্যিক বিজেপি সভাপতি দিলীপ শইকীয়া, কেইবাগৰাকীও মন্ত্ৰী, বিধায়ক আৰু দলীয় কাৰ্যকৰ্তাসকল উপস্থিত থাকে। বৈঠকত ভ্ৰমণৰ প্ৰতিটো দিশ বিস্তৃতভাৱে আলোচনা কৰা হয়। বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীৰ কাৰ্যসূচীৰ বিষয়ে সবিস্তাৰে অৱগত কৰে। প্ৰথম দিনৰ কাৰ্যসূচী অনুসৰি, ২০ ডিচেম্বৰত প্ৰধানমন্ত্ৰীয়ে প্ৰথমে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ চৌহদত অসমৰ প্ৰথম মুখ্যমন্ত্ৰী ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৮০ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি উন্মোচন কৰিব। তাৰ পিছত গুৱাহাটীৰ নতুন বিমানবন্দৰ টাৰ্মিনেল উদ্বোধন কৰি এক ৰাজহুৱা সভাত ভাষণ দিব। টাৰ্মিনেল উদ্বোধনৰ পিছত প্ৰধানমন্ত্ৰীয়ে ৰাজ্যিক বিজেপি কাৰ্যালয়লৈ আহিব আৰু কাৰ্যকৰ্তাসকলৰ সৈতে মত বিনিময় কৰিব। কাৰ্যালয়লৈ অহাৰ পথত প্ৰায় এক কিলোমিটাৰ দূৰত্বত দলীয় কাৰ্যকৰ্তাসকলে ৰোডশ্ব'ৰ আয়োজন কৰিব। দ্বিতীয় দিনৰ কাৰ্যসূচীত ২১ ডিচেম্বৰৰ ৰাতিপুৱা প্ৰধানমন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰ নদীত বিলাসী জাহাজত উঠি প্ৰায় ২৫ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীৰ সৈতে 'পৰীক্ষা পে চৰ্চা' কাৰ্যক্ৰমত অংশগ্ৰহণ কৰিব। এই কাৰ্যক্ৰমত পৰীক্ষাৰ প্ৰস্তুতি আৰু চাপমুক্ত হোৱাৰ উপায়সমূহৰ ওপৰত চৰ্চা হ'ব। তাৰ পিছত তেওঁ পশ্চিম বৰগাঁৱৰ শ্বহীদ স্মাৰকলৈ গৈ অক্ষয় বন্তিত শ্ৰদ্ধাঞ্জলি জনাব আৰু শ্বহীদ গেলাৰী পৰিদৰ্শন কৰিব। অসম আন্দোলনৰ প্ৰথম শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰিব। এই সময়ত নেপথ্যত শিল্পীসকলে 'শ্বহীদ প্ৰণমো তোমাক' গীত পৰিৱেশন কৰিব। শ্বহীদ স্মাৰকৰ কাৰ্যসূচী সমাপ্ত কৰি প্ৰধানমন্ত্ৰী ডিব্ৰুগড়লৈ গৈ নামৰূপত ১২ লাখ মেট্ৰিক টন ইউৰিয়া উৎপাদন ক্ষমতাৰ নতুন সাৰ কাৰখানাৰ ভূমিপূজন কৰিব। এই প্ৰকল্পই অসমৰ শিল্পায়নত নতুন যুগৰ সূচনা কৰিব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। সংবাদ মাধ্যমৰ সৈতে মত বিনিময়ত মুখ্যমন্ত্ৰীয়ে বিৰোধী নেতা অখিল গগৈক লৈ কটাক্ষ কৰি কয় যে, ৰাতি টোপনি নাহিলে অখিল গগৈৰ ফেচবুক লাইভ চাবলৈ পৰামৰ্শ দিয়ে। তেওঁৰ মতে, অখিল গগৈৰ পোষ্টবোৰে টেনচন দূৰ কৰাত সহায় কৰে আৰু ভাল টোপনি আহে। পৰিয়ালত কাজিয়া বা অফিচত টেনচন হ'লে অখিল গগৈৰ ফেচবুক চোৱাটোৱেই এতিয়া অসমত সৰ্বোত্তম ঔষধ বুলি তেওঁ মজা কৰি কয়। কংগ্ৰেছক লৈ মুখ্যমন্ত্ৰীয়ে কয় যে, বিৰোধীয়ে ২০২৬ আৰু ২০৩১ৰ নিৰ্বাচন ইতিমধ্যে বিজেপিক এৰি দিছে আৰু ২০৩৬ চনৰ বাবেহে প্ৰস্তুতি চলাইছে। কংগ্ৰেছৰ এটা নিৰ্দিষ্ট ভোটবেংক আছে যদিও আন কোনো চেষ্টা নাই বুলি তেওঁ মন্তব্য কৰে। অখিল গগৈয়ে নিজৰ আসন জিকিবলৈ কংগ্ৰেছৰ ওচৰত আত্মসমৰ্পণ কৰিব আৰু তেওঁ ডিজিটেল মাধ্যমৰ মানুহহে, প্ৰেক্টিকেল ফিল্ডৰ নহয় বুলিও কটাক্ষ কৰে। মিত্ৰতা সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে জনায় যে, মিত্ৰদলসকলৰ সৈতে নিয়মীয়া কথা-বতৰা চলি আছে আৰু চূড়ান্ত সিদ্ধান্তৰ দিনা ঘোষণা কৰা হ'ব। বিজেপিয়ে তৃণমূল পৰ্যায়লৈকে শক্তিশালী হৈছে আৰু ৫০ শতাংশতকৈ অধিক ভোট লাভৰ লক্ষ্য লৈ কাম কৰি আছে বুলি তেওঁ আশা প্ৰকাশ কৰে। এই ভ্ৰমণে অসমত উন্নয়নৰ নতুন গতি প্ৰদান কৰাৰ লগতে বিজেপিৰ সাংগঠনিক শক্তি বৃদ্ধি কৰিব বুলি দলীয় মহলে বিশ্বাস কৰিছে।

## শিৱসাগৰত ভয়াৱহ

দেৱশিশুটিৰ প্ৰাণ ৰক্ষা পৰে। জানিব পৰা মতে, পথৰ কাষত ৰখাই থোৱা এখন ডাম্পাৰট্ৰাকত AS-০৪-AJ-৩৮৬৩ নম্বৰৰ হোণ্ডাই এ'টাৰ গাড়ীয়ে প্ৰচণ্ড ধাক্কা মাৰে। ঘন কুৱলীৰ ফলত দৃশ্যমানতা কমি অহাৰ বাবেই এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি অনুমান কৰা হৈছে। দুৰ্ঘটনাত গাড়ীখনত উঠি থকা বেতবাৰী বাকচু খেলুৱাৰ নিবাসী বিপুল হাতীমূৰীয়া (৫২)ৰ ঘটনাস্থলীতেই মৃত্যু হয়। তেওঁৰ পত্নী নমিতা শইকীয়া হাতীমূৰীয়া (৩৫) গুৰুতৰভাৱে আহত হয় আৰু তেওঁক ততাতৈয়াকৈ শিৱসাগৰৰ জয়সাগৰ অসামৰিক চিকিৎসালয়লৈ লৈ যোৱা হয়। চিকিৎসকে উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়লৈ ৰেফাৰ কৰে যদিও পথতে তেওঁৰ মৃত্যু হয়। বিপুল হাতীমূৰীয়া বেতবাৰীৰ 'মৌবন' নামৰ বেকাৰীখনৰ স্বত্বাধিকাৰী আছিল। পৰিয়ালটোৱে নলবাৰীত আত্মীয়ৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি ঘৰলৈ উভতি অহাৰ পথতেই এই দুৰ্ভাগ্যজনক ঘটনা সংঘটিত হয়। গাড়ীখনৰ চালক অৰুণজ্যোতি শীলো গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হৈ আছে। কিন্তু আটাইতকৈ সান্ত্বনাদায়ক কথাটো হ'ল— দম্পতীৰ তিনি বছৰীয়া দেওশিশু ৰিয়াঞ্চ হাতীমূৰীয়াই মাতৃৰ কোলাত সোমাই থকাৰ বাবে অলৌকিকভাৱে প্ৰাণ ৰক্ষা কৰে। শিশুটিৰ অৱস্থা এতিয়াও গুৰুতৰ বুলি চিকিৎসালয় সূত্ৰই জানিবলৈ দিয়ে। এই শোকাৱহ দুৰ্ঘটনাই সমগ্ৰ শিৱসাগৰ জিলাকে শোকস্তব্ধ কৰি তুলিছে। স্থানীয় লোকে অভিযোগ উত্থাপন কৰিছে যে ঘাইপথটোত চলি থকা চাৰিলেন নিৰ্মাণ কাৰ্যৰ ধীৰ গতি, যান-জঁট ব্যৱস্থাপনাৰ অভাৱ আৰু পুৱাৰ কুৱলীৰ সময়ত পৰ্যাপ্ত সাৱধানতাৰ অভাৱে এনে দুৰ্ঘটনাৰ সংখ্যা বৃদ্ধি কৰিছে। পৰিয়ালটিৰ প্ৰতি গভীৰ সমবেদনা জনাইছে জিলাৰ বিভিন্ন স্তৰৰ লোকে। ইফালে আৰক্ষীয়ে ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে।

## ড° বসন্ত গোস্বামীলৈ সাহিত্য

কাকতখনৰ ২০২৬ বৰ্ষৰ 'সাহিত্য উন্মেষ বঁটা', 'সমাজ হিতৈষী বঁটা', 'জননেতা ড° পূৰ্ণনাৰায়ণ সিংহ ৰাজনীতিজ্ঞ বঁটা', 'যুৱ ৰাজনীতিজ্ঞ বঁটা' আৰু 'হোমেন বৰগোহাঞিৰ সাংবাদিকতা বঁটা' ঘোষণা কৰে। ২০২৬ বৰ্ষৰ সাহিত্য উন্মেষ বঁটাৰ বাবে গোষ্ঠীটোৱে নাম ঘোষণা কৰে বিশিষ্ট সাহিত্যিক, অসম সাহিত্য সভাৰ বৰ্তমানৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ। ড° বসন্ত কুমাৰ গোস্বামীয়ে অসমীয়া ভাষা সাহিত্যৰ ক্ষেত্ৰখনলৈ অভুতপূৰ্ব অৱদান আগবঢ়াই আহিছে। আনহাতে অসমৰ সামাজিক-সাংস্কৃতিক, সংবাদ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ স্বীকৃতি ৰূপে অসমৰ আগশাৰী চেটেলাইট চেনেল "অসম লাইভ ২৪" আৰু NRD গ্ৰোপৰ পৰিচালন সঞ্চালক নৃপেন দাস দেৱলৈ সমাজ হিতৈষী বঁটা আগবঢ়োৱা হৈছে। অসমৰ সমাজ জীৱনৰ বিভিন্ন ক্ষেত্ৰৰ লুকাই থকা প্ৰতিভা সমূহৰ সমুখত এগৰাকী পথ প্ৰদৰ্শক হিচাপে ঠিয় দি আহিছে। ইফালে 'জননেতা ড° পূৰ্ণ নাৰায়ণ সিংহ ৰাজনীতিজ্ঞ বঁটা' আগবঢ়োৱা হৈছে মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীক। বিধায়ক ৰমাকান্ত দেউৰীয়ে বিগত কাৰ্যকালত সমষ্টিটো সৰ্বদিশ আগুৱাই লৈ যোৱাৰ প্ৰয়াস কৰি আহিছে। লগতে সমষ্টিটোৰ পৰ্যটন বিকাশৰ ক্ষেত্ৰত বিশেষভাৱে নেতৃত্ব দি অহাত দক্ষ নেতাজনৰ ভূমিকা গুৰুত্বপূৰ্ণ। আনহাতেদি যুৱ প্ৰজন্মৰ ৰাজনীতিৰ ক্ষেত্ৰখনত মাৰ্কদৰ্শক, ৰাজনীতিৰ এগৰাকী শক্তিশালী যোদ্ধাৰ লগতে সমাজ-সাংস্কৃতিৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱা চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মালৈ আগবঢ়োৱা হৈছে 'যুৱ ৰাজনীতিজ্ঞ বঁটা'। লগতে জ্যেষ্ঠ সাংবাদিক অনুপম চক্ৰৱৰ্তীলৈ আগবঢ়োৱা হৈছে 'হোমেন বৰগোহাঞি সাংবাদিকতা বঁটা'। দীৰ্ঘকালৰ পৰা সাংবাদিকতাৰ সৈতে জড়িত স্থিতপ্ৰজ্ঞ সাংবাদিক হিচাপে অনুপম চক্ৰৱৰ্তী সকলোৰে মাজত চিনাকি। ৰাজ্যৰ সাংবাদিকতাৰ ক্ষেত্ৰত স্থায়ী প্ৰভাৱ পেলোৱা সাংবাদিকসকলৰ কঠোৰ পৰিশ্ৰম আৰু নিষ্ঠাক স্বীকৃতি দিয়াৰ লক্ষ্যৰে এই বঁটা প্ৰদানৰ কথা গোষ্ঠীটোৱে সদৰি কৰে। উল্লেখ্য যে বঁটাসমূহ অহা ৮ ফেব্ৰুৱাৰী ২০২৬ তাৰিখে 'অসম বাৰ্তা'ৰ ষষ্ঠ বৰ্ষপূৰ্তি অনুষ্ঠানত প্ৰদান কৰা হ'ব বুলি গোষ্ঠীটোৰ সঞ্চালক, প্ৰকাশক তনয় বৰাই সংবাদ মাধ্যমক জানিবলৈ দিছে। উল্লেখ্য যে ২০২৫ বৰ্ষত প্ৰৱৰ্তন কৰা এই বঁটা সমূহৰ প্ৰাপকসকল হৈছে- বিশিষ্ট সাহিত্যিক নন্দ সিং বৰকলালৈ 'সাহিত্য উন্মেষণ বঁটা', বিশিষ্ট সাংবাদিক পৰমানন্দ বৰালৈ 'হোমেন বৰগোহাঞি সাংবাদিক বঁটা', বিধায়ক মৃণাল শইকীয়ালৈ 'জননেতা ড° পূৰ্ণ নাৰায়ণ সিংহ ৰাজনীতিজ্ঞ বঁটা' আৰু কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালালৈ 'যুৱ ৰাজনীতিজ্ঞ বঁটা'।

## বিশ্বকাপ জয়ী ক্ৰিকেটাৰ

গ্ৰহণ কৰা হয়। বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ আগত কেবিনেটৰ সিদ্ধান্তসমূহৰ বিষয়ে অৱগত কৰি মুখ্যমন্ত্ৰীয়ে জনায় যে, ভাৰতীয় মহিলা দৃষ্টিহীন ক্ৰিকেট দলৰ সদস্যা হিচাপে বিশ্বকাপ জয়ী অসমৰ চিমু দাসক যুৱ কল্যাণ আৰু ক্ৰীড়া সঞ্চালকালয়ত ফিজিকেল ইনষ্ট্ৰা"ৰ পদত নিযুক্তি দিয়াৰ সিদ্ধান্ত লোৱা হৈছে। এই নিযুক্তিয়ে ৰাজ্যৰ খেলুৱৈসকলক উৎসাহিত কৰাৰ লগতে দৃষ্টিহীন ক্ৰীড়াবিদসকলৰ প্ৰতি চৰকাৰৰ সহানুভূতিশীল দৃষ্টিভংগী প্ৰতিফলিত কৰে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। কেবিনেটে বড়োলেণ্ড টেৰিটৰিয়েল ৰিজিয়নৰ উন্নয়নৰ বাবে ২৫০ কোটি টকাৰ বিশেষ পেকেজ মঞ্জুৰ কৰিছে। এই ধনৰাশি বিভিন্ন উন্নয়নমূলক কাৰ্যসূচীত ব্যৱহাৰ কৰা হ'ব বুলি জানিব পৰা গৈছে। চাহ বাগিচাৰ শ্ৰমিকসকলৰ ভূমি অধিকাৰ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত এক যুগান্তকাৰী সিদ্ধান্ত লৈ কেবিনেটে 'দ্য আছাম ফিচৈন অৱ চিলিং অন লেণ্ড হোল্ডিংছ এক্ট'ৰ ৰুল ১৯৫৭ত সংশোধনী অনুমোদন জনাইছে। নতুনকৈ সংযোজিত ৰুল ১৮(এ) আৰু ১৮(বি)ৰ জৰিয়তে জিলা আয়ুক্তসকলক চিলিংত পৰা ভূমি চৰকাৰলৈ হস্তান্তৰ কৰি পৰৱৰ্তী সময়ত চাহ শ্ৰমিকসকললৈ বিতৰণ কৰাৰ অধিকাৰ প্ৰদান কৰা হৈছে। এই সংশোধনীৰ ফলত ভূমি অধিগ্ৰহণৰ প্ৰক্ৰিয়া ত্বৰান্বিত হ'ব আৰু শ্ৰমিকসকলে দীৰ্ঘদিনীয়া দাবীকৃত ভূমিৰ মালিকীস্বত্ব লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। উল্লেখ্য যে, এই আইন বিধানসভাত অনুমোদিত হোৱাৰ পিছত ৰাজ্যপালে ইয়াত সন্মতি প্ৰদান কৰিছে। ধেমাজি জিলাৰ কাৰেং চাপৰিত চিআৰপিএফৰ নতুন গ্ৰুপ চেণ্টাৰ স্থাপনৰ বাবে কেবিনেটে ৬০৭ বিঘা ভূমি আৱণ্টনৰ অনুমোদন জনাইছে। এই চেণ্টাৰে অঞ্চলটোৰ নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰাত সহায় কৰিব। 'মিছন বসুন্ধৰা' আঁচনিৰ অধীনত লখিমপুৰ, কামৰূপ, বৰপেটা, গোৱালপাৰা, ধুবুৰী আৰু দৰং জিলাৰ ২২৪টা আৰু ৮৪টা ভূমিহীন পৰিয়ালক ভূমিৰ পট্টা প্ৰদান কৰাৰ সিদ্ধান্ত লোৱা হৈছে। লগতে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ২১ ডিচেম্বৰৰ নামৰূপ ভ্ৰমণত আছাম ভেলী ফাৰ্টিলাইজাৰ কৰ্পৰেচনৰ এম'নিয়া-ইউৰিয়া প্ৰকল্পৰ ভূমিপূজনৰ বাবে প্ৰয়োজনীয় ভূমি আৱণ্টনৰ অনুমোদন দিয়া হৈছে। এই প্ৰকল্পৰ মূল্য প্ৰায় দুই হাজাৰ কোটি টকা আৰু ই সম্পূৰ্ণ হ'লে তিনি-চাৰি বছৰ সময় লাগিব বুলি অনুমান কৰা হৈছে। জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গক বিজেপিয়ে নিৰ্বাচনী টিকট দিয়াৰ প্ৰচাৰক লৈ সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয় যে, এই সন্দৰ্ভত কোনো ধৰণৰ ৰাজনৈতিক আলোচনা হোৱা নাই আৰু এয়া কেৱল অপপ্ৰচাৰহে। গৰিমা গাৰ্গৰ সৈতে ৰাজনৈতিক কথা-বতৰা পতাটো উচিত নহয় বুলিও তেওঁ মন্তব্য কৰে। এই কেবিনেট বৈঠকৰ সিদ্ধান্তসমূহে ৰাজ্যৰ উন্নয়ন, খেল-ধেমালি, ভূমি সংস্কাৰ আৰু নিৰাপত্তাৰ ক্ষেত্ৰত চৰকাৰৰ দায়বদ্ধতা পুনৰ উজাগৰ কৰিছে। বিশেষকৈ চাহ শ্ৰমিকসকলৰ ভূমি অধিকাৰ আৰু খেলুৱৈসকলৰ সন্মান প্ৰদানৰ সিদ্ধান্তই বহুতে আদৰণি জনাইছে।

## গেৰেকী বিলৰ মাটি দখল

শিশু শ্ৰমিক নিয়োগ কৰি অহাৰ অভিযোগ দীৰ্ঘদিনৰ। লগতে একাংশ ইটা ভাটাই প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ডৰ নীতি নিয়মক বৃদ্ধাংগুষ্ঠ প্ৰদৰ্শন কৰি ভাটা স্থাপন কৰাৰে পৰাই ইটা বনাই আহিছে। চামগুৰিৰ উক্ত এলেকাত একাংশ ভূ-মাফিয়াৰ নেতৃত্বত চলি থকা ইটা ভাটা সমূহে স্থানীয় ৰাইজৰ মাজলৈ নমাই আনিছে অশনি সংকেত। একাংশ ইটা ভাটাই বহু বিঘা কৃষি ভূমি বিনষ্ট কৰি ইটা নিৰ্মাণ কৰি আছে বুলি সচেতন মহলে অভিযোগ উত্থাপন কৰিছে। বিশেষকৈ ডুবিমুখস্থিত এটা ইটা ভাটাৰ মালিকপক্ষই শিশু শ্ৰমিক প্ৰতিৰোধ আইন আৰু প্ৰদুষণ নিয়ন্ত্ৰণ বৰ্ডৰ নীতিনিয়মক ভেঙুচালি কৰাৰ লগতে বহু বিঘা কৃষি ভূমি অনিষ্ট কৰাৰ অভিযোগ উত্থাপন হৈছে। এইক্ষেত্ৰত স্থানীয় লোকে ইটা ভাটাটোৰ মালিকপক্ষৰ বিৰুদ্ধে স্থানীয় প্ৰশাসনৰ ওচৰত অভিযোগ দিছে যদিও ইটা ভাটাৰ মালিকপক্ষৰ বিৰুদ্ধে কোনো ধৰণৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই বুলি অভিযোগ উঠিছে। আনহাতে, স্থানীয় প্ৰশাসনৰ নিৰ্লিপ্ত ভূমিকাৰ পৰিপ্ৰেক্ষিতত মুনাফা লোভী ইটা ভাটাৰ একাংশ মালিকৰ দৃষ্টি সম্প্ৰতি চৰকাৰী ভূমি অথবা চৰকাৰী বিলত পৰিছে। কেৱল সেয়াই নহয়, নিজৰ ব্যক্তিগত ব্যৱসায়ৰ মোনাফাৰ বাবেই হেমাৰবড়ী ডুবিমুখৰ এটা ইটা ভাটাৰ মালিকজনে ডুবিমুখস্থিত চৰকাৰী গেৰেকি বিলখনকো অস্তিত্বৰ সংকটৰ গৰাহলৈ ঠেলি দিয়া বুলি অভিযোগ উঠিছে। ইটা ভাটাৰ মালিক জনে চৰকাৰী বিলখন পুতি কেইবা বিঘা মাটি অবৈধ ভাবে দখল কৰি ইটাভাটা বহুৱাইছে, যাৰ ফলত গেৰেকী বিলখন সংকুচিত হৈ পৰিছে বুলি অভিযোগ উঠিছে। উল্লেখ্য যে, ভূ মাফিয়া জনে সম্প্ৰতি চামগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত খাটোৱাল মৌজাৰ ডুবিমুখৰ ১৪-১৫ বিঘা ভূমি আৰু ৩-৪ কিঃমিঃ দৈঘ্যৰে আৱৰি থকা গেৰেকি বিলত সন্ত্ৰাস চলোৱা বুলি অভিযোগ উঠিছে। চৰকাৰী বিলখন পুতি ইটা ভাটাৰ মালিকজনে ভাটাৰ গাড়ী অহা-যোৱা কৰাৰ পথ নিৰ্মাণ কৰাৰ লগতে ভয় ভাবুকিৰে স্থানীয় বহু লোকৰ কৃষি ভূমি অনিষ্ট কৰাৰ অভিযোগ উঠিছে। গেৰেকী বিলৰ বৃহৎ অংশ বেদখল কৰি ইটা নিৰ্মাণ কৰা কাৰ্যক চামগুৰি ৰাজহ চক্ৰৰ বিষয়া গৰাকীয়ে এক চৰজমিন তদন্তৰ নিৰ্দেশ দিছে বুলি জানিব পৰা গৈছে। বিষয়া গৰাকীৰ নিৰ্দেশৰ পিছতেই লাটমণ্ডল চৰকাৰী গাঁওপ্ৰধান গেৰেকী বিলত উপস্থিত হৈ চৰজমিন তদন্ত আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে। এইক্ষেত্ৰত ইটা ভাটাৰ মালিকপক্ষৰ বিৰুদ্ধে চামগুৰি ৰাজহ চক্ৰ অথবা প্ৰশাসনে কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰে সেইয়া সময়তহে লক্ষণীয় হব বুলি স্থানীয় সচেতন মহলে মত প্ৰকাশ কৰিছে।

‘বৰগোহাঞিঃ আছিল এগৰাকী সঁচা মানৱতাবাদী’ - ড° দেৱজিৎ শইকীয়া

# মাজুলী মহাবিদ্যালয়ত যতীন্দ্ৰ কুমাৰ বৰগোহাঞিৰ স্মৃতিদিৱস পালন



**অসম বাৰ্তা, উজনী মাজুলী, ১৮ ডিচেম্বৰ ঃ** যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ প্ৰাক্তন অধ্যাপক, এগৰাকী আগশাৰীৰ চিন্তাবিদ, সাহিত্যিক, সাংবাদিক যতীন্দ্ৰ কুমাৰ বৰগোহাঞিৰ ত্ৰয়োদশ মৃত্যু দিৱস উপলক্ষে আজি মাজুলী মহাবিদ্যালয়ত এখন বিশেষ স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ ‘শিক্ষাৰত্ন অতুল চন্দ্ৰ গোস্বামী গ্ৰন্থাগাৰ’ৰ ‘যতীন্দ্ৰ কুমাৰ বৰগোহাঞি স্মৃতি-ষড়ংগ’ত অনুষ্ঠিত উক্ত সভাৰ আৰম্ভণিতে প্ৰয়াত শিক্ষাবিদজনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। ইয়াৰ পিছতেই গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাসে অনুষ্ঠানত উপস্থিত থকা বিশিষ্ট অতিথিসকলক আনুষ্ঠানিকভাৱে আদৰণি জনায়। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ নৰেন চন্দ্ৰ ঠাকুৰীয়াই প্ৰয়াত বৰগোহাঞিৰ ব্যক্তিত্ব সম্পৰ্কে এক চমু আলোকপাত কৰাৰ লগতে তেওঁৰ জীৱনকালত সংগৃহীত গ্ৰন্থসমূহ মাজুলী মহাবিদ্যালয়লৈ দান কৰি যতীন্দ্ৰ কুমাৰ বৰগোহাঞিৰ পত্নী হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞিয়ে এক মহৎ কৰ্ম সম্পন্ন কৰা বুলি কয়। আন এজন বিশিষ্ট অতিথি তথা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সৰ্বেশ্বৰ হাজৰিকাই যতীন্দ্ৰ কুমাৰ বৰগোহাঞিক লগ পোৱাৰ সময়ৰ কথা স্মৰণ কৰি তেখেতৰ ব্যক্তিত্বৰ জ্যোতিয়ে ছাত্ৰ-ছাত্ৰীসকলক চিৰদিন আলোকিত কৰি ৰাখিব বুলি উল্লেখ কৰে। সভাপতিৰ ভাষণত অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়- “যতীন্দ্ৰ কুমাৰ বৰগোহাঞিঃ আছিল এগৰাকী সঁচা মানৱতাবাদী। পাণ্ডিত্য আৰু আপোচবিহীন মনোৰথ আছিল তেওঁৰ ভূষণ। দৰিদ্ৰ জনতাৰ পক্ষত অৱস্থান কৰিবৰ নিমিত্তেই তেওঁ মহাবিদ্যালয়ৰ অধ্যাপকৰ দৰে লোভনীয় চাকৰি ইস্তফা দি জনসাধাৰণৰ মাজলৈ গুচি গৈছিল।” অধ্যক্ষজনে বৰগোহাঞিৰ ব্যক্তিগত পুথিভঁৰালৰ সমুদায় গ্ৰন্থ সংগ্ৰহ কৰি মহাবিদ্যালয় পৰিয়াল ধন্য হোৱা বুলি উল্লেখ কৰাৰ লগতে এই মহান দানৰ বাবে মাজুলীবাসী চিৰদিন দাতা-পৰিয়ালবৰ্গৰ ওচৰত কৃতজ্ঞ হৈ থাকিব বুলিও কয়। সভাত উপস্থিত থাকি মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ড° অনুপ কুমাৰ দলে, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদক তুলসী ৰাজখোৱা, ঢকুৱাখনা মহাবিদ্যালয়(স্বায়ত্তশাসিত)ৰ উপাধ্যক্ষ চিত্ৰ কুমাৰ কোচ, সেই মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক নিৰঞ্জন দাস, মাজুলী জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, কমলাবাৰীৰ ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ৰ অধ্যক্ষ দীপু বৰা আদি বিশিষ্ট ব্যক্তিসকলে প্ৰয়াত শিক্ষাবিদজনৰ মহানুভৱতাক স্মৰণ কৰে। সভাত অধ্যাপক ড° ৰাজেন চন্দ্ৰ বৰা, ইন্দিৰা বড়া, সুৰেন চন্দ্ৰ দাস, ডঃ দুলাল হাজৰিকা, কাৰ্তিক নাথ, ড° দেৱজ্যোতি ভট্টাচাৰ্য, ড° বিশাল ভূঞা, সুদৰ্শনা ফুকন, মাজুলী জিলা অসম যুৱ ছাত্ৰ পৰিষদৰ উপ-সভাপতি পৱিত্ৰ বৰা, কমলাবাৰীৰ ব্যৱসায়ী-সমাজ সেৱক মনোহৰ ব্যাস, কাৰ্যালয়ৰ জ্যেষ্ঠ সহায়ক পদ্মধৰ বৰুৱা, কাৰ্যালয় সহায়ক দেৱজিৎ বৰুৱা প্ৰমুখ্যে শতাধিক শিক্ষাৰ্থী উপস্থিত থাকে। উল্লেখ্য, বিশিষ্ট অৰ্থনীতিবিদজনৰ বিয়োগৰ পাছত তেওঁৰ ব্যক্তিগত পুথিভঁৰালৰ ছহেজাৰৰো অধিক গ্ৰন্থ তেওঁৰ পত্নী, বিশিষ্ট লেখিকা হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞিঃ আৰু পৰিয়ালবৰ্গই মাজুলীৰ দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীসকলৰ উপকাৰত অহাকৈ মাজুলী মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ দান কৰি মহানুভৱতাৰ পৰিচয় দিছিল। বৰগোহাঞিঃ পৰিয়ালৰ সেইবদ্যানতাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি মাজুলী মহাবিদ্যালয়ে গ্ৰন্থাগাৰৰ এটি কক্ষ ‘যতীন্দ্ৰ কুমাৰ বৰগোহাঞিঃ স্মৃতি-ষড়ংগ’ নামেৰে নামকৰণ কৰি প্ৰতিবছৰে ১৮ ডিচেম্বৰ তাৰিখটো তেওঁৰ স্মৃতি-দিৱস হিচাপে পালন কৰি আহিছে।

# নগাঁৱত মূলসুঁতিকৰণ কৰা ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক সংযোগ অনুষ্ঠান সম্পন্ন



**অসম বাৰ্তা, নগাঁও, ১৭ ডিচেম্বৰ ঃ** সমগ্ৰ শিক্ষা অসমৰ উদ্যোগত নগাঁও সদৰ প্ৰাথমিক শিক্ষাখণ্ডৰ ব্যৱস্থাপনাত শৈক্ষিক সংযোগ অনুষ্ঠানটি আজি নগাঁও জিলা পুথিভঁৰালত সম্পন্ন হয়। আজিৰ এই শৈক্ষিক সংযোগ অনুষ্ঠানতে ছাত্ৰছাত্ৰী সকলৰ মাজত বিভিন্ন শিক্ষণ সজুঁলিৰ টুপুলা প্ৰদান কৰে নগাঁও বিদ্যালয় সমূহৰ উপ পৰিদৰ্শক দেৱেন চন্দ্ৰ লহকৰে। নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত পুৱা ১১বজাৰ পৰা আৰম্ভণি হোৱা আজিৰ এই অনুষ্ঠানত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলী অৰ্পন কাৰ্যসূচীৰে আৰম্ভ হয়। সদৰ শিক্ষা খণ্ডৰ জিলা মানৰক্ষক গোলাপ বৰাই আঁতধৰা আজিৰ এই অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে অৱসৰপ্ৰাপ্ত অধ্যাপক বিশিষ্ট শিক্ষাবিদ মোহিনী মোহন ডেকা। ভাষণ প্ৰসংগত তেওঁ ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি কয় ছাত্ৰ-ছাত্ৰী সকলে গ্ৰন্থ অধ্যয়ন কৰিবই লাগিব। গ্ৰন্থ অধ্যয়নৰ জৰিয়তেহে ছাত্ৰ-ছাত্ৰী সকলে সমাজত নিজকে প্ৰতিষ্ঠা কৰিব পাৰিব। মুবাইল ইণ্টাৰনেটৰ সহায়ত অধ্যয়ন কৰা ছাত্ৰছাত্ৰী সকলে জীৱনত আগবাঢ়ি যাব পাৰিব। কিন্তু এজন প্ৰকৃত মানৱ তেতিয়াহে হ’ব যেতিয়া গ্ৰন্থ অধ্যয়নেৰে ছাত্ৰ-ছাত্ৰী সকল যেতিয়া পৰিপুষ্ট হৈ উঠিব। মুবাইলৰ ভাল দিশ আৰু বেয়া দিশ দুয়োটাই আছে। কিন্তু আমাৰ ছাত্ৰ-ছাত্ৰী সকলে ভাল দিশটো মন দি বেয়া দিশটোত হাত দিব নালাগে। এইক্ষেত্ৰত অভিভাৱক সকলেও ছাত্ৰ-ছাত্ৰী সকলক ঘৰত থকা সময়খিনিত তীক্ষ্ণ দৃষ্টি ৰাখিব লাগে। অনুষ্ঠানত নগাঁৱৰ অতিৰিক্ত আয়ুক্ত তথা জিলা মিছন সমন্বয়ক সমগ্ৰ শিক্ষা জিতু কুমাৰ বৰ্মন, বিদ্যালয় সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথ, বিদ্যালয় সমূহৰ উপ পৰিদৰ্শক তথা খণ্ড মিছন সমন্বয়ক সদৰ শিক্ষা খণ্ডৰ দেৱেন চন্দ্ৰ লহকৰ, খাগৰিজান প্ৰাথমিক শিক্ষা খণ্ড বিষয়া এইছ জ্ঞানেন্দ্ৰ সিংস, গাণনিক বিষয়া দিলীপ মেধি, আচঁনি বিষয়া হিমাংশু বৰ্মন, ঋতুৰানী মৌছুমী আদি উপস্থিত থাকে। অনুষ্ঠানত ছাত্ৰছাত্ৰী সকলে বিভিন্ন গীত নৃত্য পৰিৱেশন কৰাৰ লগতে উপস্থিত সকলোৱে জুবিন গাৰ্গৰ মায়াবিনী শীৰ্ষক গীত পৰিৱেশন কৰে।

# ডিব্ৰুগড় জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ চৰকাৰে দি কাঢ়ি নিয়া ৮,৭০০ টকাৰ গ্ৰেড পে’ ঘূৰাই দিয়াৰ দাবীৰে জিলা আয়ুক্তৰ যোগেদি মুখ্যমন্ত্ৰীলৈ স্মাৰক



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৮ ডিচেম্বৰ ঃ** অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ আহ্বানত অসমৰ ৫১টা মহকুমাৰ লগতে ডিব্ৰুগড় জিলা প্ৰাথমিক শিক্ষক সন্মিলনীয়ে সপ্তম দৰমহা আয়োগে শিক্ষক সকলক প্ৰদান কৰা আঠ হাজাৰ সাতশ টকাৰ গ্ৰেড পে’ সোতৰ মাহৰ বাবে দি পুনৰ ঘূৰাই লোৱা কাৰ্যৰ তীব্ৰ বিৰুদ্ধাচৰণ কৰি উক্ত গ্ৰেড পে’ পুনৰ বাহাল ৰাখিবলৈ ডিব্ৰুগড় জিলা আয়ুক্ত আৰু সম জিলাৰ আয়ুক্ত সকলৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰদান কৰা হয়। জিলা আয়ুক্তক জিলা সন্মিলনীৰ সভাপতি ভদ্ৰসেন সোণোৱালৰ নেতৃত্বত বৰবৰুৱা খণ্ডৰ সভাপতি মিণ্টাজুৰ ৰহমান সহিতে বিষয়ববীয়া, ডিব্ৰুগড় সদৰৰ ৰূপজ্যোতি দত্ত আৰু বিষয়ববীয়া, লাহোৱাল খণ্ডৰ সভাপতি আগঞ্জলি মৰাণ আৰু সম্পাদক ৰিণ্টু চেতিয়া লগতে বিষয়ববীয়া সকল একেদৰে নাহৰকটীয়া সম জিলাৰ আয়ুক্তক সন্মিলনী সম্পাদক পংকজ বড়া আৰু জয়পুৰ খণ্ডৰ সভাপতি চাজিদ আহমেদ, সম্পাদক সীতাৰাম কুম্ভকাৰ সহিতে বিষয়ববীয়া আৰু দুলীয়াজান সম জিলাৰ আয়ুক্তক ৰাজ্যিক সন্মিলনীৰ সভানেত্ৰী নিলাক্ষী গগৈসহ টেঙাখাত খণ্ডৰ সভাপতি থানেশ্বৰ শৰ্মা, সম্পাদক মৃদুল চন্দ্ৰ বৰা আৰু জিলা সহঃ সম্পাদক হেমধৰ গগৈসহ বিষয়ববীয়া আৰু খোৱাং সম জিলাৰ আয়ুক্তক খোৱাং খণ্ডৰ ভাস্কৰ জ্যোতি গগৈ আৰু বিষয়ববীয়া সকলে টিংখাং সমজিলাৰ আয়ুক্তক জিলাৰ মহিলাকোষৰ সদস্যা জ্যোতি দেউৰী আৰু খোৱাং খণ্ডৰ সভাপতি ৰজনী চেতিয়াসহ বিষয়ববীয়া সকলৰ সহযোগত স্মাৰক প্ৰদান কৰা হয়। সমগ্ৰ অসমৰ প্ৰাথমিক শিক্ষক সন্মিলনীয়ে মুখ্যমন্ত্ৰীলৈ প্ৰদান কৰা স্মাৰক পত্ৰত অহা এমাহৰ ভিতৰত সমস্যাটো সমাধান কৰিবলৈ আহ্বান জনোৱা হৈছে। যদিহে বিষয়টো সমাধান নহয়, তেন্তে প্ৰাথমিক শিক্ষক সন্মিলনীৰ নেতৃত্বত সমগ্ৰ অসমত গণতান্ত্ৰিক আন্দোলন কাৰ্যসূচী ৰূপায়ণ কৰা হ’ব বুলি জানিবলৈ দিয়ে।

# অভয়াপুৰী বিধানসভা সমষ্টিৰ প্ৰাৰ্থীত্বৰ দৌৰত হিমানী অধিকাৰী

**ষ্টাফ ৰিপৰ্টাৰ, বঙাইগাঁও, ১৭ ডিচেম্বৰ ঃ** সমাগত বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি বঙাইগাঁও জিলাৰ তিনিওটা বিধান সভা সমষ্টিত বিভিন্ন দলৰ প্ৰাৰ্থিত্ব প্ৰত্যাশীৰ প্ৰচাৰ অভিযানে খদমদম পৰিৱেশৰ সৃষ্টি কৰিছে। ইয়াৰ ভিতৰত সমষ্টি পুনৰ নিৰ্ধাৰণ হোৱাৰ পাছত বঙাইগাঁৱৰ লগতেও সমষ্টিৰ অভয়াপুৰী সমষ্টি ধৰ্মীয় সংখ্যাগুৰু ভোটাৰৰ আধিক্য হৈ পৰে। উল্লেখ্য যে অগপ আৰু বিজেপি দলে আসন ভাগ বাটোৱাৰাৰ সময়ত প্ৰতিবাৰেই জিলাখনৰ তেতিয়াৰ বঙাইগাঁও অভয়াপুৰী উত্তৰ আৰু অভয়পুৰী দক্ষিণ তথা তিনিওটা সমষ্টিয়ে অগপ দলক বিজেপি দলে এৰি দিছিল যদিও বঙাইগাঁও সমষ্টিৰ বাহিৰে কোনোটাতে কৃতকাৰ্য হ’ব নোৱাৰিলে। ফলত দুটা সমষ্টিতে কংগ্ৰেছ দলে বিজয় সাব্যস্ত কৰিছিল। এইবেলি আগন্তুক বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি সমষ্টি তিনিটাক লৈ অগপ আৰু বিজেপি দলৰ মাজত টনা আজোঁৰা হোৱাটো নিশ্চিত হৈ পৰিছে। অগপ দলে পূৰ্বৰ দৰে এইবলিও তিনিওটা সমষ্টিয়ে দাবী কৰাৰ সম্ভাৱনা আছে। কিন্তু বিজেপিয় সৃজনগ্ৰাম সমষ্টিটো বিনা দ্বিধাই এৰি দিয়াটো নিশ্চিত যদিও বঙাইগাঁও আৰু অভয়াপুৰী সমষ্টি বিজেপিয়ে যে সহজতে এৰি নিদিয়ে সেয়াও নিশ্চিত। কাৰণ অভয়াপুৰী সমষ্টিত বিজেপি দলৰ আছে এক শক্তিশালী ভেটি। মনকৰিবলগীয়া যে বিগত পৌৰসভা নিৰ্বাচনত বঙাইগাঁও সমষ্টিৰ বঙাইগাঁও পৌৰসভাৰ ২৫খন আসনৰ ভিতৰত ১৩খনেই বিজেপিয়ে দখল কৰাৰ বিপৰীতে অভয়াপুৰী সমষ্টিৰ অভয়াপুৰী পৌৰসভাৰ ১১খন আসনৰ ৮ খনতে বিজেপিয়ে দখল কৰাৰ বিপৰীতে মাত্ৰ দুখন আসনতে সন্তুষ্ট থাকিবলগীয়া হয়। এনে অৱস্থাত অভয়াপুৰী সমষ্টিৰ ওপৰত শেন চকু ৰাখি কৌশলগতভাৱে বিজেপিয়ে বঙাইগাঁও সমষ্টি বিচাৰিব পাৰে। তেনে অৱস্থাত সাংসদ হিচাবে নিৰ্বাচিত হৈয়ো বঙাইগাঁও সমষ্টিত পত্নী দীপ্তিময়ী চৌধুৰীক বিধায়িকা বনাই পৰিয়াল কেন্দ্ৰীক ৰাজনীতিৰ পাতনি মেলা সাংসদ ফণীভূষণ চৌধুৰীয়ে যে বঙাইগাঁও সমষ্টি যে এৰি নিদিয়ে সেয়াও নিশ্চিত। এনে অৱস্থাত অভয়াপুৰী সমষ্টিটো অগপ দলে বিজেপি দলক এৰি দিয়াৰ সম্ভাৱনা অধিক। এনেবোৰ কথাই চৰ্চিত হৈছে জিলাখনত। এনে ধাৰণাক সাৰথি কৰিয়ে অভয়াপুৰী সমষ্টিত প্ৰাৰ্থিত্ব প্ৰত্যাশীয়ে ভিতৰত জিলাখনৰ ধৰ্মীয় সংখ্যালঘু ভোটাৰৰ আধিপত্য থকা সৃজনগ্ৰাম সমষ্টিত এতিয়ালৈকে বিজেপি দলৰ কোনো প্ৰাৰ্থিত্ব প্ৰত্যাশীয়ে প্ৰকাশ্যে আগবাঢ়ি অহা যদিও কংগ্ৰেছ, অগপ আৰু ৰাইজৰ দলৰ প্ৰাৰ্থিত্ব প্ৰত্যাশীয়ে খদমদম পৰিৱেশৰ সৃষ্টি কৰা পৰিলক্ষিত হৈছে। ইয়াৰ ভিতৰত দলটোৰ অসম মহিলা আয়োগৰ সদস্য তথা বঙাইগাঁও জিলা বিজেপিৰ প্ৰাক্তন সভানেত্ৰী হিমানী অধিকাৰী, ব্যৱসায়ী তথা সমাজকৰ্মী ৰুদ্ৰ কুমাৰ পাঠক, বঙাইগাঁও জিলা বিজেপিৰ সভাপতি উজ্জ্বল কান্তি ৰায়, বিজেপিৰ প্ৰাক্তন জিলা সভাপতি সুকেন ৰায় আদিৰ নাম বৰ্তমানে চৰ্চিত হৈছে।

# দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ পূৰ্ণকান্ত হাজৰিকাৰ মৃত্যু

**অসম বাৰ্তা, দুলীয়াজান, ১৭ ডিচেম্বৰ ঃ** দুলীয়াজানৰ উচ্চশিক্ষা ক্ষেত্ৰখনত অৰিহণা যোগাই অহা দুলীয়াজান মহাবিদ্যালয় প্ৰতিষ্ঠাপক অধ্যক্ষ পূৰ্ণকান্ত হাজৰিকা বিয়োগ। বুধবাৰে নিশা দুলীয়াজান টিপলিং সৰ্বজনীন নামঘৰৰ সমীপৰ নিজ বাসগৃহত মৃত্যু হয়। তেখেতৰ মৃত্যুত সমগ্ৰ দুলীয়াজান অঞ্চলতে গভীৰ শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুৰ খবৰ পোৱাৰ লগে লগে বাসগৃহত অগণন গুণমুগ্ধ উপস্থিত হৈ তেওঁৰ প্ৰতি শেষ শ্ৰদ্ধাৰ জ্ঞাপন কৰে। তেখেতৰ নশ্বৰ দেহ আজি দুলীয়াজান মহাবিদ্যালয়লৈ অনাৰ পাছত ৰাজহুৱাভাৱে শ্ৰদ্ধাঞ্জলি জনায়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত দুলীয়াজান মহাবিদ্যালয়ৰ হৈ অধ্যক্ষ লোক বিকাশ গগৈ, উপাধ্যক্ষ জ্যোতি সিং পাঠক, দুলীয়াজান সমষ্টিৰ বিধায়ক তেৰচ গোৱালা, আছুৰ প্ৰাক্তন সম্পাদক শংকৰজ্যোতি বৰুৱা, দুলীয়াজান মহাবিদ্যালয় শিক্ষক গোট, দুলীয়াজান মহাবিদ্যালয় কৰ্মচাৰী সন্থা, দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, উপাধ্যক্ষ আৰু অধ্যাপক বৃন্দ, দুলীয়াজান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, সন্মিলিত সাংবাদিক মঞ্চ, দুলীয়াজান, দুলীয়াজান প্ৰেছক্লাব, দুলীয়াজান সাহিত্য সভা, দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থা, অসমীয়া মহিলা মঞ্চ, ডিব্ৰুগড় জিলা কবি সন্মিলন, চুতীয়া ছাত্ৰ সন্থা, দুলীয়াজান আঞ্চলিক ৰাস মহোৎসৱ, টেঙাখাট ব্লক কংগ্ৰেছৰ লগতে বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে তেওঁৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে।

# হালোৱাটিঙত তেলচুৰি কাণ্ডৰে জড়িত দুই অভিযুক্তক গ্ৰেপ্তাৰ কৰি ন্যায়িক জিম্মালৈ প্ৰেৰণ

**অসম বাৰ্তা, আমগুৰি, ১৮ ডিচেম্বৰ ঃ** হালোৱাটিং আৰক্ষী থানাৰ অন্তৰ্গত খৰঙী লোণপূৰীয়াৰ এখন ব্যক্তিগত চাহ বাগিচাৰ মাজেৰে যোৱা পাইপলাইনত অবৈধভাৱে ভেল্‌ভ বহুৱাই যোৱা দীৰ্ঘদিন ধৰি তেল চুৰি কৰাৰ কথা তথ্য সহকাৰে সংবাদ মাধ্যমত প্ৰচাৰিত হৈ অহাৰ মাজতে আজি হালোৱাটিং আৰক্ষীয়ে দুটাকৈ তেলচোৰ গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। যোৱা ১৬ ডিচেম্বৰ তাৰিখে ডেওপানী চাহ বাগিচাৰ শিবা কুৰ্মী নামৰ লোকজনে তেওঁৰ ব্যক্তিগত চাহ বাগিচাত গেলেকী-যোৰহাট সংযোগী তেল পৰিবাহী পাইপ লাইনত অবৈধভাৱে ভেল্‌ভ বহুৱাই তেল চুৰি কৰাৰ খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ সত্যাসত্য নিৰূপণ কৰে। পৰৱৰ্তী সময়ত গেলেকী তৈলক্ষেত্ৰৰ কৰ্তৃপক্ষই সমগ্ৰ ঘটনা সন্দৰ্ভত হালোৱাটিং আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। উক্ত এজাহাৰৰ ভিত্তিত আজি হালোৱাটিং আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত প্ৰহ্লাদ গগৈ আৰু শৰৎ কৰ্মকাৰ নামৰ তেলচোৰক গ্ৰেপ্তাৰ কৰে। ইয়াৰে প্ৰহ্লাদ গগৈ ১নং লাহন গাঁৱৰ আৰু শৰৎ কৰ্মকাৰ চৰাইদেউ জিলাৰ সাপেখাটিৰ বুলি জানিব পৰা গৈছে। গ্ৰেপ্তাৰ কৰা দুয়োটাকে হালোৱাটিং আৰক্ষীয়ে ৬১(২)/৩০৩(২) ধাৰাত ১৮/২৫ নম্বৰৰ গোচৰ ৰুজু কৰি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। সমগ্ৰ তেল চুৰি ঘটনাৰ লগত এক বৃহৎ চক্ৰ জড়িত থকাৰ সন্দেহপ্ৰকাশ কৰিছে স্থানীয় ৰাইজে। ধৃত দুই তেলচোৰক সোধা-পোছাৰ অন্তত আৰু গ্ৰেপ্তাৰ হোৱাৰ সম্ভাৱনা আছে।

# গোৱালপাৰা জিলাত পথ দুৰ্ঘটনা হ্ৰাসৰ লক্ষ্যৰে জিলা পথ সুৰক্ষা সমিতিৰ সভা



**অসম বাৰ্তা, গোৱালপাৰা, ১৮ ডিচেম্বৰ ঃ** জিলা পথ সুৰক্ষা সমিতি, গোৱালপাৰাৰ ডিচেম্বৰ-২০২৫ মাহৰ সভাখন আজি ১৭ ডিচেম্বৰ ২০২৫ তাৰিখে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত জিলা আয়ুক্ত প্ৰদীপ টিমুংৰ সভাপতিত্বত অনুষ্ঠিত হয়। জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্ত, গোৱালপাৰা পশ্চিম সমজিলাৰ সমজিলা আয়ুক্ত নৱজিৎ পাঠক, দুধনৈ সমজিলাৰ সমজিলা আয়ুক্ত অৰুণ কুমাৰ ব্ৰহ্ম, অতিৰিক্ত আৰক্ষী অধীক্ষক ৰিতুৰাজ দলে, দুধনৈৰ সমজিলা আৰক্ষী অধীক্ষক (CDSP) নূপুৰ ৰঞ্জন নেওগ, সহকাৰী আয়ুক্ত আশিস কলিতা আদিয়ে সভাখনত অংশগ্ৰহণ কৰে। আজিৰ সভাখনত গোৱালপাৰা জিলাত সংঘটিত হোৱা কেইবাটাও পথ দুৰ্ঘটনাৰ বিষয়ে বিশ্লেষণ কৰি চোৱা হয়। জিলাখনত সংঘটিত হোৱা দুৰ্ঘটনাসমূহৰ ভিতৰত গাড়ী আৰু পথচাৰীৰ মাজত সংঘটিত হোৱাৰ তথ্যলৈ চাই ৰাইজৰ মাজত সজাগতা বৃদ্ধিৰ বাবে পদক্ষেপ লোৱা বিষয়ত গুৰুত্ব প্ৰদান কৰা হয়। আনহাতে, চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাই পথৰ নিৰ্মাণ চলি থকা অংশসমূহত পথৰ সাংকেতিক চিহ্নবোৰ যাতে চালকৰ চকুত পৰাকৈ স্পষ্টকৈ থাকে, সেয়া নিশ্চিত কৰিবলৈ ৰাষ্ট্ৰীয় পথ বিভাগৰ অভিযন্তাক নিৰ্দেশ দিয়া হয়। আজিৰ সভাত গোৱালপাৰা চহৰৰ পথত বিচৰণ কৰা গৰু, ছাগলী আদি পোহনীয়া জন্তু সমূহৰ গৰাকীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লবলৈ গোৱালপাৰা পৌৰসভাৰ কাৰ্যবাহী বিষয়াগৰাকীক নিৰ্দেশ দিয়া হয়। বহু কেইটা পথত নিৰ্দিষ্ট জোখতকৈ অধিক সামগ্ৰী কঢ়িওৱা যান বাহনৰ বিৰুদ্ধেও কঠোৰ ব্যৱস্থা লোৱাৰ বাবে জিলা পৰিবহণ বিভাগক নিৰ্দেশ দিয়া হয়। জিলা পথ সুৰক্ষা সমিতিৰ সদস্য সচিব তথা অধীক্ষক অভিযন্তা ( লোক নিৰ্মাণ বিভাগ) কুলেন্দ্ৰ বড়ো, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ড° প্ৰশান্ত বৰা, স্বাস্থ্য বিষয়া ড° জনবীৰ দাস, বিদ্যালয় সমূহৰ পৰিদৰ্শক অনুপ কুমাৰ দাস, ৰাষ্ট্ৰীয় ঘাই পথ আন্তঃগাথনি উন্নয়ন নিগম লিমিটেডৰ অভিযন্তা সৌভিক পল, জিলাখনৰ লোক নিৰ্মাণ (পথ) বিভাগৰ অভিযন্তাসকল, স্বাস্থ্য বিভাগৰ বিষয়া, গোৱালপাৰা পৌৰসভাৰ কাৰ্যবাহী বিষয়া, পথ সুৰক্ষাৰ লগত জড়িত বেচৰকাৰী সংস্থাৰ প্ৰতিনিধি আদিয়ে অংশগ্ৰহণ কৰা সভাখনত পথ সুৰক্ষাৰ বাবে অন্যান্য বহুকেইটা দিশত আলোচনা কৰা হয়।

আমগুৰিৰ বেলিমুখীয়াত সুৰাপায়ী যুৱকৰ মৃত্যু

# ক্ষুব্ধ জনতাই আৰক্ষীৰ সহযোগত উচ্ছেদ চুলাই ভাতি

**অসম বাৰ্তা, আমগুৰি, ১৭ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰি থানাৰ অন্তৰ্গত বেলিমুখীয়া ডিব্ৰুৱাল গাঁৱত চুলাই সেৱন কৰি এজন যুৱকৰ মৃত্যু হোৱাৰ পাছত অঞ্চলটোৰ ৰাইজ ক্ষোভিত হৈ পৰি আৰক্ষীৰ সহযোগত উচ্ছেদ কৰে অঞ্চলটোৰ একাধিক চুলাই ভাতি। উল্লেখযোগ্য যে, অঞ্চলটোত দীৰ্ঘদিন ধৰি চলি আছে বহু সংখ্যক অবৈধ চুলাই মদৰ ঘাটি। এই চুলাই মদৰ বাবেই অঞ্চলটোৰ কেইবাজনো লোকৰ মৃত্যু হৈছে। এই অবৈধ চুলাই মদৰ বিৰুদ্ধে বিগত সময়ত মহিলা সংগঠন সমূহৰ লগতে স্থানীয় মহিলা সকলে প্ৰতিবাদ কৰি আহিছিল যদিও কোনো ফল ধৰা নাছিল। ফলত এই চুলাই মদেই কাল হল এজন যুৱকৰ বাবে। বেলিমুখীয়া ডিব্ৰুৱাল গাঁৱৰ সমীৰণ গগৈ নামৰ এজন উদীয়মান যুৱকে চুলাই মদ সেৱন কৰাৰ ফলত মৃত্যুক সাৱটি লব লগা হয়। এই ঘটনাৰ পিছতে বীৰ লাচিত সেনা অসমৰ নামতি আঞ্চলিক সমিতি, বেলিমুখীয়া ডিব্ৰুৱাল গাঁৱৰ স্থানীয় ৰাইজ আৰু বীৰ লাচিত সেনা অসমৰ নামতি আঞ্চলিক সমিতি মুখ্য প্ৰশাসনিক সচিব সঞ্জু আলী আৰু স্থানীয় ৰাইজৰ সহযোগত আমগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মৃদুল হাজৰিকাৰ সবল নেতৃত্বত তিনিটাকৈ অবৈধ চুলাই মদৰ ঘাটি উচ্ছেদ কৰাৰ লগতে চুলাই প্ৰস্তুত কৰা সামগ্ৰী নষ্ট কৰে। আনহাতে আৱকাৰী বিভাগে এই অবৈধ চুলাই মদৰ ঘাটি সমূহ উচ্ছেদ কৰাৰ পৰিবৰ্তে চকুমুদা কুলিৰ ভূমিকা লোৱাহে পৰিলক্ষিত হৈছে।

# পলাশী শিল্পী সমাজৰ উদ্যোগত দ্বিতীয় বাৰ্ষিক সদৌ অসম ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা সম্পন্ন



**অসম বাৰ্তা, মিৰ্জা, ১৮ ডিচেম্বৰ ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰীৰ পলাশী শিল্পী সমাজৰ উদ্যোগত দ্বিতীয় বাৰ্ষিক সদৌ অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাখনি সফলভাৱে অনুষ্ঠিত হোৱা পৰিলক্ষিত হয়। উক্ত অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বহু মহিলা, ছাত্ৰ-ছাত্ৰী আৰু সচেতন নাগৰিকৰ ব্যাপক উপস্থিতি দেখা যায়। বিচাৰকদ্বয়ৰ বিচাৰ মৰ্মে প্ৰতিযোগিতাখনিৰ ‘ক’ শাখাত বিজয়নগৰৰ জ্ঞানম জ্যোতি সদাগৰে প্ৰথম স্থান, নগাঁৱৰ ধৃতি তাপস্য বৰুৱাই ২য় স্থান আৰু ৰঙিয়াৰ জিমলী কাশ্যপে তৃতীয় স্থান লাভ কৰে। পলাশী শিল্পী সমাজৰ সভাপতি নিৰঞ্জন কুমাৰে জানিব দিয়া অনুসৰি উক্ত প্ৰতিযোগিতাৰ ‘খ’ শাখাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান অধিকাৰ কৰে ক্ৰমে নিৰ্মালী দাস, বিদিশা শইকীয়া আৰু দীক্ষিতা দাসে। এই প্ৰতিযোগিতাৰ বিচাৰক হিচাপে উপস্থিত থাকে অনাতাঁৰ কেন্দ্ৰ গুৱাহাটীৰ ‘এ’ গ্ৰেড কণ্ঠশিল্পী তথা সুৰকাৰ জীৱেন্দ্ৰ মোহন দেৱশৰ্মা আৰু সুৰকাৰ ড° দিলীপ কলিতা। উল্লেখ্য যে অনাগত দিনত পলাশী শিল্পী সমাজে আৰু অতি নিখুঁতভাৱে এনেধৰণ সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত কৰিব বুলি পলাশী শিল্পী সমাজৰ সম্পাদক অখিল কলিতাই জানিবলৈ দিয়ে।

# “কলংপাৰ” কাকতৰ প্ৰাক্তন মুখ্য সম্পাদক ভবেন বৰাৰ পত্নীৰ বিয়োগ

**অসম বাৰ্তা, বঢ়মপুৰ, ১৭ ডিচেম্বৰ ঃ** নগাঁৱৰ পৰা প্ৰকাশিত সাপ্তাহিক “কলংপাৰ” কাকতৰ প্ৰাক্তন মুখ্য সম্পাদক, বিশিষ্ট সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা নগাঁৱৰ টাউন তেলীয়া পানীগাঁও নিবাসী ভবেন বৰাৰ সহধৰ্মিনী ৰেণু বৰাৰ বুধবাৰে বিয়লি প্ৰায় ৪.১৫ বজাত মৃত্যু হয়। একালৰ নৃত্যশিল্পী, বিভিন্ন সামাজিক অনুষ্ঠানৰ সৈতে জড়িত ৰেণু বৰাৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৫৬ বছৰ। বিগত কিছুদিনৰ পৰা শ্বাস-প্ৰশ্বাসজনিত ৰোগত আক্ৰান্ত হৈ নিজ গৃহতে মৃত্যু হোৱা ৰেণু বৰা আছিল অত্যন্ত সহজ-সৰল, নম্ৰ স্বভাৱৰ মহিলা। মৃত্যুৰ সময়ত তেওঁ স্বামীৰ উপৰি একমাত্ৰ জীয়ৰীক এৰি থৈ যায়। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

# মাজুলীৰ পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত বিদ্যালয় সপ্তাহ আৰম্ভ



**অসম বাৰ্তা, উজনী মাজুলী, ১৭ ডিচেম্বৰ ঃ** মাজুলী শিক্ষা খণ্ডৰ মাধ্যমিক শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত আজি ছাত্ৰ একতা সভাৰ উদ্যোগত আনুষ্ঠানিকভাৱে ২০২৫ বৰ্ষৰ বিদ্যালয় সপ্তাহ আৰম্ভ কৰা হয়। আজি পুৱা বিদ্যালয়খনৰ প্ৰাতঃ সভাৰ পাছতে বিদ্যালয় সপ্তাহৰ আনুষ্ঠানিক কাৰ্যসূচী আৰম্ভ হয়। বিদ্যালয় সপ্তাহ উপলক্ষে আজি পুৱা বিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ছাত্ৰ-ছাত্ৰী সকলে পৰিৱেশ পৰিষ্কাৰ কৰে। তাৰপিছত বিদ্যালয়ৰ পতাকা উত্তোলন কৰে বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি তথা উপাধ্যক্ষ গজেন বৰাই। পতাকা উত্তোলনৰ পাছতে ছাত্ৰ ছাত্ৰীসকলে মাৰ্চ পাষ্ট প্ৰদৰ্শন কৰে। বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ক্ৰীড়া সম্পাদক মৃদুল লাগাছুয়ে অলিম্পিক শিখা প্ৰজ্বলন কৰে আৰু অলিম্পিক শিখা লৈ ছাত্ৰ ছাত্ৰীসকলৰ উল্লাসৰ মাজত বিদ্যালয়ৰ খেলপথাৰত এপাক দৌৰে। তাৰপিছত বিদ্যালয়ৰ অধ্যক্ষ অজিত সভাপণ্ডিতে আনুষ্ঠানিকভাৱে বিদ্যালয় সপ্তাহ উদ্বোধন কৰে। নিজৰ উদ্বোধনী ভাষণৰ পাছতেই ভলীবলৰ এটা ছাৰ্ভিচ মাৰি অধ্যক্ষ অজিত সভাপণ্ডিতে উক্ত বিদ্যালয় সপ্তাহ উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানৰ পাছতেই আজি প্ৰথম দিনা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত ভলীবল প্ৰতিযোগিতা, মনোযোগী খেল, সংগীত চকী, বেডমিণ্টন, ক্ৰিকেট আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। অহা ২২ ডিচেম্বৰলৈকে বিদ্যালয়ৰ উক্ত ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। আজিৰ বিভিন্ন প্ৰতিযোগিতাসমূহ পৰিচালনা কৰে বিষয় শিক্ষক তথা ক্ৰীড়া তত্ত্বাৱধায়ক যদু কলিতাই।

### এদিনতে খাই তহিলং কৰিলে প্ৰায় ত্ৰিশ বিঘাৰো অধিক ৰঙলাও খেতি

# কামপুৰত বন্যহস্তীৰ সন্ত্ৰাস

**অসম বাৰ্তা, কামপুৰ, ১৭ ডিচেম্বৰ ঃ** কামপুৰত বন্যহস্তীৰ সন্ত্ৰাসে ব্যাপক ৰূপ ধাৰণ কৰিছে। এটা দিনতে বন্যহস্তীৰ জাঁকে তহিলং কৰিলে কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত তেঁতেলীসৰা বেঙেনাআটিৰ লোমাটিত প্ৰায় ৩০ বিঘাৰ অধিক ৰঙালাউ খেতি। হাতীৰ সন্ত্ৰাসত লক্ষ লক্ষ টকা লোকচান হোৱাত মুৰে কপালে হাত দিছে কৃষকে। জানিব পৰা মতে নগাঁও জিলাৰ ধিংৰ পৰা আহি কেইজনমান কৃষকে অতি কষ্টৰে প্ৰায় ৩০ বিঘাৰো অধিক কৃষি ভূমিত ৰঙলাউ খেতি কৰিছিল। কিন্তু ৰঙলাউ কুমলীয়া হৈ থকা অৱস্থাত এইদৰে বন্যহস্তী নষ্ট কৰি পেলোৱাত সমস্যাত পৰিছে কৃষক সকল। উল্লেখ্য যে বিগত এটা মাহতকৈ অধিক সময়ত কামপুৰ ৰাজহ চক্ৰৰ বিভিন্ন তেঁতেলীসৰা অঞ্চলৰ লগতে তেলিয়াআটি, বেঙেনাআটি আদি এলেকাত এটা প্ৰকাণ্ড হাতীৰ জাকে সন্ত্ৰাস চলাই আহিছে। প্ৰায় ডেৰ দুশ জনীয়া হাতীৰ জাকটোৱে ধান; শাক পাচলি খাই তহিলং কৰাত শংকিত হৈ পৰিছে কৃষক সকল। বন্যহস্তীৰ জাঁকটো পাহাৰলৈ খেদি নিবৰ বাবে ৰাইজে দাবী জনাইছে।


# ৬৯তম্ ৰাষ্ট্ৰীয় স্কুল গেমছ সম্পন্ন, ছোৱালীৰ ১৪ বছৰ অনুৰ্ধ শাখাত দ্বিতীয় বিজয়ী খিতাপ দখল




**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৮ ডিচেম্বৰ ঃ** নতুন দিল্লীত ৬৯তম ৰাষ্ট্ৰীয় স্কুল গেমছত অসমে পুনৰ এবাৰ গৌৰৱ অৰ্জন কৰিছে। ১৪ বছৰ অনুৰ্ধ্ব ছোৱালী শাখাত অসমৰ সন্তৰণবিদৰ অনবদ্য প্ৰদৰ্শনেৰে একাধিক পদক লাভ কৰিবলৈ সক্ষম হয়। প্ৰতিযোগিতাত কস্তুৰী গগৈয়ে অভূতপূৰ্ব সাফল্য দেখুৱাই ৩টা স্বৰ্ণ পদক লাভ কৰে। ১০০ মিটাৰ ব্ৰেষ্ট ষ্ট্ৰোকত ১.১৯.৩৯ ছেকেণ্ড, ২০০ মিটাৰ ব্ৰেষ্ট ষ্ট্ৰোকত ২.৪৮.৯৩ ছেকেণ্ড আৰু ৫০ মিটাৰ ব্ৰেষ্ট ষ্ট্ৰোকত ৩৬.৭০ ছেকেণ্ড। আনহাতে, আদ্ৰিজা ৰাণী চেতিয়ায়ো উৎকৃষ্ট প্ৰদৰ্শনেৰে ২০০ মিটাৰ বাটাৰফ্লাই ইভেণ্টত স্বৰ্ণ পদক অৰ্জন কৰে, টাইমিং আছিল ২.৩০.৭৫ ছেকেণ্ড। অসম দলৰ সমবেত প্ৰচেষ্টাৰ ফলস্বৰূপে ১৪ বছৰৰ অনুৰ্ধ্ব শাখাত অসমে 'Second Runners Up' ট্ৰফি লাভ কৰে। এই গৌৰৱময় সাফল্যৰ বাবে অসম সাঁতোৰ সংস্থাৰ সম্পাদক ভাস্কৰ ৰঞ্জন দাস আৰু প্ৰচাৰ সচিব মুকুটেশ্বৰ গোস্বামীয়ে দলটিৰ লগতে প্ৰশিক্ষক-মেনেজাৰ মমী বৰ্মন, ৰিংকী ভূঞাঁ আৰু হৰেকৃষ্ণ গগৈকো উষ্ম অভিনন্দন জ্ঞাপন কৰিছে।

# চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলাত ড° নগেন শইকীয়াৰ-সাহিত্যবাদ বৈচিত্ৰ্য আৰু ভাৰতীয় সাহিত্যতত্ত্বৰ আভাস উন্মোচন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৮ ডিচেম্বৰ ঃ** ডিব্ৰুগড়ৰ মিলনজ্যোতি সংঘৰ উদ্যোগত আৰু অসম পুথি প্ৰশাসন আৰু বিক্ৰেতা সংস্থাৰ সহযোগত অনুষ্ঠিত হৈ থকা চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলা চতুৰ্থ দিনা চৌকিডিঙীৰ গ্ৰন্থমেলাৰ বাকৰিত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অধ্যাপক ড° নগেন শইকীয়াৰ সাৰস্বত আৰু শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ সহযোগত প্ৰয়াত লাবণ্য শইকীয়াৰ সোঁৱৰণী বক্তৃতা আৰু গ্ৰন্থ উন্মোচন অনুষ্ঠান অনুষ্ঠিত হয়। 'অসমীয়া গীতি সাহিত্যত নাৰীৰ ভাৱনাৰ প্ৰতিফলন'- শীৰ্ষক বক্তৃতা প্ৰদান কৰে সাহিত্যাচাৰ্য ড° কৰবী ডেকা হাজৰিকাই। সম্পাদক বীৰেন বৰুৱাই আঁতধৰা অনুষ্ঠানটোত ন্যাসৰ সভাপতি ড° কন্দৰ্প কুমাৰ



ডেকা, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হীৰেন্দ্ৰ নাথ শৰ্মা, পঞ্জীয়ক পংকজ বৰঠাকুৰ, প্ৰচাৰ সম্পাদক ৰতন হাজৰিকাকে ধৰি বহুকেইজন বিষয়ববীয়া উপস্থিত থকা অনুষ্ঠানতে ডঃ নগেন শইকীয়াৰ সাহিত্যবাদ বৈচিত্ৰ্য আৰু ভাৰতীয় সাহিত্যতত্ত্বৰ আভাস, নিৰলা বৰুৱাৰ -বিদেশত অকলে, ড° বীৰেন্দ্ৰ কুমাৰ গোহাঁইৰ-মহাবীৰ লাচিত বৰফুকন আৰু ড° কৰবী ডেকা হাজৰিকাৰ অকণিৰ নাটঘৰ উন্মোচন কৰা হয়। আনহাতে ড° নগেন শইকীয়াৰ "অতীততেই মোৰ ঘৰ" কেইদিনমান আগতে উন্মোচন কৰা হৈছিল। অনুষ্ঠানত যথেষ্ট সংখ্যক গ্ৰন্থপ্ৰেমী ৰাইজ উপস্থিত থাকে।

### লখিমপুৰ ক্ৰীড়া সন্থাৰ সম্পাদকৰ চৰম ময়মতালি

# ক্ৰীড়া সন্থাৰ সিদ্ধান্ত নোহোৱাকৈ মীনাবজাৰ আয়োজন

**অসম বাৰ্তা, লীলাবাৰী, ১৭ ডিচেম্বৰ ঃ** বিভিন্ন বিদ্যালয়ৰ মহাবিদ্যালয়ত পৰীক্ষা অনুষ্ঠিত থকা সময়খিনিত উত্তৰ লখিমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত লখিমপুৰ ক্ৰীড়াৰ সন্থাৰ সম্পাদক ভৱ গগৈয়ে চৰম মইমতালি আৰু ৰাজনৈতিক প্ৰভাৱ খটুৱাই একক সিদ্ধান্তৰে আয়োজন কৰিছে মীনাবজাৰ। সম্পাদকৰ এনে একক সিদ্ধান্তক লৈ আন সন্থাৰ বিষয়-ববীয়া, কাৰ্যকৰ্তা তথা ক্ৰীড়া সংগঠকসকল অসন্তুষ্ট হৈ পৰিছে। খেলপথাৰখনৰ গাতে লাগি আছে ৫ খনকৈ বিদ্যালয় আৰু মহাবিদ্যালয় আছে। লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ত ইন্দিৰা গান্ধী মুক্ত বিশ্ববিদ্যালয়ৰ ৪১৩ নং কেন্দ্ৰত আগন্তুক জানুৱাৰী মাহৰ ১৪ তাৰিখ বিয়লি ৫ বজালৈ পৰীক্ষা চলি থাকিব। তেনেস্থলত মীনাবজাৰৰ গান বাজনাই কেন্দ্ৰটোত পৰীক্ষা দিয়া ছাত্ৰ ছাত্ৰীয়ে মৌলিক অধিকাৰৰ হৰণ কৰাটো প্ৰায় নিশ্চিত হৈ পৰিছে। বিভিন্ন দল-সংগঠনে জিলা আয়ুক্তক মীনাবজাৰৰ অনুমতি বাতিলৰ আবেদন জনাইছে যদিও আয়ুক্ত গৰাকীয়ে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত সংগঠনসমূহে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। সন্থাৰ সম্পাদকৰ এনে হঠকাৰী সিদ্ধান্তক লখিমপুৰ জিলাৰ দল-সংগঠনৰ লগতে বৌদ্ধিক সমাজে একেমুখে নিন্দা কৰিছে। সামাজিক মাধ্যমতো এই মীনাবজাৰ আয়োজনৰ বিৰোধিতাৰে ক্ষুৰধাৰ সমালোচনাৰ কৰা পৰিলক্ষিত হৈছে। লখিমপুৰ প্ৰেছ ক্লাবৰ এগৰাকী সাংবাদিকে ফোনযোগে লখিমপুৰ জিলা ক্ৰীড়া সন্থাৰ কাৰ্য্যকৰী সভাপতিৰ পৰা মীনাবজাৰ আয়োজনৰ সম্পৰ্কে জানিব বিছৰাত তেওঁ কয় যে, লখিমপুৰ ক্ৰীড়া সন্থাৰ কোনো বিষয়ববীয়া এই মীনাবজাৰত জড়িত নহয়। আনন্দমেলা আয়োজনৰ একক সিদ্ধান্ত সম্পাদক ভৱ গগৈৰ নিজা বুলি উল্লেখ কৰে। সন্থাৰ নিয়ম অনুসৰি কোনো অনুষ্ঠান আয়োজনৰ পূৰ্বে সভাৰ আয়োজন কৰি সিদ্ধান্ত লোৱা হয়। কিন্তু এই মেলা সম্পৰ্কে সম্পাদক গৰাকীয়ে কোনো সভা আয়োজন নকৰি বৰঞ্চ মেলাৰ সামগ্ৰী খেলপথাৰত পৰাৰ পাছতহে মীনাবজাৰ আয়োজনৰ কৰা বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। আন এগৰাকী সন্থাৰ বিষয়ববীয়াই কয় যে সম্পাদক ভৱ গগৈয়ে সন্থা কাৰ্যলয়ৰ নীতি-নিয়ম উলংঘা কৰি অৰাজকৰ সৃষ্টি কৰিছে। স্থানীয় ৰাইজে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি পৰীক্ষাৰ সময়ত এই মীনাবজাৰ বন্ধ হোৱাটো কামনা কৰিছে।

### চোৰাং গৰু সৰবৰাহৰ অভিযোগত স্থানীয় লোকৰ তীব্ৰ প্ৰতিবাদ

# লংকাৰ লালংডুবিত গৰু ভৰ্ত্তি বাহনক লৈ উত্তপ্ত পৰিস্থিতি

**অসম বাৰ্তা, লংকা, ১৮ ডিচেম্বৰ ঃ** লংকাৰ লালংডুবি অঞ্চলত বুধবাৰে নিশা গৰু ভৰ্ত্তি বাহনক লৈ এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। AS-31-C-2606 নম্বৰৰ মহিন্দ্ৰা বলেৰো পিক আপ ভেন এখনত ৯টা গৰু চোৰাংভাৱে সৰবৰাহ কৰাৰ চেষ্টা কৰা হৈছে বুলি সন্দেহ প্ৰকাশ কৰি স্থানীয় লোকে বাহনখন ৰখাই দিয়ে। প্ৰাপ্ত তথ্য অনুসৰি, সন্দেহজনক বাহনখন লালংডুবি অঞ্চলৰ মাজেদি অতিক্ৰম কৰাৰ সময়তে স্থানীয় লোকে গৰু সৰবৰাহৰ সন্দেহত বাহনখন ৰখাই দিয়ে। তাৰ পিছতে বাহনচালকক সোধপোছ কৰি গৰুসমূহ ক'লৈ আৰু কিহৰ উদ্দেশ্যে লৈ যোৱা হৈছে বুলি জানিব বিচাৰে। চালকে উপযুক্ত উত্তৰ দিব নোৱাৰাত স্থানীয় লোকৰ সন্দেহ অধিক ঘনীভূত হয়। পৰৱৰ্তী সময়ত স্থানীয় লোকে ঘটনাটো সম্পৰ্কে লংকা আৰক্ষীক খবৰ দিয়ে। খবৰ পাই কিছু সময়ৰ ভিতৰতে লংকা আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা কৰে। যদিও আৰক্ষীৰ উপস্থিতিৰ পাছতো পৰিস্থিতি অধিক উত্তপ্ত হৈ পৰে। স্থানীয় লোক আৰু প্ৰতক্ষ্যদৰ্শীৰ অভিযোগ অনুসৰি, গৰুসমূহক অত্যন্ত নিৰ্দয়ভাৱে আৰু পশুধন আইন উলংঘন কৰি সৰবৰাহ কৰা হৈছিল। গৰু চোৰাং সৰবৰাহ আৰু পশুধনক হাৰাশাস্তি কৰি অবৈধভাৱে সৰবৰাহ কৰাৰ অভিযোগ তুলিছে স্থানীয় ৰাইজে। এই ঘটনাৰ মাজতেই স্থানীয় লোকসকলে লংকা অঞ্চলত দীৰ্ঘদিন ধৰি এক বৃহৎ গৰু চোৰাং সৰবৰাহ চিণ্ডিকেট সক্ৰিয় হৈ থকাৰ অভিযোগ উত্থাপন কৰে। লগতে এই চিণ্ডিকেটৰ সৈতে একাংশ আৰক্ষীৰ মিতিৰালি থকাৰ গুৰুতৰ অভিযোগো স্থানীয় লোকৰ। তেওঁলোকৰ দাবী অনুসাৰে, আৰক্ষীৰ নিস্ক্ৰিয়তা আৰু সহযোগিতাৰ বাবেই এইধৰণৰ অবৈধ কাৰ্য্য অব্যাহত থাকিবলৈ পাইছে। উত্তপ্ত পৰিস্থিতিৰ মাজতেই আৰক্ষীৰ সন্মুখতে স্থানীয় লোকসকলে গৰুসমূহ বাহনখনৰ পৰা এৰি দিয়ে আৰু গৰুসমূহক সুৰক্ষিত স্থানলৈ লৈ যাবলৈ চেষ্টা কৰে যদিও আৰক্ষীয়ে বাধা দিয়ে। ঘটনাস্থলীত কিছু সময়ৰ বাবে উত্তেজনাপূৰ্ণ পৰিৱেশে বিৰাজ কৰে যদিও পৰৱৰ্তী সময়ত আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনে। এই ঘটনাই লংকা অঞ্চলত পুনৰ গৰু চোৰাং সৰবৰাহ আৰু আৰক্ষী-প্ৰশাসনৰ ভূমিকাক লৈ বহু প্ৰশ্ন উত্থাপন কৰিছে। স্থানীয় লোকসকলে ঘটনাটোৰ নিৰপেক্ষ তদন্ত কৰি দোষীক কঠোৰ শাস্তি প্ৰদানৰ দাবী জনাইছে। লগতে গৰু সৰবৰাহ চিণ্ডিকেট ভাঙি দিয়াৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষী-প্ৰশাসনক আহ্বান জনাইছে। ঘটনাটো সম্পৰ্কে আৰক্ষীৰ তৰফৰ পৰা এতিয়ালৈ কোনো আনুষ্ঠানিক মন্তব্য লাভ কৰা হোৱা নাই।

# হিন্দু সন্মিলনৰ আঞ্চলিক সমিতি গঠন

**অসম বাৰ্তা, বাগানপাৰা, ১৮ ডিচেম্বৰ ঃ** ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ শতবৰ্ষ উপলক্ষে সংঘই "হিন্দু সন্মিলন" নামেৰে আগন্তুক জানুৱাৰী মাহত সমগ্ৰ হিন্দু সমাজক লৈ এক অনুষ্ঠানৰ আয়োজন কৰিছে। এই উদ্দেশ্যে সু-কলমে আৰু সু-চাৰুৰূপে পৰিচালনা কৰাৰ উদ্দেশ্যে ১৭ ডিচেম্বৰত অনুষ্ঠিত হয় এখন সাধাৰণ সভা। বাক্সা জিলাৰ নবস্তি অঞ্চলৰ ব্যক্তিগত শিক্ষানুষ্ঠান শংকৰদেৱ শিশু নিকেতনত অনুষ্ঠিত সভাখনত সভাপতিত্ব কৰে শংকৰদেৱ শিশু নিকেতন নবস্তিৰ পৰিচালনা সমিতিৰ সভাপতি চন্দ্ৰ কলিতাই। সভাত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ বাগানপাৰা খণ্ডৰ সংযোজক চিণ্টুমণি হালৈৰে এই হিন্দু সন্মিলন সম্পৰ্কে বিস্তৃত বক্তব্য দাঙি ধৰে। সভাত গৌতম কলিতা, জীতেন কলিতা প্ৰমুখ্যে আন আন লোকেও বক্তব্য প্ৰদান কৰে। সভাত সৰ্বসন্মতিক্ৰমে নবস্তি আঞ্চলিক হিন্দু সন্মিলন সমিতিখন গঠন কৰা হয়। সভাত গৌতম কলিতাক সভাপতি, ৰঞ্জিত তালুকদাৰ, ৰঘুনাথ শৰ্মা, আতুল ডেকা, সনাতন মেজিক উপ- সভাপতি, ধনেশ্বৰ কলিতাক সম্পাদক, গোপাল ভট্টৰাই, জয়ন্ত পণ্ডিত আৰু মাধৱ কলিতাক সহ-সম্পাদক হিচাপে লৈ এখন শক্তিশালী উদযাপন সমিতি গঠন কৰা হয়। জানিব পৰা মতে অহা ২৫ ডিচেম্বৰত এই হিন্দু সন্মিলন খনি উদযাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

# দেৰগাঁৱৰ সমীপৱৰ্তী গুণীপ্ৰভা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দিব্য বৰাৰ বিদায় সভা সম্পন্ন

**অসম বাৰ্তা, দেৰগাঁও, ১৮ ডিচেম্বৰ ঃ** বুধবাৰে দেৰগাঁৱৰ সমীপৱৰ্তী চৰকাৰী মাধ্যমৰ অন্যতম এক অগ্ৰণী শিক্ষানুষ্ঠান গুণীপ্ৰভা দত্ত উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দিব্য বৰাৰ বিদায় সভা সম্পন্ন। অৱসৰী শিক্ষক দিব্য বৰাই ২০০৩ চনৰ ১ চেপ্তেম্বৰৰ পৰা বিদ্যালয়খনত সেৱা আগবঢ়াই ২০২৩ চনৰ আগষ্ট মাহৰ ১তাৰিখৰ পৰা ২০২৫ চনৰ ৩০ চেপ্তেম্বৰলৈ প্ৰধান শিক্ষকৰ দায়িত্ব অতি নিষ্ঠাৰে পালন কৰি অৱসৰ গ্ৰহণ কৰে। অৱসৰী শিক্ষক দিব্য বৰা এজন লেখক হিচাপেও সুকীয়া পৰিচয় আছে। বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি সমুদ্ৰ দুৱৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয় খনৰ সহ শিক্ষক মনোজ চুতীয়াই। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে গুণীপ্ৰভা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষয়িত্ৰী মীৰা মহন্ত, বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষয়িত্ৰী ৰূপৰেখা চুতীয়া, প্ৰাক্তন শিক্ষয়িত্ৰী ৰিঞ্জুমণি বৰা। বিদ্যালয়ৰ শিক্ষয়িত্ৰী সমীক্ষা হাজৰিকাই আঁতধৰা সভাখনত আদৰণী ভাষণ প্ৰদান কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ফাৰহাজ জেবিনে। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী গীতাঞ্জলী দেৱীয়ে স্ব-ৰচিত কবিতা পাঠ, বিদ্যালয়ৰ প্ৰাক্তন শিক্ষয়িত্ৰী মামনি বৰঠাকুৰৰ গীত পৰিৱেশন, অখিল ভাৰতীয় পত্ৰকাৰ মহাসভাৰ গোলাঘাট জিলাৰ সম্পাদক বিদ্বান বৰদলৈ, উপেন্দ্ৰ নাথ শইকীয়া, মধুমিতা গোস্বামী আদিয়ে বক্তব্য প্ৰদান কৰে। সভাত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে স্থানীয় ৰাইজ, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলেও অৱসৰী প্ৰধান শিক্ষক দিব্য বৰাক সম্বৰ্ধনা জ্ঞাপন কৰে। পুৱা সদ্য অৱসৰী শিক্ষক জনক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী সকলে আদৰি আনে। বিদায় সম্ভাষণ গ্ৰহণ কৰি দিব্য বৰা আৱেগিক হৈ পৰা দেখা গ'ল।

### উপস্থিত থাকিব ৰাজ্যপাল, কেন্দ্ৰীয় মন্ত্ৰী

# ২৮ জানুৱাৰীত অনুষ্ঠিত হ'ব ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ তৃতীয় সমাৱৰ্তন

**অসম বাৰ্তা, মোৰাঝাৰ, ১৮ ডিচেম্বৰ ঃ** আজি ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয় (আৰ টি ইউ)ৰ সমাৱৰ্তন আয়োজন সমিতিৰ দ্বিতীয় বৈঠক উপাচাৰ্য সন্মিলন হলত পুৱা ১১ বজাত আয়োজন কৰা হয়। ইয়াৰ শৈক্ষিক উৎকৰ্ষৰ যাত্ৰাৰ আন এক মাইলৰ খুঁটি হিচাপে বিবেচিত তৃতীয় সমাৱৰ্তন অনুষ্ঠানৰ প্ৰস্তুতিৰ অগ্ৰগতিৰ বিষয়ে আলোচনা কৰিবলৈ এই বৈঠকৰ আয়োজন কৰা হয়। চলিত বৰ্ষৰ ১৮ জানুৱাৰীত বিশ্ববিদ্যালয়খনে সফলতাৰে দ্বিতীয় সমাৱৰ্তন অনুষ্ঠিত কৰিছিল, আৰু এইবাৰৰ অনুষ্ঠানটো আৰু অধিক বৰ্ণিল আৰু জাকজমকতাপূৰ্ণ হ'ব বুলি আশা কৰা হৈছে। আৰ টি ইউৰ উপাচাৰ্য তথা তৃতীয় সমাৱৰ্তন আয়োজন সমিতিৰ অধ্যক্ষ অধ্যাপক মনাবেন্দ্ৰ দত্ত চৌধুৰীৰ সভাপতিত্বত তৃতীয় সমাৱৰ্তন কেন্দ্ৰীয় আয়োজক সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। সভাত পৰীক্ষা নিয়ন্ত্ৰক ড° এছ চক্ৰৱৰ্তী আৰু পদেন সচিবৰ লগতে শৈক্ষিক পঞ্জীয়ক আৰু ভাৰপ্ৰাপ্ত পঞ্জীয়ক তদুপৰি ডীন, ডি এছ ডব্লিউ, প্ৰশাসনিক বিষয়া, সকলো বিভাগৰ মুৰব্বী আৰু অন্যান্য বিভিন্ন উপ-সমিতিৰ সদস্যসকল উপস্থিত আছিল। অহা বৰ্ষৰ ২৮ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ তৃতীয় সমাৱৰ্তনত উপস্থিত থাকিব অসমৰ ৰাজ্যপাল তথা বিশ্ববিদ্যালয়খনৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্য। তদুপৰি সমাৱৰ্তনখনত উপস্থিত থাকিব ভাৰত চৰকাৰৰ শিক্ষা ৰাজ্য মন্ত্ৰী ড° সুকান্ত মজুমদাৰ, অসমৰ শিক্ষামন্ত্ৰী ৰনোজ পেগু, কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, হোজাই আৰু লামডিঙৰ বিধায়ক, শ্ৰীভূমিৰ সাংসদকে ধৰি কেইবাগৰাকীও বিশিষ্ট জনপ্ৰতিনিধি উপস্থিত থাকিব। অসমৰ মুখ্যমন্ত্ৰীকো এই অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনোৱা হৈছে। সমাৱৰ্তনৰ প্ৰচাৰ আহ্বায়ক ড° এন আই বৰভূঞাই এক প্ৰেছ বিজ্ঞপ্তিযোগে উল্লেখ কৰে। এইবাৰ সমাৱৰ্তন অনুষ্ঠানত কলা, বিজ্ঞান আৰু বাণিজ্য শাখাৰ মুঠ ইউজি ৬১৭ আৰু পিজি ৯১ যোগ্য বঁটাপ্ৰাপকক ডিগ্ৰী প্ৰদান কৰা হ'ব। এই অনুষ্ঠানত বিশ্ববিদ্যালয়খনে শৈক্ষিক আৰু সাংস্কৃতিক দিশত আগবঢ়োৱা অনৱদ্য অৱদানৰ বাবে কেবাগৰাকী বিশিষ্ট ব্যক্তিক সন্মান প্ৰদান কৰিব।

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰীক্ষা পে চৰ্চালৈ নিৰ্বাচিত উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলৰ কৃতী ছাত্ৰী

**অসম বাৰ্তা, কমলপুৰ, ১৮ ডিচেম্বৰ ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰীক্ষা পে চৰ্চা "লৈ নিৰ্বাচিত উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলৰ কৃতী ছাত্ৰী অৰ্পিতা দাস। অহা ২১ ডিচেম্বৰত গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া প্ৰধানমন্ত্ৰীৰ এই কাৰ্যসূচীত নিৰ্বাচিত হোৱাৰ খবৰ লাভ কৰাৰ পিছতে উৎফুল্ল কৃতী ছাত্ৰী অৰ্পিতা দাস, বিদ্যালয় শখনৰ শিক্ষাগুৰু তথা উত্তৰ গুৱাহাটীবাসী। ইতিমধ্যে প্ৰধানমন্ত্ৰীৰ বাবে প্ৰশ্ন সাজু কৰিছে অৰ্পিতাই। এই কাৰ্যসূচীত ৰাজ্যৰ নিৰ্বাচিত ২৫-৩০জন কৃতী ছাত্ৰ-ছাত্ৰী অংশগ্ৰহণ কৰিব। উল্লেখ্য অৰ্পিতাই পূৰ্বে দলগত শিতানত দুটাকৈ ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা লাভ কৰিছে।

# কচুৱাত ড্ৰাগছসহ আটক তিনি

**অসম বাৰ্তা, কচুৱা, ১৭ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ কচুৱা আৰক্ষীয়ে পৃথকে পৃথকে অভিযান চলাই মহিলাসহ তিনিটা ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। কচুৱা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মৃদুল বৰাৰ নেতৃত্বত যোৱা আৰক্ষীৰ এটা দলে প্ৰথমে কচুৱাৰ ৰজাআলিত অভিযান চলাই হবিবুৰ ৰহমান (২০) নামৰ এটা ড্ৰাগছ সৰবৰাহকাৰীক তিনিটা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰসহ হাতে-লোটে আটক কৰে। আনহাতে, এক গোপন খবৰৰ ভিত্তিত ১ নং কচুৱাত অভিযান চলাই চিমলাই পথাৰৰ আব্দুল গণি (৪৫) আৰু মনযোন নেহাৰ (৩৫) ক এটা ড্ৰাগছভৰ্তি কণ্টেইনাৰসহ আটক কৰে। ধৃত মনযোন নেহাৰৰ স্বামী মফিদুল ইছলামে আৰক্ষীৰ উমান পাই পলাই যাবলৈ সক্ষম হয়। উল্লেখ্য যে মনযোন নেহাৰৰ স্বামী মফিদুল ইছলামে পূৰ্বেও কেইবাবাৰো ড্ৰাগছ সৰবৰাহত জড়িত হৈ জে'ললৈ গৈছিল বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ। বৃহত্তৰ কচুৱাৰ বিভিন্ন অঞ্চলবোৰত কচুৱা আৰক্ষীয়ে ড্ৰাগছ বিৰোধী অভিযান তীব্ৰতৰ কৰাত কচুৱা আৰক্ষীক ধন্যবাদ জনাইছে কচুৱাৰ সচেতন মহলে।

### এইমছ গুৱাহাটীত আজি ভূমিকম্পত লবলগীয়া সতৰ্কতা মূলক মহৰা

**অসম বাৰ্তা, কমলপুৰ, ১৮ ডিচেম্বৰ ঃ** এইমছ গুৱাহাটীত আজি ভূমিকম্প আহিলে ল'বলগীয়া সাৱধানতা আৰু সজাগতা সম্পৰ্কীয় এখন সতৰ্কতা মূলক মহৰা অনুষ্ঠিত কৰা হয়। কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আৰু ভাৰতীয় সেনা, এছ দি আৰ এফ, এন দি আৰ এফ, পি দাব্লু দি বিল্ডিঙ আৰু এইমছৰ কৰ্তৃপক্ষৰ সহযোগত এই ভূমিকম্পত লবলগীয়া সাৱধানতাৰ বিষয়েসতৰ্কতা মূলক মহৰা কৰা হয়। কি বিপদত পৰা লোকক উদ্ধাৰ কৰি চিকিৎসা প্ৰদান কৰা হয় তাৰ মক ড্ৰিল দেখুওৱা হয়। সতৰ্কতা মূলক মহৰাত জিলা প্ৰশাসনৰ অতিৰিক্ত আয়ুক্ত, এইমছৰ সঞ্চালক ডাঃ অশোক পৌৰাণিকৰ লগতে ভাৰতীয় সেনাৰ বিষয়া সকলে অংশগ্ৰহণ কৰে।

# নগাঁও জিলা বিদেশী ন্যায়াধিকৰণে চিনাক্ত ১৫ বাংলাদেশী, ৰূপহীহাটত চিনাক্ত ২ মহিলা

### ২৪ ঘণ্টাৰ ভিতৰতে সীমা পাৰ হোৱাৰ নিৰ্দেশ

**অসম বাৰ্তা, ৰূপহীহাট, ১৮ ডিচেম্বৰ ঃ** বিদেশী সমস্যাক কেন্দ্ৰ কৰি ৰাজ্যজুৰি বিতৰ্ক চলি থকাৰ সময়তে আজি নগাঁও জিলা বিদেশী ন্যায়াধিকৰণে চিনাক্ত কৰা ১৫জন বাংলাদেশীৰ ভিতৰত ২জন ৰূপহীহাটৰ বুলি চিনাক্ত হৈছে। ইয়াৰে এজন ৰূপহীহাট আৰক্ষী থানাৰ অন্তৰ্গত গড়েমাটিখোৱা গাঁৱৰ অজুফা খাতুন বুলি জানিব পৰা গৈছে। অজুফা খাতুনক প্ৰায় ১৯ বছৰ পূৰ্বে ৰূপহীহাটৰ গড়েমাটিখোৱাৰ আবুল কালামে শিৰস্থানৰ পৰা বিয়া পাতি আনিছিল। প্ৰাপ্ত তথ্য অনুসৰি অজুফা খাতুন শিৰস্থানৰ উমৰ আলীৰ জীয়ৰী বুলি জানিব পৰা গৈছে। ৭ মাহ পূৰ্বে সন্দেহযুক্ত নাগৰিক বুলি অজুফা খাতুনক গড়েমাটিখোৱাৰ নিজ স্বামী গৃহৰ পৰা গ্ৰেপ্তাৰ কৰি গোৱালপাৰা ডিটেনশ্বন কেম্পলৈ প্ৰেৰণ কৰা হৈছিল। উক্ত গোচৰৰ আজি শুনানী গ্ৰহণ কৰি নগাঁও জিলা বিদেশী ন্যায়াধিকৰণে অজুফা খাতুনক বিদেশী বুলি চিনাক্ত কৰিছে। বিদেশী ন্যায়াধীকৰণে বাংলাদেশী চিনাক্ত কৰি ২৪ ঘণ্টাৰ ভিতৰত বিতাড়নৰ নিৰ্দেশ দিয়া অজুফা খাতুনৰ এজন পুত্ৰ আৰু দুগৰাকী কন্যা সন্তান আছে। উল্লেখ্য যে অজুফা খাতুনৰ স্বামী আবুল কালামৰো জিলা বিদেশী সত্ৰ ন্যায়ালয়ৰ পৰা জাননী লাভ কৰিছিল। উক্ত জাননী পোৱাৰ পিছৰে পৰা আবুল কালামে আদালতৰ পৰা জামিন লৈ বৰ্তমান লৈকে বিদেশী গোচৰ চলাই আছে। আনহাতে উক্ত দীঘলীয়া তালিকাত জুৰীয়া বগুৰিগুৰীৰ আহেদা খাতুন নামৰ এগৰাকী মহিলাও বিদেশী চিনাক্ত হৈছে। প্ৰায় ২৭ বছৰ পূৰ্বে একে গাঁৱৰে জুৰীয়া বগুৰিগুৰীৰ আতাব উদ্দিন নামৰ লোকজনে আহেদা খাতুনক বিয়া পাতিছিল। ৪ মাহ পূৰ্বে সন্দেহযুক্ত নাগৰিক বুলি আহেদা খাতুনক নিজ স্বামী গৃহৰ পৰা গ্ৰেপ্তাৰ কৰা হৈছিল। ইমান দিন গোৱালপাৰা ডিটেনশ্বন কেম্পত আবদ্ধ হৈ থকা মহিলাজনীক আজি নগাঁও জিলা বিদেশী ন্যায়াধিকৰণে বিদেশী চিনাক্ত কৰি বাংলাদেশত বিতাড়নৰ নিৰ্দেশ দিছে বুলি জানিব পৰা গৈছে।

# ডিব্ৰুগড় জিলা অৱসৰপ্ৰাপ্ত পশু চিকিৎসা বিষয়া ডাঃ জ্যোতি প্ৰসাদ হাতীবৰুৱাই ক্লাছিক ইকুপ্ত শক্তি উত্তোলনত সোণসহ ৮টা পদক

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৭ ডিচেম্বৰ ঃ** তুৰ্কীৰ ইষ্টানবুলত ২ ডিচেম্বৰৰ পৰা ১০ ডিচেম্বৰলৈ অনুষ্ঠিত হোৱা এছিয়া মুকলি আৰু মাষ্টাৰ্চ প্ৰতিযোগিতাত সোণসহ মুঠ ৮টা পদক লাভ কৰে। ক্লাছিক আৰু ইকুপ্ত শক্তি উত্তোলন প্ৰতিযোগিতাত তিনিটা সোণ দুটা ৰূপ আৰু তিনিটা ব্ৰঞ্জৰ পদকসহ মুঠ আঠটা পদক লাভ কৰি ভাৰতবৰ্ষ তথা ৰাজ্যৰ লগতে ডিব্ৰুগড়লৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। মাষ্টাৰ্চ ৭৪ কেজি শাখাত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰা হাতীবৰুৱাই ইকুপ্ত শাখাত ৪৩৭.৫ কেজি উত্তোলন কৰি এছিয়াৰ দ্বিতীয় শ্ৰেষ্ঠ লিফ্টাৰ সন্মান লাভ কৰে। এই আন্তৰ্জাতিক প্ৰতিযোগিতাত এছিয়া মহাদেশৰ ২৬খন দেশৰ প্ৰায় তিনিশ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। ডাঃ হাতীবৰুৱাই ১৯৮৫ চনৰ পৰা শক্তি উত্তোলন আৰু ভাৰত্তোলনৰ প্ৰক্ষিক্ষণ গ্ৰহণ কৰিছিল। তেওঁ অসমৰ প্ৰথমজন ভাৰত্তোলনৰ এন ই এছ প্ৰশিক্ষক অজিৎ বৈশ্যৰ তত্ত্বাৱধানত প্ৰশিক্ষণ গ্ৰহণ কৰিছিল আৰু তেতিয়াৰ পৰা ৰাজ্যিক, ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি আহিছে আৰু বৰ্তমান এই প্ৰতিযোগিতাখনত অসমৰ প্ৰথমজন এছিয়া পদক লাভ কৰিবলৈ সক্ষম হোৱাত অসম শক্তি উত্তোলন সন্থাৰ সভাপতি ৰাজকুমাৰ দাস, সম্পাদক অনুপম শৰ্মা, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ কনিষ্ঠ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি হলিৰাম ফুকন, শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ জুনিয়ৰ কলেজৰ অধ্যক্ষ ভূষণজ্যোতি সন্দিকৈ, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ একাডেমীৰ শৈক্ষিক মুৰব্বী যাদৱ গগৈয়ে ডাঃ জ্যোতিপ্ৰসাদ হাতীবৰুৱাক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে।

অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত
বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com
ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২
যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব
Asom Barta is an Assamese newspaper published by Asom Barta Private Limited
Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
সম্পাদক ঃ তনয় বৰা
মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন